Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, APRIL 04, 2025 ■ শুকুৰবাৰ, ২১ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৯৭ Guwahati, Assam ।। মূল্যঃ এটকা

**মনত পৰিল সতীৰ্থলৈ!**

## ৪ দিনৰ মূৰত ভৃগু ফুকনৰ ঘৰলৈ কেশৱ-অতুল

ই-সংবাদ, ৩ এপ্ৰিলঃ যিটো দল গঠন কৰা কালত মানুহজন হোতা আছিল। মানুহজনে গঠনত ২ পৃষ্ঠাত চাওক

# মাজনিশা লোকসভাত গৃহীত 'ৱাকফ সংশোধনী বিল'

### ৰাজ্যসভাতো নিশাৰ ভাগতে বাধাহীনভাৱে গৃহীত!

**সপক্ষে- ২৮৮ ভোট**
**বিপক্ষে- ২৩২ ভোট**



নতুন দিল্লী, ৩ এপ্ৰিলঃ দীঘলীয়া বিতৰ্কৰ অন্তত অৱশেষত লোকসভাত গৃহীত হ'ল সংশোধিত ৱাকফ শেষাংশ ৪ পৃষ্ঠাত

## কংগ্ৰেছৰ মুখপাত্ৰ ৰীতমক পুনৰ গ্ৰেপ্তাৰ!

ই-সংবাদ, ৩ এপ্ৰিলঃ অসম প্ৰদেশ কংগ্ৰেছৰ অফিচিয়েল ফেচবুক পেজ ৯ পৃষ্ঠাত চাওক

## তেলেংগানাৰ পৰা শিক্ষা লওক হিমন্তইঃ অলকা

ই-সংবাদ, ৩ এপ্ৰিলঃ অসমত পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণাৰ পিছতে কংগ্ৰেছৰ ৯ পৃষ্ঠাত

**ষট্ পূজাক লৈ উত্তাল তিনিচুকীয়া, ওলাই আহিল থলিগিৰি জনতা**

# বৈঠকলৈ মাতি নি জনগোষ্ঠীয় নেতৃত্বক তীব্ৰ ভাবুকি জিলা আয়ুক্তৰ

ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৩ এপ্ৰিলঃ তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ত কেইবাটাও জাতীয়-জনগোষ্ঠীৰ সংগঠনৰ নেতৃত্বক জিলা আয়ুক্ত আইএএছ স্বপ্নীল পালে আলোচনাৰ বাবে মাতি নি ভাবুকি দিয়াৰ ঘটনাই ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। সভাকক্ষত কেইবাটাও সংগঠনৰ নেতৃত্বৰ উপস্থিতিত জিলা আয়ুক্ত স্বপ্নীল পালে আলোচনা কালতে ৫ পৃষ্ঠাত চাওক



তিনিচুকীয়াৰ ৰাজপথত অসমীয়াৰ প্ৰতিবাদ

## এচিএছ পংকজৰ বাসগৃহত অভিযান

ই-সংবাদ, ৩ এপ্ৰিলঃ ৰাজ্যৰ বহু ৰাজপত্ৰিত বিষয়াই বিয়াগোম দুৰ্নীতি সংঘটিত ১০ পৃষ্ঠাত

## হাতীগাঁও আৰক্ষীৰ বিৰুদ্ধে অভিযোগ!

ই-সংবাদ, ৩ এপ্ৰিলঃ গুৱাহাটীৰ হাতীগাঁও আৰক্ষী থানাৰ এজন বিষয়াই সাধাৰণ ৪ পৃষ্ঠাত

**উপাৰ্জন কম, সম্পত্তি অনেক**

## আইএএছ শেৱালীৰ বিৰুদ্ধে চাৰ্জশ্বিট দাখিল

ই-সংবাদ, ৩ এপ্ৰিলঃ ১০৫ কোটি টকাৰ এছচিইআৰটি কেলেংকাৰী সন্দৰ্ভত বিতং ১০ পৃষ্ঠাত



## একেলগে বাতিল ২৬হাজাৰ শিক্ষকৰ চাকৰি! সুদসহ বেতন ঘূৰাই দিব লাগিব অযোগ্য শিক্ষকে

নতুন দিল্লী, ৩ এপ্ৰিলঃ এছএছচি নিযুক্তিৰ দুৰ্নীতিৰ গোচৰত ২০১৬ চনৰ সমগ্ৰ পেনেল বাতিল ৩ পৃষ্ঠাত চাওক

## চীনৰ আগ্ৰাসন, ট্ৰাম্পৰ শুল্ক! কি কৰিছে মোদী চৰকাৰে? সদনত প্ৰশ্ন ৰাহুল গান্ধীৰ

নতুন দিল্লী, ৩ এপ্ৰিলঃ চীন সীমা বিবাদ আৰু আমেৰিকাৰ শুল্ক নীতিক লৈ কেন্দ্ৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিল লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধী। শেষাংশ ৯ পৃষ্ঠাত



**দিলোৱাৰক গ্ৰেপ্তাৰক লৈ মানৱাধিকাৰ আয়োগৰ গোচৰ**

## অসম আৰক্ষীৰ সঞ্চালক প্ৰধানলৈ জাৰি আয়োগৰ জাননী

ই-সংবাদ, ৩ এপ্ৰিলঃ জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰক লৈ বহু প্ৰশ্ন উত্থাপন হৈ অহাৰ সময়তে বিষয়টোক লৈ কঠোৰ হৈছে ৰাষ্ট্ৰীয় মানৱ শেষাংশ ৩ পৃষ্ঠাত

**২০ গৰাকী বিশিষ্ট ব্যক্তিৰ কৰ্মৰাজিলৈ স্বীকৃতি**

## কলাক্ষেত্ৰত প্ৰদান সৰ্বোচ্চ অসামৰিক সন্মান

ই-সংবাদ, ৩ এপ্ৰিলঃ আজি পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত বিশেষ অনুষ্ঠানত ৰাজ্য চৰকাৰে ৩ পৃষ্ঠাত



**লজ্জাজনক কাণ্ড!**

## গোপন কক্ষত মহিলাৰ সৈতে পাৰিষদ!

ই-সংবাদ, ৩ এপ্ৰিলঃ এটা ভিডিঅ'ত অসমৰ বিটিআৰৰ এজন জনপ্ৰতিনিধিক এটা কোঠাত ২ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গোপন কক্ষত মহিলাৰ সৈতে পাৰিষদ!

সন্দেহজনক মহিলাৰ সৈতে উদ্ধাৰ হোৱা বুলি কৰা দাবীয়ে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে বিটিআৰত। ৰহস্যজনক যুৱতীৰ সৈতে জনপ্ৰতিনিধিজন এটা কোঠাত উদ্ধাৰ হোৱা বুলি দাবী কৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৰ দল ইউপিপিএলৰ পাৰিষদ এমচিএলএ দিলীপ বড়ো বুলি দাবী কৰা হৈছে। এগৰাকী মহিলাৰ সৈতে সন্দেহজনক অৱস্থাত উদ্ধাৰ হোৱা বুলি দাবী কৰা হৈছে। এই ভিডিঅ' ভাইৰেল হোৱাত সমগ্ৰ বড়োভূমিত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৩৭ নং ধনশ্ৰী পৰিষদীয় সমষ্টিৰ পুৰণি গবৈবাৰীৰ এমচিএলএ তেওঁ। ৪০ নং ৰৌতা পৰিষদীয় সমষ্টিৰ বড়োবজাৰ অঞ্চলৰ বাসিন্দা দিলীপ বড়ো। কিন্তু বৰ্তমান স্থায়ীভাৱে বসবাস কৰে ওদালগুৰি জিলা সদৰত। বিভিন্ন মাধ্যমত হোটেলৰ কোঠাত অসংযত অৱস্থাত এগৰাকী যুৱতীৰ সৈতে হোটেলৰ বিছনাত হাতে-লোটে দিলীপ বড়োক উদ্ধাৰ কৰা বুলি দাবী কৰা হৈছে যদিও এই পৰ্যন্ত ঘটনাৰ প্ৰকৃত ৰহস্য পোহৰলৈ অহা নাই। কোন ঠাইৰ সেই দৃশ্য, কোনে অভিযান চলালে, মহিলাগৰাকী কোন সেই কথাক লৈ এতিয়ালৈ কোনো পক্ষই আনুষ্ঠানিক বিবৃতি জাৰি কৰা নাই। কিন্তু সন্দেহ কৰা মতে, দিলীপ বড়োৱে এখন দেশ ভ্ৰমণ কৰিবলৈ গৈছিল। সেই সময়ৰ এই ভিডিঅ' হ'ব পাৰে বুলি সন্দেহ কৰা হৈছে। অসম আৰক্ষীয়ে এই বিষয়ত কোনো প্ৰতিক্ৰিয়া দিয়া নাই। খোদা দিলীপ বড়োৱেও প্ৰতিক্ৰিয়া দিয়া নাই। কিন্তু ইউপিপিএল প্ৰধান প্ৰমোদ বড়োৱে এই বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সভ্য সমাজে এনে কাণ্ড মানি নলয় বুলি কোৱাৰ লগতে আলোচনামৰ্মে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৪ দিনৰ মূৰত ভৃগু ফুকনৰ ঘৰলৈ কেশৱ

আগভাগ লোৱা দলটো আজি শাসনত। দল গঠনৰ হোতাজন আজি এই পৃথিৱীত নাই। সমানে তেওঁৰ ধ্বংস হৈ গ'ল আপোন পৰিয়ালটো। দল গঠন কৰি দি যোৱা হোতাজনৰ একমাত্ৰ কন্যাগৰাকী এক অনাকাংক্ষিত ঘটনাত পতিত হৈ মৃত্যুমুখত পৰিল। নিদাৰুণ পৰিৱেশত দল গঠনৰ হোতাজনৰ পৰিয়ালটো ধ্বংস হ'ল যদিও বিগত ডেৰ দশক খবৰ ল'বলৈ আহৰি নাপালে দলটোৰ এতিয়াৰ মুৰব্বীসকলে। দলটোৰ প্ৰতিষ্ঠাপকজনৰ একমাত্ৰ কন্যাগৰাকী এক অনাকাংক্ষিত ঘটনাত পতিত হৈ মৃত্যু হোৱাৰ আজি প্ৰায় ৫ দিন পাৰ হৈ গ'ল যদিও পৰিয়ালটোৰ খবৰ লওঁতে দীৰ্ঘ সময় লাগিল দলটোৰ বৰ্তমানৰ সভাপতিজনৰ। অসম গণ পৰিষদ দলৰ কথা কৈ থকা হৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক, অসম আন্দোলনৰ অন্যতম হোতা, অসম চুক্তিৰ স্বাক্ষৰকাৰী, অগপৰ অন্যতম প্ৰতিষ্ঠাপক তথা জালুকবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক, প্ৰাক্তন গৃহমন্ত্ৰী প্ৰয়াত ভৃগু কুমাৰ ফুকন আছিল অগপ দলটোৰ অন্যতম প্ৰতিষ্ঠাপক। ২০০৬ চনৰ মাৰ্চ মাহত একমাত্ৰ কন্যা আৰু পত্নীক এৰি মৃত্যুক আঁকোৱালি লৈছিল ভৃগু কুমাৰ ফুকনে। মৃত্যুৰ পিছৰে পৰা ভৃগু কুমাৰ ফুকনৰ পৰিয়ালটো অকলশৰীয়া হৈ পৰে। জাতীয়তাবাদী পৰিয়ালটোৰ কন্যা উপাসা ফুকনে মাতৃৰ সৈতে অকলশৰীয়া জীৱনটোক সহিব নোৱাৰি ৩০ মাৰ্চত ঘৰৰ প্ৰথম মহলাৰ পৰি মৃত্যুক আঁকোৱালি লয়। মাতৃৰ আগত মৃত্যুৰ কথা কৈ থকাৰ বাবে উপাসা ফুকনে জঁপিয়াই আত্মহত্যা কৰা বুলি সন্দেহ কৰা হৈছে। কিন্তু এই ক্ষেত্ৰত আৰক্ষীয়ে আজিলৈ আনুষ্ঠানিক বিবৃতি জাৰি কৰা নাই। ভৃগু কুমাৰ ফুকনৰ কন্যা আছিল উচ্চ শিক্ষিত। কন্যাই উচ্চ শিক্ষা লাভ কৰি ঘৰলৈ আহে তাৰ পূৰ্বেই পিতৃক হেৰুৱায়। অসমলৈ উভতি আহি গুৱাহাটীৰ ঘৰখনত মাতৃৰ সৈতে থাকিবলৈ ধৰে। পিতৃৰ সমষ্টি জালুকবাৰীলৈ গৈ পিতৃৰ সৈতে দল কৰা লোকৰ খবৰ লয়। শ্বহীদ বেদী নিজ হাতেৰে চাফা কৰে। জালুকবাৰী সমষ্টিত সভাই-সমিতিয়ে উপস্থিত থাকে। ৰাজনীতিত সক্ৰিয় হ'বলৈ বাৰে বাৰে প্ৰয়াস কৰিছিল যদিও সক্ৰিয় হোৱাৰ সুবিধাকণ নাপালে। মৃত্যুৰ ১০ দিন পূৰ্বে ২০ মাৰ্চত পিতৃ ভৃগু কুমাৰ ফুকনৰ ১৮ সংখ্যক মৃত্যু বাৰ্ষিকীত জালুকবাৰী সমষ্টিলৈ গৈ পিতৃৰ বিষয়ে সুন্দৰ বক্তব্য দাঙি ধৰিছিল। অগপৰ নেতা-কৰ্মী ভৃগু কুমাৰ ফুকনৰ গুৱাহাটীৰ খাৰঘুলিলৈ নোযোৱা হ'ল। একালত দিনে-নিশাই যিখন ঘৰ মানুহেৰে ভৰি আছিল সেইখন ঘৰত নেতা-কৰ্মীৰ খোজ নপৰা হ'ল। অসমৰ ৰাজনীতি আৰু জাতীয়তাবাদৰ কেন্দ্ৰবিন্দু খাৰঘুলিৰ ঘৰটো ভৃগু কুমাৰ ফুকনৰ মৃত্যুৰ পিছতে জাতীয়তাবাদী নেতা আৰু ৰাজনীতিকৰ বাবে এলাগী হৈ পৰিল। অগপ দলৰ বৰ্তমানৰ নেতৃত্বই পৰিয়ালটোৰ কেতিয়াও এবাৰ খবৰ নল'লে। ভৃগু কুমাৰ ফুকনৰ মৃত্যুৰ পিছত কন্যা-পত্নীৰ খবৰ নাৰাখিলে দলটোৰ নেতৃত্বই। আনকি কন্যাগৰাকীয়ে ৩০ মাৰ্চত মৃত্যুক আঁকোৱালি লৈছিল। ৩০ মাৰ্চত কেৱল অগপ নেতা মনোজ শইকীয়া ঘৰখনলৈ গৈছিল। কন্যাক হেৰুওৱা মাতৃগৰাকীৰ খবৰ এটা ল'বলৈ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তই আহৰি নাপালে। এগৰাকী শীৰ্ষ নেতাও ঘৰলৈ নগ'ল। দ্বিতীয় দিনা, তৃতীয় দিনাও ভৃগু কন্যা উপাসাৰ মৃত্যুৰ খবৰ ল'বলৈ কোনো এজন নেতা নগ'ল। যেতিয়া বিষয়টোক লৈ সামাজিক মাধ্যমত তীব্ৰ সমালোচনা হয় তেতিয়া চাৰিদিনৰ মূৰকত আজি অগপ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ অকলশৰীয়া পত্নীৰ খবৰ লয়। দুয়োগৰাকী নেতাই ভৃগু কুমাৰ ফুকনৰ ঘৰলৈ গৈ সেই কথা সামাজিক মাধ্যমত ফটো শ্বেয়াৰ কৰি ৰাজহুৱা কৰি উপাসাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। ভৃগু কুমাৰ ফুকন আপোচ কৰা নেতা নাছিল। আঞ্চলিকতাবাদ আৰু জাতীয়তাবাদীৰ বাহিৰে কেতিয়াও অন্য চিন্তা কৰা নাছিল। যাৰ বাবে জীৱিত অৱস্থাত অগপ দলত কেইবাবাৰো এলাগী হৈছে। পৃথক দল গঠন কৰিবলগীয়া হৈছিল। কিন্তু সেইগৰাকী ভৃগু ফুকনৰ মৃত্যুৰ পিছত পৰিয়ালটোৰ খবৰ লৈ থাকিবলৈ আহৰি নাপালে অগপৰ দলৰ এতিয়াৰ নেতৃত্বই। অগপ দল নিজেই গঠন কৰি শক্তিশালী পৰ্যায়ত এৰি যোৱা ভৃগু কুমাৰ ফুকনে পৰিয়ালটোক সুখৰে জীয়াই থাকিব পৰাকৈ ব্যৱস্থা কৰি যাব নোৱাৰিলে। অসম আন্দোলনৰ এজন গুৰি ধৰোঁতা, দিল্লীত অসম চুক্তিৰ স্বাক্ষৰকাৰী ভৃগুৰ পৰিয়ালটো নিঃশেষ হৈ গ'ল। তাৰ বাবে কাৰো মনঃস্তাপ নাই। জাতিৰ বাবে বহু কৰিব যোৱা নেতাজনৰ পৰিয়ালটোৰ বাবে সঁচাকৈ কাৰোৰে একো কৰণীয় নাছিলনে? এই কথা ইতিহাসে উনুকিয়াই থাকিব। এই কথাকে চৰ্চা হ'বলৈ ধৰিছে সামাজিক মাধ্যমত।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# একেলগে বাতিল ২৬ হাজাৰ শিক্ষকৰ চাকৰি!

কৰিলে উচ্চতম ন্যায়ালয়ে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ নেতৃত্বৰ বিচাৰপীঠৰ ৰায়দানৰ পাছত বৃহস্পতিবাৰে ২৫,৭৫৩ জন শিক্ষক আৰু অশিক্ষক কৰ্মচাৰীয়ে চাকৰি হেৰুৱায়। আদালতে ৰায়দান কৰি কয়, "নিযুক্তি প্ৰক্ৰিয়াটো সম্পূৰ্ণ ত্ৰুটিপূৰ্ণ আছিল, য'ত বৃহৎ পৰিসৰৰ দুৰ্নীতি সংঘটিত হৈছিল।" যদিও এই ৰায়দানৰ ফলত যোগ্য আৰু অযোগ্য শ্ৰমিক চিনাক্তকৰণক লৈ চলি থকা দীঘলীয়া আইনী যুদ্ধৰ অন্ত পৰিছে, তথাপি ইয়াৰ ফলত নিবনুৱাসকলৰ মাজত ক্ষোভ আৰু হতাশাৰ সৃষ্টি হৈছে। ইতিমধ্যে কলকাতা ময়দানত আৰম্ভ হৈছে প্ৰতিবাদ। এছএছচি গোচৰত কলকাতা উচ্চ ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাইছিল ৰাজ্য চৰকাৰে। অৱশ্যে উচ্চতম ন্যায়ালয়ে কয় যে উচ্চ ন্যায়ালয়ৰ ৰায়দানত হস্তক্ষেপ কৰাৰ প্ৰয়োজন নাই। যিসকলে অনৈতিক চাকৰি লাভ কৰিছে, তেওঁলোকৰ চাকৰি যোৱাটোৱেই উচিত।" আদালতে আৰু কয়, "বিদ্যালয় সেৱা আয়োগে দাখিল কৰা অযোগ্য প্ৰাৰ্থীৰ তালিকাত ৫ হাজাৰৰো অধিক নাম আছিল। পিছত আন এখন তালিকা দাখিল কৰা হয়। অৱশ্যে দীৰ্ঘদিনীয়া তদন্তৰ পিছতো চাউলৰ পৰা সকলো শিলগুটি পৃথক কৰাটো সম্ভৱ নহ'ল। ফলত সমগ্ৰ পেনেল বাতিলৰ বাহিৰে আন কোনো বিকল্প নাছিল।" লক্ষণীয় যে আদালতে এই কথাও স্পষ্ট কৰি দিয়ে যে চাকৰি হেৰুৱালেও বিশেষভাৱে সক্ষম প্ৰাৰ্থীয়ে দৰমহা ঘূৰাই দিব নালাগিব আৰু পৰৱৰ্তী নিযুক্তি সম্পূৰ্ণ নোহোৱালৈকে দৰমহা লাভ কৰি থাকিব। তদুপৰি চাকৰি হেৰুওৱা যোগ্য প্ৰাৰ্থীৰ বয়সৰ সীমা বৃদ্ধি কৰা হৈছে, যাৰ ফলত তেওঁলোকে পুনৰ পৰীক্ষা দিব পাৰিব। পূৰ্বে চৰকাৰী চাকৰিত নিয়োজিত হোৱাসকলে তিনিমাহৰ ভিতৰত আবেদন কৰিলে পুৰণি চাকৰিলৈ ঘূৰি অহাৰ সুযোগ পাব। উল্লেখ্য যে ২০২৪ চনৰ ২২ এপ্ৰিলত কলকাতা উচ্চ ন্যায়ালয়ৰ বিভাগীয় বিচাৰপীঠে ২০১৬ চনৰ এছএছচি পেনেল বাতিল কৰি চিবিআই তদন্তৰ নিৰ্দেশ দিয়ে। এই ৰায়ৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে উচ্চতম ন্যায়ালয়ত গোচৰ ৰুজু কৰিছিল। আদালতত দীৰ্ঘদিনীয়া শুনানিৰ অন্তত বৃহস্পতিবাৰে চূড়ান্ত ৰায়দান কৰে মুখ্য ন্যায়াধীশে। অৱশ্যে উচ্চতম ন্যায়ালয়ে উল্লেখ কৰে যে এছএছচিৰ নিযুক্তি দুৰ্নীতিৰ গোচৰৰ তদন্ত পূৰ্বৰ দৰেই চলি থাকিব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কলাক্ষেত্ৰত প্ৰদান সৰ্বোচ্চ অসামৰিক সন্মান

প্ৰদান কৰি অহা ২০২৪ চনৰ সৰ্বোচ্চ অসামৰিক বঁটাসমূহ ৰাজ্যপালে লক্ষ্মণ প্ৰসাদ আচাৰ্যই প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাজ্যিক সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান কৰা হয়। সন্মান প্ৰদান অনুষ্ঠানত সংগীতৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। নন্দী ভগ্নীদ্বয়ে সংগীতৰ অনুষ্ঠান পৰিৱেশন কৰে। এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অসম বৈভৱ, অসম সৌৰভ, অসম গৌৰৱ সন্মান ২০ গৰাকী বিশিষ্ট নাগৰিক আৰু তিনিটা সংস্থাই গ্ৰহণ কৰে। ভাৰতীয় সেনাৰ অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাক ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ প্ৰদান কৰা হয়। ভাৰতীয় সেনাত এনে উচ্চ পদত অধিষ্ঠিত হোৱা প্ৰথমগৰাকী অসমীয়া ৰাণা প্ৰতাপ কলিতা। দেশৰ বাবে দীৰ্ঘ সময় সেৱা আগবঢ়োৱাৰ বাবে ৰাণা প্ৰতাপ কলিতাক এই সন্মান প্ৰদান কৰা হয়। অসম সৌৰভ সন্মান সুব্ৰমনিয়ম ৰামাদোৰাই, ড০ বাপ্পী পাল, ড০ পূৰৱী শইকীয়া, দ্বীপেন বৰুৱা, হেমন্ত দত্ত আৰু উমা ছেত্ৰীক প্ৰদান কৰা হয়। মুঠ ৬ গৰাকী বিশিষ্ট ব্যক্তিক এই প্ৰদান কৰা হয়। আটাইকেইজন ব্যক্তিয়ে সোঁশৰীৰে উপস্থিত থাকি নিজ হাতেৰে সন্মান গ্ৰহণ কৰে। আনহাতে অসম গৌৰৱ গ্ৰহণ কৰে ডেভিদ প্ৰতিম গগৈ, চৌৱান আহেম, ফুলেশ্বৰী দত্ত, মীনাক্ষী দাস, পাৰ্থিব সুন্দৰ গগৈ, ধীৰেন্দ্ৰ নাথ পাল, হৰিদাস দাস, বিনং টেৰণ, নজৰুল হক, বিশ্বজিৎ বৰা, ভাৰত চন্দ্ৰ কলিতা, বাৰলাংফা নাৰ্জাৰী, ৰামচন্দ্ৰ চাচনী, উপমন্যু বৰকাকতি, বাৰেকুৰি গাঁও আৰু হাতীবন্ধু স্বেচ্ছাসেৱী সংস্থাই। ৰাজ্য চৰকাৰে বিভিন্ন শিতানত প্ৰদান কৰা এই বঁটাসমূহ প্ৰদান অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে অসমৰ মাটিৰ সুবাসেৰে জিলিকি থকা এইসকল মহান অসমীয়াক সন্মান জনাবলৈ পায় আমি অত্যন্ত গৰ্বিত। সকলোৰে জীৱনৰ সম্পূৰ্ণ সফলতাৰ বাবে অফুৰন্ত শুভ কামনা জনালো। ৰাজ্য চৰকাৰে প্ৰতিবছৰে এই বঁটা প্ৰদান কৰি আহিছে। ৰাজ্যৰ লগতে দেশৰ বাবে আগবঢ়োৱা বৰ্ণিল সেৱাৰ বাবে চৰকাৰে এই বঁটাসমূহ প্ৰদান কৰে। শিক্ষা, বিজ্ঞান, প্ৰযুক্তি, কলা-সংস্কৃতি, ক্ৰীড়া, হস্তশিল্প, সমাজসেৱা, কৃষি, উদ্যমিতা, পৰ্যটন, বন্যপ্ৰাণী সংৰক্ষণ আদিৰ বাবে কৰা কামৰ স্বীকৃতি প্ৰদান কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানলৈ জাৰি

অধিকাৰ আয়োগ। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে নিজাববীয়া লোৱা গোচৰত অসম আৰক্ষীক জাননী জাৰি কৰিছে। আয়োগে এই সন্দৰ্ভত জাৰি কৰা এক প্ৰেছ বিবৃতিত কয় যে ২৫ মাৰ্চত গুৱাহাটীত ডিজিটেল নিউজ প'ৰ্টেলৰ সাংবাদিকক পাণবজাৰ আৰক্ষীয়ে অসম কো-অপাৰেটিভ এপেক্স বেংক লিমিটেডৰ সন্মুখত ধৰ্ণাৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱাৰ সময়ত আৰক্ষীয়ে আটক কৰি ৰখা আৰু পিছত গ্ৰেপ্তাৰ কৰাৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ হৈছিল। তাক লৈ মানৱ অধিকাৰ আয়োগে চিন্তা ব্যক্ত কৰিছে। দিলোৱাৰ হুছেইনক পাণবজাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ ক্ষেত্ৰত মানৱ অধিকাৰ ভংগৰ অভিযোগক গুৰুত্ব দি আয়োগে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানলৈ এক জাননী জাৰি কৰি চাৰি সপ্তাহৰ ভিতৰত সবিশেষ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। বেংকটোৰ পৰিচালন সঞ্চালকৰ বিৰুদ্ধে উত্থাপিত অভিযোগক লৈ এটা সংগঠনে প্ৰতিবাদৰ সময়ত সাংবাদিকগৰাকীয়ে আৰ্থিক অনিয়ম সন্দৰ্ভত প্ৰশ্ন কৰিছিল বেংকটোৰ পৰিচালন সঞ্চালকক। কিন্তু তেওঁক আটক কৰা সন্দৰ্ভত কোনো কাৰণ উল্লেখ কৰা নাছিল। আয়োগে কয় যে এই বাতৰি যদি সঁচা হয় তেন্তে সাংবাদিকগৰাকীৰ মানৱ অধিকাৰ উলংঘন হৈছে। অসম চৰকাৰৰ আৰক্ষী সঞ্চালকপ্ৰধানলৈ জাননী জাৰি কৰি চাৰি সপ্তাহৰ ভিতৰত বিষয়টোৰ সবিশেষ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰ সন্দৰ্ভত নিজাববীয়াকৈ বিবেচনা কৰি আৰক্ষীৰ পৰা উত্তৰ বিচাৰিছে। সাংবাদিকজনক অসম সমবায় এপেক্স বেংক লিমিটেডৰ সন্মুখত ধৰ্ণা ক'ভাৰ কৰাৰ পিছত আটক কৰা হৈছিল। তেওঁ বেংকৰ পৰিচালনা সঞ্চালকক বিত্তীয় অনিয়মৰ অভিযোগত প্ৰশ্ন কৰিছিল। অৱশ্যে তেওঁক আটক কৰাৰ কোনো কাৰণ উল্লেখ কৰা হোৱা নাছিল। আয়োগে লক্ষ্য কৰিছে যে ঘটনাটো সঁচা হ'লে সাংবাদিকজনৰ মানৱ অধিকাৰ উলংঘনৰ বিষয়ে উদ্বেগ প্ৰকাশ কৰিছে। উল্লেখ্য যে শনিবাৰে মুকলি আকাশৰ তললৈ ওলাই আহিছিল দিলোৱাৰ। ২৫ মাৰ্চত এপেক্স বেংকত সংঘটিত প্ৰায় ২৮ কোটি টকীয়া কেলেংকাৰীৰ বিৰুদ্ধে পাণবজাৰ কাৰ্যালয়ৰ সন্মুখত অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠনে কৰা প্ৰতিবাদৰ বাতৰি সংগ্ৰহৰ সময়তে পাণবজাৰ আৰক্ষীক থানালৈ মাতি নি প্ৰায় ৯ ঘণ্টা বহুৱাই ৰাখি নিশা গ্ৰেপ্তাৰ কৰিছিল সাংবাদিক দিলোৱাৰ হুছেইনক মজুমদাৰক। ২৬ মাৰ্চত দিলোৱাৰ হুছেইন মজুমদাৰক জামিন প্ৰদান কৰা হৈছিল যদিও ২৭ মাৰ্চত গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত পুনৰ গ্ৰেপ্তাৰ কৰে পাণবজাৰ আৰক্ষীয়ে। এইবাৰ গ্ৰেপ্তাৰ কৰা হয় বেংকটোৰ পৰিচালনা সঞ্চালক ডম্বৰু শইকীয়াৰ এজাহাৰৰ ভিত্তিত। এজাহাৰত চুৰিৰ অভিযোগ আনে। ২৭ মাৰ্চত কাৰাগাৰৰ ভিতৰতে পুনৰ গ্ৰেপ্তাৰ কৰাৰ পিছত নিশা পাণবজাৰ আৰক্ষীয়ে সাংবাদিকজনক লগত লৈ কেইবাঠাইত অভিযান চলায়। পুৱতি নিশা দিলোৱাৰ হুছেইনৰ মজুমদাৰৰ ঘোঁৱামৰাৰ প্ৰাগজ্যোতিষ হাউছিঙৰ ঘৰ, ডবকাৰ পৈতৃক ঘৰ আৰু গণেশগুৰিৰ ব্যৱসায় প্ৰতিষ্ঠানত অভিযান চলায়। আনহাতে সাংবাদিকজনৰ দুখন ডাম্পাৰো আৰক্ষীয়ে জব্দ কৰিছিল। ইতিমধ্যে সাংবাদিকজনক গ্ৰেপ্তাৰক লৈ সাংবাদিক মাজে ৰাজপথলৈ ওলাই আহি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি ঘটনাৰ তদন্ত কৰি সাংবাদিক গ্ৰেপ্তাৰক গৰিহনা দিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মাজনিশা লোকসভাত গৃহীত ৱাকফ সংশোধনী

বিধেয়ক! বুধবাৰে মাজনিশা সংসদৰ নিম্ন সদনত উত্তপ্ত আলোচনাৰ অন্তত ২৮৮ জন সাংসদে বিধেয়কখনৰ সপক্ষে ভোটদান কৰে। আনহাতে বিধেয়কখনৰ বিৰুদ্ধে ভোটদান কৰে ২৩২ জন সাংসদে। এই ভোটদানৰ অন্তত নিশা ৫৬ টা ভোটৰ ব্যৱধানত লোকসভাত গৃহীত হয় সংশোধনী বিধেয়কখন। ইয়াৰ পিছতে বৃহস্পতিবাৰে ৰাজ্যসভাত উত্থাপন কৰা হয় ৱাকফ সংশোধনী বিধেয়ক। লোকসভাৰ দৰেই উচ্চ সদনতো বিৰোধীৰ তীব্ৰ আক্ৰমণ আৰু চৰকাৰৰ তীব্ৰ প্ৰতিক্ৰিয়াই সদনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। বুধবাৰে বিধেয়কখন লোকসভাত উত্থাপনৰ পূৰ্বে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এক চমু ভাষণত চৰকাৰৰ স্থিতি স্পষ্ট কৰে। তাৰ পিছতে কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে ‘ৱাকফ (সংশোধনী) বিধেয়ক, ২০২৫’ দাখিল কৰে। অৱশ্যে তৃণমূলৰ সাংসদ সৌগত ৰায়ে বিধেয়কখন উত্থাপন কৰাৰ পদ্ধতিক লৈ তীব্ৰ আপত্তি দৰ্শায়। যুটীয়া সংসদীয় সমিতিত বিৰোধী সাংসদসকলে দাখিল কৰা মতবিৰোধক সম্পূৰ্ণৰূপে আওকাণ কৰা বুলি অভিযোগ উত্থাপন কৰে। ইয়াৰ প্ৰত্যুত্তৰত বিৰোধীয়ে বিধেয়কখন সন্দৰ্ভত ভুল তথ্য আৰু উৰাবাতৰি বিয়পাইছে বুলি দাবী কৰে ৰিজিজুৱে। তেওঁ প্ৰশ্ন কৰে যে ইতিবাচক সংস্কাৰ অনাৰ ইমান বিৰোধিতা কিয়? জেপিচিৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি তেওঁ কয়, "২৮৪ টা প্ৰতিনিধি দল, ২৫ খন ৰাজ্য, কেন্দ্ৰীয়শাসিত অঞ্চল আৰু ৱাকফ ব'ৰ্ডে জেপিচিৰ ওচৰত নিজৰ মতামত দাখিল কৰিছে। সকলোকে ধন্যবাদ।" একে সময়তে পূৰ্বৰ ইউপিএ চৰকাৰৰ ওপৰতো আক্ৰমণ চলায় ৰিজিজুৱে। তেওঁ কয়, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদ ভৱন ৱাকফে অধিগ্ৰহণ কৰাত বাধা দিছে। ইউপিএ চৰকাৰে সংসদ আৰু বিমানবন্দৰৰ মাটি ৱাকফক দিছিল।" তেওঁ দাবী কৰে যে এই বিধেয়কখনে মুছলমানসকলৰ ধৰ্মীয় বিশ্বাসত কোনো ধৰণৰ হস্তক্ষেপ নকৰে। লক্ষ্য কেৱল ৱাকফৰ সম্পত্তিৰ সঠিক ব্যৱস্থাপনা আৰু পিছপৰা মুছলমানসকলৰ কল্যাণ। তেওঁ কয়, "দেশত ৱাকফৰ সম্পত্তি ৪.৯ লাখৰ পৰা ৮.৭২ লাখলৈ বৃদ্ধি পাইছে। সঠিকভাৱে পৰিচালিত হ'লে ই কেৱল মুছলমানৰ নহয়, সমগ্ৰ দেশৰ ভাগ্য সলনি হ'লহেঁতেন।" কিন্তু কেন্দ্ৰৰ এই যুক্তিৰ বিৰোধিতা কৰে বিৰোধী শিবিৰে। সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে কয় যে মোদী চৰকাৰে মেৰুকৰণৰ বাবে এই বিধেয়কখন আনিছে। তেওঁ কটাক্ষ কৰি কয়, "বিজেপিৰ মুখ্যমন্ত্ৰীসকলে আগতে ঈদত গৈছিল, হঠাতে কি হ'ল? সংবিধানে এই কথা শিকায় নেকি?" বিমুদ্ৰাকৰণৰ উদাহৰণ দি তেওঁ কয় যে বিজেপিয়ে নিজৰ ব্যৰ্থতা ঢাকিবলৈ এই বিধেয়কখন আনিছে। অসম কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়েও এই বিধেয়কখনৰ বিৰুদ্ধে মেৰুকৰণৰ অভিযোগ উত্থাপন কৰি কয় যে এই বিধেয়কখনে সংবিধানক অৱজ্ঞা কৰিছে, সংখ্যালঘুক অপমান কৰিছে আৰু সমাজখনক বিভাজিত কৰিছে। ৰিজিজুক লক্ষ্য কৰি তেওঁ কয় যে সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে সংসদক বিপথে পৰিচালিত কৰিছে। তৃণমূলৰ সাংসদ কল্যাণ বেনাৰ্জীয়ে বিধেয়কখনক ‘অসাংবিধানিক’ বুলি আক্ৰমণ কৰে। তেওঁ কয়, "এই বিধেয়কখনে মুছলমানৰ অধিকাৰ কাঢ়ি লৈছে। ইয়াৰ আঁৰত কেন্দ্ৰৰ গোপন উদ্দেশ্য আছে।" তেওঁ দাবী কৰে যে "এয়া ৱাকফৰ সম্পত্তি জব্দ কৰাৰ প্ৰয়াস। লক্ষ্য হৈছে সম্প্ৰদায়টোক বিভাজিত কৰা।" তেওঁ জোৰ দি কয়, “ৱাকফৰ সম্পত্তি মুছলমানৰ মেৰুদণ্ড।” লক্ষণীয়ভাৱে নিম্ন সদনত এই বিধেয়ক গৃহীত হোৱাত মোদী চৰকাৰক সকাহ দিয়ে তিনিওটা মিত্ৰ দলে। লোক জনশক্তি পাৰ্টিৰ চিৰাগ পাছৱান, জেডিইউৰ লল্লন সিং আৰু টিডিপিৰ কৃষ্ণ প্ৰসাদ টেনেটিয়ে বিধেয়কখনৰ সপক্ষে ভোট দিয়ে। লল্লনে কয়, "ইয়াৰ দ্বাৰা পিছপৰা মুছলমানসকলৰ লাভ হ'ব। বিৰোধীয়ে তেওঁলোকৰ সবলীকৰণৰ বিৰোধী নেকি?"। ১৯৯৫ চনৰ ৱাকফ আইনখনৰ ওপৰতো প্ৰশ্ন উত্থাপন কৰি তেওঁ কয়, "কি আইন আছিল যিয়ে ৱাকফক যিকোনো মাটি দাবী কৰিবলৈ অনুমতি দিছিল?" ইয়াৰ বিপৰীতে সংসদত এই বিধেয়কৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে থিয় হোৱা দেখা গ'ল বিৰোধী মিত্ৰজোঁট 'ইণ্ডিয়া'ৰ সাংসদসকলক।কংগ্ৰেছৰ লগতে তৃণমূল, এছপি, এনচিপি (শৰদ), ডিএমকে, আৰজেডি, উদ্ধৱ থাকৰেৰ শিৱসেনা (ইউবিটি)ও বিৰোধী দলত যোগদান কৰে। শিৱসেনাৰ অৰবিন্দ সাৱন্তই কয় চৰকাৰে অহিন্দুক মন্দিৰত প্ৰৱেশ কৰিবলৈ অনুমতি দিবনে? তেনেহ'লে অমুছলমানক ৱাকফত কিয়?" আজাদ সমাজ পাৰ্টিৰ চন্দ্ৰশেখৰ আজাদেও সামাজিক বিভাজনৰ বিষয়টো উত্থাপন কৰে। বিৰোধীক লক্ষ্য কৰি অমিত শ্বাহে কয়, "অন্যৰ মাটি দান কৰিব নোৱাৰি।" তেওঁ তালিকাখন দেখুৱাই কয়, "মন্দিৰ, অন্যান্য ধৰ্মীয় স্থান, চৰকাৰী মাটি ৱাকফক দিয়া হৈছে।" তেওঁ স্পষ্ট কৰি দিয়ে যে "ৱাকফ ব'ৰ্ডত কোনো অমুছলমান নাথাকিব। এইটো এটা প্ৰশাসনিক কাম, ধৰ্মীয় কাম নহয়।" বিজেপিৰ সাংসদ অভিজিৎ গংগোপাধ্যায় আৰু তেজস্বী সূৰ্যই বিধেয়কখনৰ প্ৰতি তীব্ৰ সমৰ্থন প্ৰকাশ কৰে। অভিজিতে কয়, "১৯৯৫ চনৰ আইন অনুসৰি বিধৱা আৰু অনাথ শিশুৰ বাবে ধন খৰচ কৰিব লাগিব নেকি?" তেজস্বীয়ে কয় যে ২০১৩ চনত কংগ্ৰেছে এটা দানৱৰ সৃষ্টি কৰিছিল। ৱাকফ ব'ৰ্ডে যিকোনো মাটি জব্দ কৰিব পাৰিলেহেঁতেন এআইএমআইএমৰ আছাদুদ্দিন ওৱেইচীয়ে ইয়াৰ উত্তৰত কয়, "২০১৩ চনত আদৱানী, সুষমা, ৰাজনাথে বিধেয়কখন গৃহীত কৰিবলৈ অনুমতি দিছিল। তেওঁলোকৰ ভুল আছিল নেকি?" তেওঁ অভিযোগ কৰে যে "মোদী চৰকাৰে মুছলমানক দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে গঢ়ি তুলিব বিচাৰিছে।" আনহাতে এই বিধেয়কখনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ হুংকাৰ দিছে তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে। তেওঁ কয়, "এয়া সংবিধানৰ ওপৰত আক্ৰমণ। ই সম্প্ৰীতি ধ্বংস কৰিছে।" তেওঁ কয় যে তেওঁৰ দলে আদালতত যুঁজ দিব। কিন্তু বিৰোধীৰ তীব্ৰ প্ৰতিবাদৰ মাজতো লোকসভাত গৃহীত হোৱাৰ পিছত বৃহস্পতিবাৰে ৰাজ্যসভাত এই বিধেয়ক উত্থাপন কৰে কিৰেন ৰিজিজুৱে। তেওঁ দাবী কৰে, "ইয়াৰ ফলত ৱাকফৰ ৰাজহ বৃদ্ধি পাব। ২০০৬ চনত ৪.৯ লাখ সম্পত্তিৰ পৰা আয় ১২ হাজাৰ কোটি টকা হ'ব লাগিছিল, যিটো হৈছে ১৬৩ কোটি টকা। ২০১৩ চনত ৮.৭২ লাখ সম্পত্তিৰ পৰা আয় আছিল ১৬৬ কোটি টকা। এই বিলখনে সেইটো সলনি কৰিব।" মন কৰিবলগীয়া যে সংখ্যাৰ ফালৰ পৰা ৰাজ্যসভা এনডিএৰ পক্ষত। মুঠ ২৪৫ খন আসনবিশিষ্ট ৰাজ্যসভাত বিধেয়খন গৃহীত হ'বলৈ যাদুকৰী সংখ্যা হৈছে ১১৯। ৰাজ্যসভাত বিজেপিৰ ৯৮ জনসহ এনডিএৰ মুঠ সাংসদৰ সংখ্যা হৈছে ১২৫ জন। ইয়াৰ বিপৰীতে বিৰোধীৰ সাংসদ আছে ৮৮ জন। ৰাজ্যসভাত বিজেডিয়ে ৱাকফ সংশোধনী বিধেয়কৰ বিৰোধিতা কৰিলেও আন এনডিএৰ পক্ষত থিয় দিব সৰু সৰু দলবোৰে। ফলত বিধেয়কখনৰ পক্ষত কোনো ডাঙৰ বাধা নাই বুলি ইতিমধ্যে স্পষ্ট হৈছে। প্ৰণিধানযোগ্য যে লোকসভাত ৱাকফ বিলক লৈ বিৰোধী মিত্ৰজোঁটৰ বিৰোধিতাৰ মাজতো আশ্চৰ্যজনকভাৱে মৌন হৈ থাকিল বিৰোধী দলৰ দলপতি ৰাহুল গান্ধী। যদিও তেওঁ বিধেয়কখন উত্থাপন কৰাৰ সময়ত সদনত উপস্থিত আছিল, কিন্তু মত প্ৰকাশৰ পৰা বিৰত থকা দেখা গ'ল। একে সময়তে সংসদত অনুপস্থিত আছিল সাংসদ প্ৰিয়ংকা গান্ধীও। কংগ্ৰেছৰ সূত্ৰ অনুসৰি গৌৰৱ গগৈক এই দায়িত্ব দিয়া হৈছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হাতীগাঁও আৰক্ষীৰ বিৰুদ্ধে অভিযোগ!

লোকক প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হোৱাত হাতীগাঁও এলেকাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আমিনুল খান নামৰ এজন যুৱকে তেওঁক প্ৰহাৰ কৰা বুলি অভিযোগ উত্থাপন কৰিছে। হাতীগাঁও আৰক্ষী থানাৰ উপ-পৰিদৰ্শক জুৱেল দাসৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। উপ-পৰিদৰ্শক জুৱেল দাসে হাতীগাঁও আৰক্ষী থানাৰ ভিতৰত শাৰীৰিক নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন কৰিছে। আমিনুলে এটা গোচৰৰ বিষয়ে সোধা-পোছা কৰিবলৈ আৰক্ষী চকীলৈ গৈছিল। সেই সময়তে তেওঁক প্ৰহাৰ কৰা হৈছিল বুলি কয়। জানিব পৰা মতে, ঈদৰ দিনা সংঘটিত হৈছিল এই ঘটনা। আমিনুলৰ ভতিজাক তিনিদিন ধৰি সন্ধানহীন হৈ আছে। নিৰুদ্দেশ সন্দৰ্ভত হাতীগাঁও আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। এজাহাৰত এগৰাকী যুৱতীৰ কথাও উল্লেখ কৰা হৈছিল।আৰক্ষীয়ে সঠিক তদন্ত কৰাত ব্যৰ্থ হোৱাৰ অভিযোগ হোৱাত আমিনুলে গোচৰৰ বিষয়ে জানিবলৈ আৰক্ষী থানালৈ গৈছিল। সেই সময়ত জুৱেল দাসে প্ৰহাৰ কৰিছিল বুলি অভিযোগ উঠিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বৈঠকলৈ মাতি নি জনগোষ্ঠীয় নেতৃত্বক তীব্ৰ

কালতে জিলা আয়ুক্তই সংগঠনৰ নেতৃত্বক তীব্ৰ ভাবুকি প্ৰদান কৰাৰ এটা ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈছে। ষট পূজা অনুষ্ঠিত কৰাক লৈ তিনিচুকীয়াত দুদিন ধৰি থলুৱা আৰু বিহাৰী সম্প্ৰদায়ৰ মাজত তীব্ৰ সংঘাত অব্যাহত থকাৰ সময়তে আজি জিলা আয়ুক্তই জাতীয় আৰু জনগোষ্ঠীয় সংগঠনক আলোচনাৰ বাবে মাতি নি মই যিকোনো পৰ্যায়লৈ যাব পাৰো বুলি ধমকি দিয়া বুলি অভিযোগ উঠিছে। সেই আলোচনা সভাত উপস্থিত থাকে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা উমানন্দ মৰাণে সামাজিক মাধ্যমত শ্বেয়াৰ কৰা এটা ভিডিঅ'ত জিলা আয়ুক্তগৰাকীয়ে সংগঠনৰ প্ৰতিনিধিক মুকলি ভাবুকি দিয়া পৰিলক্ষিত হয়। জিলা আয়ুক্তই ভাবুকি দিয়াৰ ভিডিঅ' ইতিমধ্যে সামাজিক মাধ্যমত ভাইৰেল হৈছে। জিলা আয়ুক্তৰ সন্মুখত আন্দোলনৰ কথা কোৱাত জিলা আয়ুক্তই কয় যে আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে মই যিকিনো ব্যৱস্থা লম। আইন-শৃংখলা মুখ্য বিষয়। আইন-শৃংখলা যদি কোনোবাই বেয়া কৰিছে মোতকৈ বেয়া আৰু কোনো নহ'ব। মোক কি কৰিব। সৰ্বাধিক মোক বদলি কৰিব পাৰিব। বেলেগ আৰু কি কৰিব আপোনালোকে। আইন-শৃংখলাৰ স্বাৰ্থত মই যিমান দূৰ যাব লাগে মই যাম। গুণ্ডাগৰ্দী, হুলস্থুল ইয়াত নচলিব। এয়া গ্ৰহণ কৰিব পৰা বিধৰ নহয় বুলিও কয় জিলা আয়ুক্তই। ফলত পুনৰ উত্তেজনাই বিৰাজ কৰিছে তিনিচুতীয়া জিলাত। উল্লেখ্য যে তিনিচুকীয়াত জিলাখনৰ থলগিৰি অস্তিত্বৰ সংকটত পৰা বুলি অভিযোগৰ মাজতে বিহাৰ দিৱস অনুষ্ঠিত কৰাক লৈ তীব্ৰ প্ৰতিবাদৰ মাজতে এইবাৰ ষট পূজাত লৈ উত্তপ্ত হৈছে তিনিচুকীয়া জিলা। বিগত কিছুদিন ধৰি উত্তপ্ত হৈ আছে সমগ্ৰ তিনিচুকীয়া জিলা। তিনিচুকীয়া জিলাত বিজেপিয়ে বিহাৰ দিৱস পালন যো-জা চলোৱাৰ বিৰুদ্ধে থিয় দিছিল থলগিৰী। ২২ মাৰ্চত বিজেপি দলে তিনিচুকীয়াত বিহাৰ দিৱস অনুষ্ঠিত কৰিব খোজাত গৰজি উঠিছিল জাতীয় সংগঠন। তাৰ পিছতে বিজেপিয়ে বিহাৰ দিৱস বাতিল কৰিছিল। এইবাৰ জিলাখনৰ ঐতিহাসিক এলেকাত ষট পূজা পালনৰ অনুমতি দিছে প্ৰশাসনে। ফলত পুনৰ উত্তপ্ত হৈ পৰিছে সমগ্ৰ তিনিচুকীয়া জিলা। তিনিচুকীয়া জিলা হৈছে ঐতিহাসিক বেংমৰা ৰাজ্যৰ ৰাজধানী। সেই ৰাজধানীৰ ঐতিহ্যবৰণ কৰি থকা ঐতিহাসিক ন-পুখুৰীত ষট পূজা পালন কৰিবলৈ প্ৰশাসনে অনুমতি প্ৰদান কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ফলত মৰাণ, মটক জনগোষ্ঠীৰ সংগঠনৰ লগতে তীব্ৰ প্ৰতিবাদ কৰাত প্ৰশাসনে ষট পূজাৰ অনুমতি বাতিল কৰিছিল যদিও হঠাতে ২ মাৰ্চত পুনৰ ন-পুখুৰীত ষট পূজা পালনৰ অনুমতি লাভ কৰে। তাৰ পিছতে ২ মাৰ্চৰ নিশা বিহাৰী সম্প্ৰদায়ৰ লোকে পথ অৱৰোধ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। বিভিন্ন শ্ল'গান দি পৰিস্থিতি উত্তপ্ত কৰে বিহাৰী সম্প্ৰদায়ৰ লোকে ফলত ২ মাৰ্চৰ নিশাৰে পৰা উত্তেজনাই বিৰাজ কৰে সমগ্ৰ তিনিচুকীয়া জিলাত। নিশাৰে পৰা আইন-শৃংখলা পৰিস্থিতি সৃষ্টি হোৱাৰ আশংকাত সমগ্ৰ জিলাখনত মোতায়েন কৰা হয় আৰক্ষী আৰু অৰ্থসামৰিক বাহিনী। আজি পুৱাই শ-শ থলুৱা ৰাজপথলৈ ওলাই আহে। বিহাৰী পক্ষও ৰাজপথলৈ ওলাই আহে। সংঘাতময় পৰিস্থিতিৰ ৰূপ লোৱাত প্ৰশাসন সষ্টম হয়। আজি পুৱাৰ ভাগতে তিনিচুকীয়াৰ ৰাজপথত কেইবাশতাধিক খিলঞ্জীয়া একত্ৰিত হয়। আনটো দিশে বিহাৰী সম্প্ৰদায়ৰ লোক একত্ৰিত হয়। আইন-শৃংখলাৰ অৱনতিৰ আশংকা কৰি আৰক্ষীয়ে কটকটীয়া ব্যৱস্থা কৰে। থলুৱা লোকসকলে আৰক্ষীৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি কয় যে আপোনালোকে কেৱল আমাকে হস্তক্ষেপ কৰি থাকে। যদি তেনে হৈ থাকে তেন্তে তিনিচুকীয়াত এটাও বিহাৰী থাকিবলৈ দিয়া নহয় বুলি হুংকাৰ দিয়ে। বিহাৰীৰ দপদপনি একেবাৰে বন্ধ হ'ব লাগিব। আমি দীৰ্ঘদিনলৈ সহ্য কৰি নাথাকো। চিধাচিধি কথা। বিহাৰীয়ে বাৰে বাৰে আমাৰ সংস্কৃতিৰ ওপৰত আক্ৰমণ কৰিছে। এইবাৰ কোনে ষট পূজা পতা আমি চাও লওঁ। এইবাৰ পাতি চা। আমি বহুত সহ্য কৰিলো। তিনিচুকীয়া জিলাখন মটকৰ ৰাজ্য আছিল। বিহাৰী সম্প্ৰদায়ক উদ্দেশ্যে ৰাজপথতে থলুৱাই কয় যে আপোনালোকক বহুত মৰম কৰিলো। আৰু নহ'ব। তাৰ পিছতে বেছি উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। তিনিচুকীয়া চহৰত উত্তেজনাই বিৰাজ কৰে। ফলত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ এটা দল মোতায়েন কৰা হয়। সেই সময়তে দুপৰীয়া আৰু আধিক থলুৱা জনগণ ৰাজপথলৈ ওলাই আহে। সেই সময়তে একাংশ লোকে ন-পুখুৰীত সমৱেত হয় আৰু ষট পূজাৰ বাবে পতা পেণ্ডেল ভাঙি পেলায়। কেইবাশ লোকে কোনো কাৰণতে ষট পূজা পালন কৰিবলৈ নিদিয়াৰ হুংকাৰ দিয়াৰ পৰিস্থিতি ভয়াৱহ হোৱাৰ আশংকা কৰা হয়। সেই সময়তে দল-সংগঠনৰ নেতৃত্বক আলোচনাৰ বাবে আমন্ত্ৰণ জনায় জিলা আয়ুক্তই। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কেইবাটাও সংগঠনৰ নেতৃত্বৰ উপস্থিতিত জিলা আয়ুক্তৰে আলোচনা হৈ থকা কালতে জিলা আয়ুক্তই সংগঠনৰ নেতৃত্বক তীব্ৰ ভাবুকি প্ৰদান কৰে। জিলা আয়ুক্তই ভাবুকি দিয়াৰ ভিডিঅ' ইতিমধ্যে সামাজিক মাধ্যমত ভাইৰেল হৈছে। জিলা আয়ুক্তৰ সন্মুখত আন্দোলনৰ কথা কোৱাত জিলা আয়ুক্তই কয় যে আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে মই যিকোনো ব্যৱস্থা ল'ম। আইন-শৃংখলা মুখ্য বিষয়। আইন-শৃংখলা যদি কোনোবাই বেয়া কৰিছে মোতকৈ বেয়া আৰু কোনো নহ'ব। মোক কি কৰিব। সৰ্বাধিক মোক বদলি কৰিব পাৰিব। বেলেগ আৰু কি কৰিব আপোনালোকে। আইন-শৃংখলাৰ স্বাৰ্থত মই যিমান দূৰ যাব লাগে মই যাম। গুণ্ডাগৰ্দী, হুলস্থুল ইয়াত নচলিব। ইয়াক গ্ৰহণ কৰিব পৰা বিধৰ নহয়। উত্তেজনামূলক পৰিস্থিতিৰ মাজতে তিনিচুকীয়া জিলাৰ জাতীয়-জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বৰে জিলা আয়ুক্তই কিছু সহমতত উপনীত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত এতিয়াৰ পৰা ঐতিহাসিক ন-পুখুৰী এলেকাত কেৱল মৰাণ আৰু মটক জনগোষ্ঠীয়ে যিকোনো অনুষ্ঠান অনুষ্ঠিত কৰাৰ অনুমতি লাভ কৰাৰ সিদ্ধান্ত হয়। মটক আৰু মৰাণ জনগোষ্ঠীৰ বাবে ঐতিহাসিক এলেকা সংৰক্ষিত হৈ থাকিব। দল-সংগঠনৰ প্ৰস্তাৱমৰ্মে ঐতিহাসিক সমলৰ অধীনত পুখুৰীটো সংৰক্ষিত কৰাৰ বিবেচনা কৰিবলৈ মুখ্য সচিবলৈ পত্ৰ প্ৰেৰণ কৰে জিলা আয়ুক্তই। এই সিদ্ধান্তৰ পিছতে জিলাখনত উত্তেজনা কমিব নে নাই সেয়া লক্ষণীয় হ'ব। পৰিস্থিতি প্ৰত্যক্ষ কৰি আৰক্ষী-প্ৰশাসনে শান্তি-সম্প্ৰীতি বৰ্তাই ৰখাৰ আহ্বান জনায়। ঐতিহাসিকভাৱে বেং মৰা ৰাজ্যৰ ৰাজধানী আছিল তিনিচুকীয়া। শাসন কৰিছিল সৰ্বানন্দ সিংহই। ১৭৯১ চনত বেংমৰাত ৰাজধানী পাতি নিজকে স্বাধীন ৰজা ঘোষণা কৰি সৰ্বানন্দ সিংহই। সেই সময়ৰ স্মৃতিবিজড়িত ন-পুখুৰীত ষট পূজা অনুষ্ঠিত কৰাক লৈ নাৰাজ হৈছে থলুৱা জাতি-জনগোষ্ঠী। ইপিনে এই কাণ্ডক লৈ সকীয়নি প্ৰদান কৰিছে আলফা স্বাধীনে। এই বিবতৃতি যোগে আলফা স্বাধীনে কয় যে সৰ্বানন্দ সিংহই নিৰ্মাণ কৰোৱা ঐতিহাসিক ন-পুখুৰী অসমৰ থলগিৰি জনগণৰ ঐতিহ্য আৰু গৌৰৱৰ প্ৰতীক। ঔপনিৱেশিক ভাৰতীয়সকলে অবৈধভাৱে অসম দখল কৰাৰ পিছৰে পৰা অসমৰ পুৰণি কীৰ্তিচিহ্নসমূহত বহিৰাগত বণিয়াই কুঠাৰাঘাত কৰি তাৰ পৰিসৰ সংকুচিত কৰি আহিছে। এইবাৰ আকৌ বহিৰাগত বিহাৰী সম্প্ৰদায়ৰ লোকসকলে ন-পুখুৰীত ষট পূজা আয়োজনৰ চলেৰে সম্পূৰ্ণ পুখুৰীটো হিন্দুত্বকৰণেৰে নিজৰ দখললৈ নিব বিচৰা কাৰ্যত তিনিচুকীয়া পৌৰপতি আৰু জিলা উপায়ুক্ত কেইগৰাকীয়ে হাত উজান দিয়া কাৰ্য দুৰ্ভাগ্যজনক আৰু ই থলগিৰি জনগণৰ বাবে কোনো কাৰণতেই গ্ৰহণীয় নহয়। থলগিৰি জনগণৰ আবেগ-অনুভূতিক সন্মান প্ৰদৰ্শন কৰি ন-পুখুৰীত ষট পূজাৰ কাৰ্যসূচী তাৎক্ষণিকভাৱে বাতিল কৰিবলৈ তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি আৰু জিলা আয়ুক্তক আহ্বান জনালো। আমাৰ এই আহ্বানক উপেক্ষা কৰি পৌৰসভা আৰু জিলা প্ৰশাসনে যদি ন-পুখুৰীত ষটপূজাৰ আয়োজন কৰিবল অনুমতি প্ৰদান কৰে আলফা স্বাধীনৰে সংঘাত অনিবাৰ্য। জানিব পৰা মতে আইন-শৃংখলা পৰিস্থিতিৰ অৱনতি হোৱাৰ সন্দেহ কৰি জিলাখনৰ সদৰৰ লগতে আন কিছু প্ৰান্ততো আৰক্ষীয়ে কাঢ়া নজৰ দিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# প্ৰথমবাৰলৈ ৰিজাৰ্ভ বেংকৰ ডেপুটি গৱৰ্ণৰ পদত অধিস্থিত হ'ব মহিলা

**নতুন দিল্লী, ৩ এপ্ৰিলঃ** এক দশকৰ ভিতৰত প্ৰথমবাৰৰ বাবে ৰিজাৰ্ভ বেংকে লাভ কৰিলে এগৰাকী মহিলা ডেপুটি গৱৰ্ণৰ। দেশৰ শীৰ্ষ বেংকৰ এই গুৰুত্বপূৰ্ণ পদত নিযুক্তি দিয়া হৈছে পুনম গুপ্তাক। প্ৰখ্যাত অৰ্থনীতিবিদ পুনম বৰ্তমান নেচনেল শেষাংশ ৮ পৃষ্ঠাত

# বৰপেটাৰ হাউলীত হজযাত্ৰীৰ বিশেষ প্ৰশিক্ষণ সম্পন্ন

**ই-সংবাদ বিশেষ, কলগাছিয়া, ৩ এপ্ৰিলঃ** আজিৰেপৰা আৰম্ভ হৈছে অসমৰ বিভিন্ন জিলাত হজযাত্ৰীসকলৰ প্ৰশিক্ষণ। এই প্ৰশিক্ষণ শিবিৰ অসমৰ বিভিন্ন জিলাত এপ্ৰিল মাহৰ ১৬ তাৰিখলৈকে চলিব বুলি জানিব পৰা গৈছে। শেষাংশ ৭ পৃষ্ঠাত

# মৈৰাবাৰীৰ এহাল দুৰ্ভগীয়া পিতৃ-মাতৃৰ সহায় ভিক্ষা

**ই-সংবাদ, মৈৰাবাৰী, ৩ মাৰ্চঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ অন্তৰ্গত অতি পিছপৰা ডুঙাৰপাৰ গাঁৱৰ মহিবুৰ ৰহমান আৰু মোছলিমা খাতুন নামৰ দম্পত্তিটোৰ একমাত্ৰ সন্তান আছিফ ৰাইহান, বয়স মাত্ৰ দুবছৰ। ফুল কুমলীয়া শিশুটি শেষাংশ ৮ পৃষ্ঠাত

# টীয়কৰ জগদুৱাৰত পথ দুৰ্ঘটনা, নিহত ১

**ই-সংবাদ, টীয়ক, ৩ এপ্ৰিলঃ** টীয়কৰ জগদুৱাৰৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত আজি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰা মতে, এখন বাইকত দুই আৰোহী আহি থকা শেষাংশ ৭ পৃষ্ঠাত



স্থান-কাল-পাত্ৰ পাহৰি ৰাজহুৱা স্থানতেই অনুসূচিত জাতিৰ মহিলাক মুকলি ধমক কুশল দুৱৰীৰ, ফটোঃ সংগ্ৰহ

## অনুসূচিত জাতিৰ মহিলাক মুকলি ধমক কুশল দুৱৰীৰ

# কুশল দুৱৰীৰ মুকলি গুণ্ডাগিৰি

**ই-সংবাদ, ৩ এপ্ৰিলঃ** অসম দৰ্শন আঁচনিৰ চেক ল'বলৈ অহা এগৰাকী মহিলাক ৰাজহুৱাকৈ ধমক প্ৰদান প্ৰাক্তন বিধায়ক তথা বিজেপি নেতা কুশল দুৱৰীৰ। শিৱসাগৰৰ অনুষ্ঠিত এক ৰাজহুৱা অনুষ্ঠানত বিতৰণ কৰা হৈছিল অসম দৰ্শন আঁচনিৰ চেক। এই আঁচনিৰ হিতাধিকাৰীসকলে অসম চৰকাৰৰ পযষ্ঠপোষকতাত অসমৰ ধৰ্মীয় স্থানসমূহ পৰিভ্ৰমণ কৰিব পাৰিব। এনে অনুষ্ঠানত চেক ল'বলৈ উপস্থিত শেষাংশ ৭ পৃষ্ঠাত

# মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ ৰোষত দীনেশ গোস্বামীৰ ফাৰ্মাৰ প্ৰতিষ্ঠান

## শিক্ষকৰূপী দীনেশৰ লুণ্ঠনৰাজৰ অকথিত কাহিনী

**ই-সংবাদ ব্যুৰ', নলবাৰী, ৩ এপ্ৰিলঃ** নলবাৰীত এগৰাকী শিক্ষকে কৃষকৰ নামত চলাইছে লুণ্ঠনৰাজ। শিক্ষকৰূপী দালাল দীনেশ গোস্বামীৰ বিৰুদ্ধে ইতিমধ্যে একাংশ ভুক্তভোগীয়ে তুলিছে গুৰুতৰ অভিযোগ। ফিচাৰী, কেচু সাৰ আৰু পশুপালনৰ নামত দীৰ্ঘদিনৰপৰা দীনেশ গোস্বামীয়ে কৃষকৰপৰা চলাইছিল লুণ্ঠন। কিন্তু কেনেকৈ চলাই আছে শিক্ষক দীনেশ গোস্বামীয়ে লুণ্ঠনৰাজ। ইতিমধ্যে এনে বহু অভিযোগ তুলি ভুক্তভোগীয়ে কাষ চাপিছে মুখ্যমন্ত্ৰীৰ তদাৰকী গোটৰ। অভিযোগ অনুসৰি শেষাংশ ৮ পৃষ্ঠাত

# বিহুৰ প্ৰাকক্ষণত অসমীয়া গহনাই লাভ কৰিলে জিআই টেগ

**ই-সংবাদ, ৩ এপ্ৰিলঃ** অসমীয়া জাতিৰ বাবে আকৌ এটা ভাল খবৰ। এইবাৰ অসমীয়াই লাভ কৰিলে গহনাৰ জি আই টেগ। ৰঙালী বিহুৰ আগে আগে অসমীয়া গহনাই বিশ্বমানৰ এই স্বীকৃতি লাভ কৰাৰ পাছতেই উৎফুল্লিত হৈ উঠিছে অসমীয়া। অসমীয়া গহনাই জি আই টেগ লাভ কৰাৰ শেষাংশ ৭ পৃষ্ঠাত

## ষট্ পূজাক লৈ তিনিচুকীয়াত উত্তেজনা

# 'বেংমৰা'ত ষট্ পূজা! আলফা (স্বা)ৰ হুমকি

**ই-সংবাদ ব্যুৰ, তিনিচুকীয়া, ৩ এপ্ৰিলঃ** জাতি-মাটি-ভেঁটিৰ শ্লো'গান দিয়া বিজেপি চৰকাৰৰ দিনত মুঠেই সুৰক্ষিত নহয় তিনিচুকীয়াৰ থলগিৰি জনতা, সুৰক্ষিত নহয় ঐতিহাসিক বেংমৰা ৰাজ্যৰ কীৰ্তিচিহ্নসমূহো। দ্বিতীয় বিহাৰ হিচাপে পৰিচিত অসমৰ বাণিজ্যিক চহৰ তিনিচুকীয়াত যোৱা ২২ মাৰ্চত বিজেপি দলৰ পৃষ্ঠপোষকতাত 'বিহাৰ দিৱস' (স্নেহ-মিলন উৎসৱ) উদযাপন কৰিবলৈ প্ৰস্তুতি চলোৱাক কেন্দ্ৰ কৰি তিনিচুকীয়াৰ জাতীয়-জনগোষ্ঠীয় দল-সংগঠনে জনোৱা প্ৰতিবাদত একপ্ৰকাৰ সেও মানি তিনিচুকীয়াত 'বিহাৰ দিৱস' শেষাংশ ৮ পৃষ্ঠাত

# ছেমিফাইনেলত হাৰিলে অৱসৰ ল'ব মন্ত্ৰী ৰণজিৎ দাসে

**ই-সংবাদ, ৩ এপ্ৰিলঃ** ৰাজনীতিৰ পৰা অৱসৰ ল'ব মন্ত্ৰী ৰণজিৎ দাসে। বৃহস্পতিবাৰে এই কথা নিজেই ঘোষণা কৰিছে মন্ত্ৰীগৰাকীয়ে। অৱশ্যে অৱসৰৰ বাবে চৰ্ত বান্ধি দিছে মন্ত্ৰীগৰাকীয়ে। বৃহস্পতিবাৰে গুৱাহাটীৰ বশিষ্ঠস্থিত বাজপেয়ী ভৱনত ৰণজিৎ দাসৰ নেতৃত্বত অনুষ্ঠিত হয় অসম বিজেপিৰ নেতা তথা মুখপাত্ৰৰ এখন বিশেষ বৈঠক। এই বৈঠকতে চৰ্ত সাপেক্ষে নিজৰ ৰাজনৈতিক অৱসৰ ঘোষণা কৰে পঞ্চায়ত



আৰু গ্ৰামোন্নয়ন মন্ত্ৰীগৰাকীয়ে। আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত অনুষ্ঠিত এই বৈঠকত মন্ত্ৰীগৰাকীয়ে কয় যে যদি কংগ্ৰেছে পঞ্চায়ত নিৰ্বাচনত ৫০ শতাংশতকৈ অধিক আসন লাভ কৰে তেন্তে শেষাংশ ৭ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কুশল দুৱৰীৰ মুকলি গুণ্ডাগিৰি

হৈছিল এগৰাকী মহিলা। অনুষ্ঠানটোত চেক বিতৰণ কৰি আছিল বিজেপি নেতা কুশল দুৱৰীয়ে। উপস্থিত আছিল শিৱসাগৰ সমষ্টিৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈও। সেই অনুষ্ঠানতেই এগৰাকী অনুসূচিত জাতিৰ মহিলাক ৰাজহুৱাকৈ ধমক প্ৰদান কৰে বিজেপিৰ নেতাগৰাকীয়ে। মহিলাগৰাকীক চেক বিতৰণ অনুষ্ঠানৰ পৰা বাহিৰলৈ ওলাই যাবলৈ মুকলিকৈ ধমক প্ৰদান কৰে কুশল দুৱৰীয়ে। অৱশ্যে বিধায়ক অখিল গগৈয়ে কুশল দুৱৰীৰ এনে আচৰণৰ বিৰোধিতা কৰি মহিলাগৰাকী বাহিৰলৈ ওলাই যাব নালাগে বুলি বাধা প্ৰদান কৰে। যিসময়ত সাংবাদিকৰ ওপৰত অনুসূচিত জাতি-জনজাতি আইনৰ অপপ্ৰয়োগ কৰি ষড়যন্ত্ৰমূলকভাৱে জে'ললৈ প্ৰেৰণ কৰা হৈছে, সেই সময়ত এগৰাকী অনুসূচিত জাতিৰ মহিলাক এনেকৈ ৰাজহুৱাকৈ ধমক প্ৰদান কৰাৰ পাছতো থাওৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বিজেপি নেতাগৰাকীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাই সামাজিক মাধ্যমত লিখিছে, বিজেপি নেতা তথা প্ৰাক্তন বিধায়ক কুশল দুৱৰীয়ে শিৱসাগৰত অনুষ্ঠিত এখন চৰকাৰী সভাত ৰাজহুৱাকৈ এগৰাকী অনুসূচীত জাতিৰ মহিলাক কৰা অশালীন ব্যৱহাৰে বিজেপি দলৰ প্ৰকৃত স্বৰূপ উদঙাই দিলে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এইজন নেতাৰ ওপৰত বিহিত ব্যৱস্থা লোৱাৰ সাহস হ'ব নে। নে অসম আৰক্ষীয়ে চৰকাৰৰ মানুহ বুলি কুশল দুৱৰীক ৰেহাই দিব সেইয়া লক্ষণীয় হ'ব। কুশল দুৱৰী ওৰফে জয়ন্ত হাজৰিকাৰ এনে কৰ্মকাণ্ডত স্তম্ভিত হৈছে সচেতন মহল।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ছেমিফাইনেলত হাৰিলে অৱসৰ ল'ব

তেওঁ ৰাজনীতিৰ পৰা অৱসৰ ল'ব। এই বৈঠকত কৌশল, গ্ৰাম্য উন্নয়ণ আৰু ভোটাৰৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। সকলোৰে বাবে পৰ্যাপ্ত গৃহ নিশ্চিত কৰা, অস্থায়ী বাসস্থান নিৰ্মূল কৰা আৰু গ্ৰামাঞ্চলত বহনক্ষম জীৱন-যাপনৰ পৰিস্থিতি সৃষ্টিৰ ক্ষেত্ৰত দলৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয় বৈঠকখনত। মহিলাসকলক কেৱল চৰকাৰী আঁচনিৰ হিতাধিকাৰীয়েই নহয়, তেওঁলোকক কেনেকৈ আত্মনিৰ্ভৰশীল কৰি তুলিব পাৰি, তাৰ উপায় সন্দৰ্ভতো আলোচনা কৰে । তদুপৰি গ্ৰাম্য কৃষকসকলৰ সমস্যাৰ ওপৰতো বৈঠকত আলোচনা কৰা হয়। এই বৈঠকতে বিজেপিৰ নিৰ্বাচনী কৌশল সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰা হয়। এই সন্দৰ্ভত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কয় যে যদিও সকলো আসন জয় কৰাটো সম্ভৱপৰ নহয়, তথাপিও বিজেপিয়ে আগন্তুক পঞ্চায়ত নিৰ্বাচনত অধিক আসন লাভ কৰাটো নিশ্চিত কৰিব আৰু ইয়াৰ বাবে তেওঁলোক প্ৰতিশ্ৰুতিবদ্ধ। ৩০ লাখ মহিলাক সবলীকৰণৰ লক্ষ্য পুনৰ উল্লেখ কৰি ইয়াকেই বিজেপিৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ মূল কেন্দ্ৰবিন্দু হিচাপে চিহ্নিত কৰে। এই নিৰ্বাচন আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে ছেমিফাইনেল সদৃশ বুলি অনুভৱ কৰি তাৰ বাবে কাম কৰি যোৱাৰ ইংগিত প্ৰদান কৰে। বিজেপিৰ এনে কৌশল কিমান কামত আহে সেয়া লক্ষণীয় হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিহুৰ প্ৰাকক্ষণত অসমীয়া গহনাই লাভ

কথা সামাজিক মাধ্যমযোগে ঘোষণা কৰে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ, ২০১৮-১৯ চনৰ বাজেট উত্থাপনৰ সময়ত অসমীয়া গহনাৰ জিআই টেগৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। অসমৰ শিল্পীসকলৰ সুৰক্ষা আৰু স্বীকৃতৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। অসম চৰকাৰৰ এই প্ৰস্তাৱে অৱশেষত লাভ কৰিলে ন্যাৰ্যতা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত সামাজিক মাধ্যমত লিখিছে, “অসমলৈ এক সুখৰ বতৰা কঢ়িয়াই আনিছে অসমীয়া গহনাই। আমাৰ ঐতিহ্য-সংস্কৃতিৰ সৈতে অংগাংগীভাৱে জড়িত অসমীয়া গহনাক প্ৰদান কৰা হৈছে ভৌগোলিক সূচাংক অৰ্থাৎ জি আই টেগৰ স্বীকৃতি। মোৰ আজিও মনত আছে ২০১৮-১৯ বৰ্ষৰ বাজেট উত্থাপনত আমাৰ শিল্পীসকলৰ সুৰক্ষা আৰু স্বীকৃতিৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ বাবে আমি প্ৰস্তাৱ গ্ৰহণ কৰিছিলোঁ। আমাৰ এই প্ৰস্তাৱে আজি ন্যায্যতা পোৱাত সুখী অনুভৱ কৰিছোঁ। অসমীয়া গহনা উদ্যোগৰ সৈতে জড়িত আটাইলৈ তথা অসমবাসীলৈ এই গৌৰৱময় মুহূৰ্তত আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ”। স্মৰ্তব্য, ইয়াৰ পূৰ্বে অসমৰ বহু কেইপদ সামগ্ৰীয়ে লাভ কৰিছে জি আই টেগৰ মৰ্যাদা। ৰাজ্যৰ স্বকীয়তা বহন কৰা সামগ্ৰীয়ে এনে বিশ্বমানৰ স্বীকৃতি লাভ কৰা বিষয়টোৱে অনাগত দিনত এই সামগ্ৰীসমূহক এক বিশেষ চিনাকী ডাঙি ধৰিব বুলি আশাবাদী।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# টীয়কৰ জগদুৱাৰত পথ দুৰ্ঘটনা, নিহত

অৱস্থাত As 03 AN 1056 নম্বৰৰ কাৰ্ভ বাহনখনে বাইকখনত খুন্দা মৰাৰ ফলত দুই আৰোহী পংকজ শৰ্মা আৰু বিনোদ শৰ্মা গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ইপিনে, বাহনখনে দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰে। আঘাতপ্ৰাপ্ত দুই ব্যক্তিক স্থানীয় আৰক্ষীৰ সহযোগত যোৰহাট মেডিকেল কলেজলৈ প্ৰেৰণ কৰা হয়। পলায়ন কৰা বাহনখন আৰক্ষীয়ে টীয়কৰ এখন দোকানৰ সমীপত ৰখাই থোৱা স্থানত উদ্ধাৰ কৰে। বাহনখনৰ গৰাকীৰ ভাষ্য মতে বাহনখন লগৰ এজনে লৈ গৈছিল আৰু দুৰ্ঘটনা সন্দৰ্ভত একো জনোৱা নাছিল। পিছত আৰক্ষীয়ে বাহনখনৰ চালকজনক সোধা-পোছাৰ বাবে থানালৈ নিয়ে। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত বামুণ পুখুৰীৰ বিনোদ শৰ্মাৰ ইতিমধ্যে মৃত্যু ঘটিছে। আনহাতে, পহুমৰা গাঁৱৰ পংকজ শৰ্মাক বৰ্তমান যোৰহাট মেডিকেল কলেজত চিকিৎসা কৰি থকা হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বৰপেটাৰ হাউলীত হজযাত্ৰীৰ বিশেষ

সৰ্বভাৰতীয় হজ কমিটিৰ নিৰ্দেশমৰ্মে আৰু অসম তথা উত্তৰ-পূৰ্বাঞ্চল হজ কমিটিৰ অধ্যক্ষ নেকিবুৰ জামানৰ নেতৃত্বত প্ৰশিক্ষণপ্ৰাপ্ত মাষ্টাৰ ট্ৰেইনাৰৰ জৰিয়তে হজযাত্ৰীসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। সেই অনুসৰি আজি বৰপেটা জিলাৰ হাউলীৰ হজৰত ওমৰ মডেল একাডেমীত দিনজোৰা কাৰ্যসূচীৰে বৰপেটা আৰু বজালী জিলাৰ মুঠ ১২১ গৰাকী হজযাত্ৰীৰ মাজত প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। উক্ত প্ৰশিক্ষণ শিবিৰত সৰ্বভাৰতীয় হজ কমিটি তথা অসম চৰকাৰৰ মাষ্টাৰ ট্ৰেইনাৰ হিচাপে উপস্থিত থাকে কলগাছিয়াৰ বিশিষ্ট সাংবাদিক আলহাজ আব্দুল হাই, দৰং জিলাৰ আলহাজ আব্দুল হালিম আৰু বৰপেটাৰ মাজদিয়া গাঁৱৰ আলহাজ ওৱাজউদ্দিন আহমেদ। হজৰত ওমৰ মডেল একাডেমীৰ অধ্যক্ষ আব্দুল আজিজৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত আন কেইবাজনো ব্যক্তি উপস্থিত থাকি হজৰ নীতি-নিয়মসমূহ বৰ্ণনা কৰে। পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে ৫ এপ্ৰিলত দৰং, কোকোৰাঝাৰ, গোৱালপাৰা, ৰঙিয়া, তিনিচুকীয়া, ৬ এপ্ৰিলত বঙাইগাঁও, নলবাৰী, ৮ এপ্ৰিলত বিলাসীপাৰা, বদৰপুৰ, দক্ষিণ শালমাৰা, ৯ এপ্ৰিলত ধুবৰী, পাথাৰকান্দি, ৭ এপ্ৰিলত লখিমপুৰ, মৰিগাঁও জিলাৰ লগতে ৰাজ্যৰ আন আন জিলাসমূহতো এপ্ৰিল মাহৰ ১৬ তাৰিখলৈকে প্ৰশিক্ষণ চলিব বুলি জানিবলৈ দিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মৈৰাবাৰীৰ এহাল দুৰ্ভগীয়া পিতৃ-মাতৃৰ

জন্মৰেপৰা এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত। জন্মৰেপৰা মলত্যাগৰ পথ বন্ধ থকা শিশুটিক চিকিৎসা কৰি সৰ্বহাৰা হৈছে দিন হাজিৰা কৰা পিতৃ আৰু মাতৃ। বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত তিনিটাকৈ অপাৰেচন কৰি সকলো ধন খৰচ হৈছে দুৰ্ভগীয়া পিতৃ-মাতৃৰ। ফলত চৰকাৰ তথা অঞ্চলটোৰ ৰাইজৰ সহায় ভিক্ষা কৰি পিতৃ-মাতৃয়ে সংবাদ মাধ্যমযোগে কিঞ্চিত সহায় ভিক্ষা কৰিবলগা হৈছে। যদি কোনোবাই শিশুটিক সহায় কৰিব বিচাৰে তেন্তে 9077456587 নম্বৰত সাহায্য পঠাবলৈ অসহায় পিতৃ-মাতৃয়ে কাতৰ আহ্বান জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ ৰোষত

ফাৰ্মখনৰ ৫৫ জন সদস্যৰ ৫০ জনৰ নামত অহা টকাৰ সিংহভাগ আত্মসাৎ কৰাৰ অভিযোগ দীনেশ গোস্বামীৰ বিৰুদ্ধে। নলবাৰীৰ চেংনৈত থকা CHENGOI FARMAR PRODUCER COMPANY Ltd. CHENGNOI নামৰ ব্যক্তিগত ফাৰ্মাৰ উদ্যেগটোৰ নামত চলাই আহিছিল লুণ্ঠন। কটৰা নিবাসী দীনেশ গোস্বামীৰ জ্যেষ্ঠ ভাতৃ অনিল গোস্বামীয়ে মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাক দীনেশ গোস্বামীৰ বিৰুদ্ধে এই সন্দৰ্ভত অভিযোগ দাখিল কৰিছিল। তেওঁৰ ব্যক্তিগত প্ৰতিষ্ঠানটোৰ নামত দীৰ্ঘদিনৰপৰা চলাই অহা লুণ্ঠনত অতিষ্ঠ হৈছিল একাংশ লোক। সেয়ে আজি ভুক্তভোগীৰ অভিযোগৰ পিছত চেংনৈত উপস্থিত হয় মুখ্যমন্ত্ৰীৰ তদাৰকী গোট। তদাৰকী গোটটোৱে একাংশ ভুক্তভোগীৰ মন্তব্যৰ পিছত দীনেশ গোস্বামীৰ ব্যক্তিগত ফাৰ্মখনৰপৰা বহু নথি-পত্ৰ জব্দ কৰে বুলি জানিব পৰা গৈছে। উল্লেখ্য, দীনেশ গোস্বামীৰ ফাৰ্মখনত ৫০১ জন সদস্য আছিল। কিন্তু নামতহে অধ্যক্ষৰ আসন অলংকৃত কৰা দালাল দীনেশ গোস্বামীৰ পত্নী লভিতা ডেকা গোস্বামীয়ে পৰিচালনা কৰি আহিছিল তেওঁৰ ফাৰ্মখন। আনহাতে, দীনেশ গোস্বামীৰ ফাৰ্মাৰ উদ্যোগটোৰ একাউন্টেট আছিল তেওঁৰ পত্নীৰ ভাতৃ। মুঠৰ ওপৰত দীনেশ গোস্বামীৰ লুণ্ঠনৰাজ চলোৱা বাবে ফাৰ্মখন পৰিচালনা কৰাৰ বাবে তেওঁৰ অঙহী-বঙহীক নিযুক্তি দিছিল। এই অভিযোগ দীনেশ গোস্বামীৰ জ্যেষ্ঠ ভাতৃ অনিল গোস্বামীৰ। ইপিনে উক্ত ফাৰ্মখনৰ নামত লুণ্ঠন চলাই অহা দীনেশ গোস্বামীৰ সহযোগী ধীৰেশ্বৰ বৰ্মন আৰু উমেশ ডেকাৰ বিৰুদ্ধে অভিযোগৰ আঙুলি দীনেশ গোস্বামীৰ জ্যেষ্ঠ ভাতৃ অনিল গোস্বামীৰ। পিছে এগৰাকী শিক্ষক হৈ কিহৰ বাবে কৃষকৰ নামত লুণ্ঠন চলাইছে দীনেশ গোস্বামীয়ে তাক লৈ এতিয়া সমগ্ৰ নলবাৰী জিলাতে সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# প্ৰথমবাৰলৈ ৰিজাৰ্ভ বেংকৰ ডেপুটি

কাউন্সিল অৱ এপ্লাইড ইকনমিক ৰিছাৰ্চৰ মুৰব্বী পদত আছে। কেন্দ্ৰীয় চৰকাৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ দায়িত্ব চম্ভালাৰ উপৰি ৰিজাৰ্ভ বেংকৰ নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰতো তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। মাইকেল পাত্ৰই চলিত বৰ্ষৰ জানুৱাৰী মাহত ৰিজাৰ্ভ বেংকৰ ডেপুটি গৱৰ্ণৰ পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। তেওঁৰ ঠাইত দায়িত্ব ল'ব পুনম গুপ্তাই। দুটা দশকৰো অধিক সময় ধৰি অৰ্থনীতিৰ বিভিন্ন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কাম কৰি আহিছে। ৰিজাৰ্ভ বেংকৰ আগন্তুক মুদ্ৰানীতি সমিতিৰ বৈঠকতো উপস্থিত থাকিব পুনম, য'ত এপেক্স বেংকে নীতিগত সিদ্ধান্ত সন্দৰ্ভত ডাঙৰ ঘোষণা কৰাৰ সম্ভাৱনা আছে। বৰ্তমান নেচনেল কাউন্সিল অৱ এপ্লাইড ইকনমিক ৰিছাৰ্চৰ মুৰব্বী পুনম গুপ্তা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ইকনমিক এডভাইজাৰী কমিটিৰ সদস্য। ষোড়শ বিত্ত আয়োগৰ পৰামৰ্শদাতা পৰিষদৰো সদস্য আছিল তেওঁ। দিল্লী স্কুল অৱ ইকনমিক্স আৰু ইউনিভাৰ্ছিটি অৱ মেৰিলেণ্ড আদি প্ৰতিষ্ঠানত অৰ্থনীতিৰ অধ্যাপনাও কৰি আহিছে। পুনম বিশ্ব বেংকৰ দুখন পৰামৰ্শদাতা পৰিষদৰ সদস্যও আছিল— এখন দৰিদ্ৰতাৰ ওপৰত আৰু আনখন বিশ্ব উন্নয়ন প্ৰতিবেদনত। মেৰিলেণ্ড বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী আৰু তিনিটা ভিন্ন প্ৰতিষ্ঠানৰ পৰা অৰ্থনীতিত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে পুনম গুপ্তাই। পুনম গুপ্তাক ৰিজাৰ্ভ বেংকৰ ডেপুটি গৱৰ্ণৰ হিচাপে নিযুক্তি দিয়াৰ সময়তে দেশৰ মুদ্ৰানীতিত কেইবাটাও গুৰুত্বপূৰ্ণ পৰিৱৰ্তন আহিব বুলি আশা কৰা হৈছে। মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ পৰা আৰম্ভ কৰি উন্নয়ন নীতিৰ ৰূপৰেখা প্ৰস্তুত কৰালৈকে সকলো কামতে পুনম গুপ্তা দায়বদ্ধ হ'ব। যিহেতু এই কঠিন সময়ত কেন্দ্ৰই পুনমৰ ওপৰত আস্থা ৰাখিছে, সেয়েহে বিত্তীয় সমাজে এতিয়া তেওঁৰ ভূমিকাৰ ওপৰত নজৰ ৰাখিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# 'বেংমৰা'ত ষট পূজা! আলফা (স্বা)ৰ

বাতিল কৰিবলৈ বাধ্য হোৱা পৰিৱৰ্তনৰ নামত গুৰু-গোঁসাই নমনা ৰাজ্যত শাসনাধিষ্ঠ বিজেপি চৰকাৰে বিহাৰ দিৱসৰ পৰা যেন একোৱেই শিক্ষা নল'লে। 'বিহাৰ দিৱস' ৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই বুৰঞ্জীপ্ৰসিদ্ধ চহৰ তিনিচুকীয়াৰ ঐতিহাসিক ন-পুখুৰীস্থিত "মৰুৎ নন্দন কানন" ত কাইলৈ অৰ্থাৎ ৪ এপ্ৰিলত বিহাৰী সম্প্ৰদায়ৰ উৎসৱ ষঠ পূজা অনুষ্ঠিত কৰিবলৈ লোৱাক লৈ সৰৱ হৈ পৰিছে তিনিচুকীয়াৰ খিলঞ্জীয়া দল-সংগঠন তথা ৰাইজ। ঐতিহাসিক ন-পুখুৰীৰ পাৰত ষঠ পূজা অনুষ্ঠিত কৰাৰ প্ৰতিবাদত অটল হৈ পৰা দল-সংগঠন তথা প্ৰতিবাদী ৰাইজে বুধবাৰৰ সন্ধিয়াৰ পৰা ওৰে নিশা মৰুৎ নন্দন কাননৰ সন্মুখত অৱস্থান কৰে। আজি ঘটনাস্থলীত তিনিচুকীয়া আৰক্ষীৰ লগতে জিলা প্ৰশাসনৰ বৃহৎ দল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে যদিও দল-সংগঠন তথা প্ৰতিবাদী ৰাইজে কোনোপধ্যেই ঐতিহাসিক ন-পুখুৰী পাৰ্কত ষঠ পূজা অনুষ্ঠিত কৰিবলৈ দিয়া নহ'ব বুলি সকীয়নি প্ৰদান কৰে। ইফালে, ন-পুখুৰীৰ ঘটনাক লৈ আলফা স্বাধীনে আজি সংবাদ মাধ্যমলৈ এক প্ৰেছ বিবৃতি প্ৰদান কৰি ন-পুখুৰীত ষঠ পূজা আয়োজনৰ সিদ্ধান্ত তাৎক্ষণিকভাৱে বাতিল কৰিবলৈ তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি আৰু জিলা আয়ুক্তক আহ্বান জনায়। উক্ত বিবৃতিত আলফা (স্বা) ই বহিৰাগত বিহাৰী সম্প্ৰদায়ৰ লোকসকলে ন-পুখুৰীত ষঠ পূজা আয়োজনৰ চলেৰে সম্পূৰ্ণ পুখুৰীটো হিন্দুত্বকৰণেৰে নিজৰ দখললৈ নিব বিচৰা বুলি কোৱাৰ লগতে ই থলগিৰি জনগণৰ বাবে কোনো কাৰণতেই গ্ৰহণযোগ্য নহয় বুলি উল্লেখ কৰি ঐতিহাসিক বেংমৰা ৰাজ্যৰ কীৰ্তিচিহ্নসমূহৰ ঐতিহ্য ৰক্ষাৰ স্বাৰ্থত লগতে থলগিৰি জনগণৰ আবেগ-অনুভূতিক সন্মান প্ৰদৰ্শন কৰি আজিৰ পৰা আৰম্ভ হ'বলগীয়া ষঠ পূজাৰ কাৰ্য্যসূচী তাৎক্ষণিকভাৱে বাতিল কৰিবলৈ আহ্বান জনায়। অন্যথা, যিকোনো পৰিস্থিতিৰ উদ্ভৱ হ'লে তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি আৰু জিলা আয়ুক্তগৰাকীয়েই দায়িত্ব মূৰ পাতি ল'ব লাগিব বুলি মন্তব্য কৰে আলফা স্বাধীনৰ। আনহাতে, আলফা স্বাধীনৰ বিবৃতিৰ পাছতেই জিলা আয়ুক্ত কাৰ্য্যালয়ৰ তৰফৰ পৰা প্ৰকাশ পোৱা এক জাননীত উল্লেখ কৰা অনুসৰি, ২০-৮-২০১৮ তাৰিখৰ আদেশৰ দ্বাৰা তিনিচুকীয়া চহৰত অৱস্থিত ন-পুখুৰীক প্ৰাচীন কীৰ্তিচিহ্ন আৰু অভিলেখ আইন, ১৯৫৯ ৰ অধীনত অসমৰ সংৰক্ষিত স্মৃতিসৌধ হিচাপে ঘোষণা কৰাৰ কথা উল্লেখ কৰে। লগতে ন-পুখুৰী চৌহদ কেৱল মটক আৰু মৰাণ সম্প্ৰদায়ৰ অনুষ্ঠানৰ বাবেহে অনুমতি দিয়া হব পাৰে বুলি উল্লেখ কৰি এই সন্দৰ্ভত ৰাজ্যৰ মুখ্য সচিবলৈ ন-পুখুৰী চৌহদ কেৱল মটক আৰু মৰাণ সম্প্ৰদায়ৰ সৈতে জড়িত অনুষ্ঠানৰ বাবে সংৰক্ষণ কৰিবলৈ অনুৰোধ জনায়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছৰ মুখপাত্ৰ ৰীতমক পুনৰ গ্ৰেপ্তাৰ!

যোগে উল্লেখ কৰা মতে অসম কংগ্ৰেছৰ মুখপাত্ৰ ৰীতম সিঙক পুনৰ গ্ৰেপ্তাৰ কৰা হৈছে। ফেচবুক পোষ্টোত কংগ্ৰেছে কৈছে যে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ ৰীতম সিঙক পুনৰ মৰিগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ঘটনা তীব্ৰ গৰিহণাৰ যোগ্য। এনে কাৰ্যই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ স্বৈৰাচাৰিতা আৰু দমনমূলক ৰাজনীতি প্ৰকাশ পাইছে। লখিমপুৰ কাৰাগাৰতে মৰিগাঁও আৰক্ষীয়ে সিঙক পুনৰ গ্ৰেপ্তাৰ কৰা বুলি জানিব পৰা গৈছে। সিঙক ৯০/২০২৫ নম্বৰৰ গোচৰ সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা হৈছে। গোচৰটো ভাৰতীয় ন্যায় সংহিতা আৰ/ডব্লিউ আইএৰ ধাৰা ৬৭ ৰ অধীনত পঞ্জীয়ন কৰা হৈছিল। কংগ্ৰেছৰ মুখপাত্ৰ ৰীতম সিঙক শনিবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিন প্ৰদান কৰিছিল। ৰীতম সিঙক আদালতে জামিন প্ৰদান কৰিছিল যদিও আন গোচৰত জামিন লাভ নকৰাত কাৰাগাৰত থকাৰ সময়তে এইবাৰ মৰিগাঁও আৰক্ষীয়ে ৰীতমক গ্ৰেপ্তাৰ কৰিছে। এক বিতৰ্কিত ছ'চিয়েল মিডিয়া পোষ্টৰ বাবে গুৱাহাটীৰ পৰা লখিমপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰৰ প্ৰায় দুসপ্তাহ পিছত জামিন প্ৰদান কৰিছিল। বহু বিতৰ্কিত বিজেপি বিধায়ক মানৱ ডেকাৰ বিৰুদ্ধে সামাজিক মাধ্যমত তথ্য উন্মোচন কৰি গ্ৰেপ্তাৰ হৈছিল অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ ৰীতম সিং। ১৫ মাৰ্চত সিঙক গ্ৰেপ্তাৰ কৰি লখিমপুৰ সত্ৰ ন্যায়াধীশৰ আদালতে হাজিৰ কৰোৱাত ২৯ মাৰ্চলৈকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছিল। লখিমপুৰ আৰক্ষীয়ে ১৫ মাৰ্চত গুৱাহাটীৰ নিজ বাসভৱনৰ পৰা বলপূৰ্বক গ্ৰেপ্তাৰ কৰি লখিমপুৰলৈ লৈ গৈছিল ৰীতম সিঙক। কংগ্ৰেছৰ মুখপাত্ৰজনৰ বিৰুদ্ধে বিজেপিৰ বিতৰ্কিত বিধায়ক মানৱ ডেকাৰ পত্নী ৰাজশ্ৰী শইকীয়াই লখিমপুৰ সদৰ থানাত এক গোচৰ ৰুজু কৰিছিল। বিধায়কৰ পত্নীৰ গোচৰৰ ভিত্তিত লখিমপুৰ আৰক্ষীয়ে ৰীতম সিঙক গুৱাহাটীৰ পৰা লখিমপুৰলৈ লৈ যায়। ৰীতম সিঙে সামাজিক মাধ্যমত বিধায়কজনৰ বিৰুদ্ধে ধৰ্ষণৰ গোচৰ ৰুজু হৈ থকাৰ অভিযোগ অনাৰ লগতে 'ঘৰজোঁৱাই' বুলি অভিযোগ আনিছিল। বিধায়ক পত্নীয়ে এই অভিযোগে বিধায়ক আৰু তেওঁৰ মানহানি হোৱা বুলি গোচৰ ৰুজু কৰিছিল আৰু ভাৰতীয় ন্যায় সংহিতাৰ ৩৫৬ (২-বি) অধীনত গোচৰ ৰুজু হৈছিল। উল্লেখ্য যে আন এটা গোচৰত বিধায়ক পত্নীয়ে অনুসূচিত জাতিৰ হোৱাৰ বাবে তেওঁৰ সুৰক্ষা বিচাৰি আৱেদন কৰিছিল। পুনৰ গ্ৰেপ্তাৰৰ পিছত কংগ্ৰেছে কেনে স্থিতি গ্ৰহণ কৰে সেয়া জানিব পৰা হোৱা নাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তেলেংগানাৰ পৰা শিক্ষা লওক হিমন্তইঃ অলকা

ৰাষ্ট্ৰীয় নেতাই অসম ভ্ৰমণ কৰিবলৈ আৰম্ভ কৰিছে। আজি ৰাষ্ট্ৰীয় মহিলা কংগ্ৰেছৰ সভানেত্ৰী অলকা লাম্বাই অসম ভ্ৰমণ কৰিছে। আজি পুৱাই গুৱাহাটীত উপস্থিত হয় অলকা লাম্বা। ৰাজীৱ ভৱনত অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ কেইবাখনো গুৰুত্বপূৰ্ণ সাংগঠনিক বৈঠকত অংশ লয়। পঞ্চায়ত আৰু আগন্তুক বিধানসভা নিৰ্বাচন সন্দৰ্ভত সাংগঠনিক বৈঠকৰ পিছত ৰাষ্ট্ৰীয় মহিলা কংগ্ৰেছৰ সভানেত্ৰী অলকা লাম্বাই গুৱাহাটীৰ ৰাজীৱ ভৱনত সংবাদমেল সম্বোধন কৰি বিজেপি দল আৰু চৰকাৰক তীব্ৰ আক্ৰমণ কৰে। অলকা লাম্বাই সংবাদমেলত কয় যে কংগ্ৰেছ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল গান্ধীয়ে আগন্তুক নিৰ্বাচনৰ ৰণনীতি প্ৰস্তুত কৰিবলৈ কাইলৈ দিল্লীত অসমৰ সকলো জিলা সভাপতিক সাক্ষাৎ কৰিব। কংগ্ৰেছে ইতিমধ্যে অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছে। বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰ মহিলাসকলক সবলীকৰণ কৰাত ব্যৰ্থ হোৱা বুলি কৈ তীব্ৰ সমালোচনা কৰে আৰু কয় যে সমগ্ৰ অসমত ড্ৰাগছৰ অপব্যৱহাৰ উদ্বেগজনকভাৱে বৃদ্ধি হৈছে। চৰকাৰ ইয়াৰ বিস্তাৰত জড়িত আছে। নিবনুৱা যুৱক-যুৱতীসকলক চাকৰিৰ সুযোগ প্ৰদান কৰাৰ পৰিৱৰ্তে ড্ৰাগছৰ আসক্তিলৈ ঠেলি দিছে। অসম বিধানসভাত মহিলাসকলৰ বাবে আসন সংৰক্ষণৰ দাবী উত্থাপন কৰি লাম্বাই কয় যে ৩৩ শতাংশ সংৰক্ষণ হ'ব লাগে। প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে প্ৰথমে পঞ্চায়তত মহিলাৰ বাবে ৫০ শতাংশ সংৰক্ষণ প্ৰৱৰ্তন কৰিছিল। তৃণমূল পৰ্যায়ৰ উপস্থিতি শক্তিশালী কৰিবলৈ মহিলা কংগ্ৰেছে অসমৰ ১৭ হাজাৰ ভোট কেন্দ্ৰৰ প্ৰতিটোত এজনকৈ কৰ্মী নিযুক্ত দিছে। তেওঁলোকক নেতৃত্বক লৈ প্ৰশিক্ষণ দিয়া হ'ব। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ নিৰ্বাচিত মহিলাসকলে দিল্লীত বিশেষ প্ৰশিক্ষণ লাভ কৰিব। লাম্বাই অসম চৰকাৰক কৰ্ণাটক আৰু তেলেংগানাৰ দৰে কল্যাণমূলক ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ আহ্বান জনায়। এই ৰাজ্যসমূহৰ মহিলাসকলে বিনামূলীয়া ৰাজহুৱা পৰিবহণ উপভোগ কৰে আৰু অসমেও সেই দাবী কৰে। তেলেংগানাই ৫০০ টকাত এলপিজি চিলিণ্ডাৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰী মহন্ত বিশ্ব শৰ্মাক একে ধৰণৰ নীতি গ্ৰহণ কৰিবলৈ আহ্বান জনায়। যদি তেলেংগানাৰ পৰা শিকিব নোৱাৰে, কৰ্ণাটক আৰু তেলেংগানাৰ মুখ্যমন্ত্ৰীসকলে হিমন্ত বিশ্ব শৰ্মাক এই পদক্ষেপ ল'বলৈ শিকাব। লাম্বাই অসমৰ মুখ্যমন্ত্ৰীক প্ৰকৃত সমস্যাৰ পৰা মানুহক বিচলিত কৰিবলৈ সাম্প্ৰদায়িক মন্তব্য কৰি থকাৰ অভিযোগ উত্থাপন কৰি কয় যে শাসকীয় দলে সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি কৰিবলৈ চেষ্টা কৰি আছে। আনহাতে মহিলা কংগ্ৰেছে ৰাজ্যজুৰি শান্তি সমদলৰ জৰিয়তে শান্তি প্ৰচাৰ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। বিজেপি-আৰএছএছৰ বিৰুদ্ধে ভাৰতীয় সংবিধানক আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন কৰি তেওঁ আৰু কয় যে বিৰোধীয়ে সংসদ আৰু ৰাজপথত প্ৰতিবাদ কৰি যাব। চৰকাৰে সমাজত বিভাজন সৃষ্টি কৰা বিধেয়ক উত্থাপন কৰিছে। কিন্তু আমি পুনৰ যুঁজিম। এয়া ন্যায়, সত্য আৰু সংবিধানৰ বিজয়ৰ যুঁজ বুলিও কয় লাম্বাই। আজি অলকাৰ সৈতে প্ৰদেশ মহিলা সমিতিৰ সভাসমূহত কেইবাগৰাকী জ্যেষ্ঠ নেতা-নেত্ৰী উপস্থিত থকা দেখা যায়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চীনৰ আগ্ৰাসন, ট্ৰাম্পৰ শুল্ক! কি কৰিছে মোদী

বৃহস্পতিবাৰে তেওঁ সংসদত অভিযোগ কৰে যে বিদেশী শক্তিৰ ওচৰত নতশিৰ হোৱাটো বিজেপিৰ সংস্কৃতিৰ অংশ। লোকসভাত ভাষণ দি ৰাহুল গান্ধীয়ে কয় যে আমি স্বাভাৱিকতাৰ বিৰোধী নহয়, কিন্তু তাৰ পূৰ্বে যথাৰ্থ অৱস্থা পুনৰ ঘূৰাই অনাৰ প্ৰয়োজন। আমাৰ মাটি আমাক ঘূৰাই দিয়াৰ প্ৰয়োজন। তেওঁ আৰু দাবী কৰে যে প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিয়ে চীনলৈ চিঠি লিখিছে যদিও দেশৰ জনসাধাৰণে এই বিষয়ে অৱগত নহয়। সেই তথ্য চীনৰ ৰাষ্ট্ৰদূতৰ জৰিয়তেহে ৰাজহুৱা কৰা হৈছে। ৰাহুলে অভিযোগ কৰে যে "চীনে ৪ হাজাৰ বৰ্গ কিলোমিটাৰ মাটি দখল কৰিছে, ২০ জন জোৱান শ্বহীদ হৈছে, আৰু আমি তেওঁলোকৰ সৈতে কেক কাটিছো।" ইয়াৰ উপৰি তেওঁ আমেৰিকাৰ শুল্ক নীতিৰ বিৰোধিতা কৰি কয় যে "আমাৰ মিত্ৰশক্তিয়ে আমাৰ ওপৰত শুল্ক আৰোপ কৰিছে, যিটো আমাৰ অৰ্থনীতিৰ বাবে বিধ্বংসী হ'ব। চৰকাৰে এই বিষয়ে কি কৰিছে?" ৰাহুল গান্ধীয়ে তেওঁৰ ভাষণত প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ উদ্ধৃতি দি কয়, "এবাৰ তেওঁক সোধা হৈছিল, আপুনি সোঁফালে বেঁকা হ'বলৈ পছন্দ কৰে নে বাঁওফালে? তেওঁ কৈছিল, মই এগৰাকী ভাৰতীয়, মই পোনে পোনে থিয় দিছো।" কংগ্ৰেছ নেতাগৰাকীয়ে ঠাট্টা কৰি কয়, "বিজেপি আৰু আৰএছএছৰ কৌশল বেলেগ। তেওঁলোকক যদি সোধা হয় সোঁফালে নে বাঁওফালে? তেওঁলোকে কয়, আমি সকলো বিদেশী শক্তিৰ আগত মূৰ দোৱাবলৈ সাজু।" বুধবাৰে নিশা কেইবাখনো দেশৰ ওপৰত 'টেৰিফ বোমা' নিক্ষেপ কৰিছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। তেওঁ চীন আৰু ব্ৰিটেইনকে ধৰি কেইবাখনো দেশৰ ওপৰত শুল্ক আৰোপ কৰাৰ সিদ্ধান্ত লৈছে। ভাৰতো সেই তালিকাত আছে। ট্ৰাম্পে দাবী কৰে যে নতুন দিল্লীৰ ওপৰত ২৬ শতাংশ শুল্ক আৰোপ কৰাটো "তেওঁলোকে যি কৰ আৰোপ কৰে তাৰ আধা"। তাৎপৰ্যপূৰ্ণভাৱে ট্ৰাম্পে শুল্ক ঘোষণাৰ দিনটোক "মুক্তি দিৱস" বুলি ঘোষণা কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আইএএছ শেৱালীৰ বিৰুদ্ধে চাৰ্জশ্বিট দাখিল

অভিযুক্ত আইএএছ বিষয়া শেৱালী দেৱী শৰ্মাৰ বিৰুদ্ধে আজি চাৰ্জশ্বীট দাখিল কৰিছে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰাকী কোষে। ৫/২০২৩ নম্বৰত ৰুজু গোচৰত বিশেষ আদালতত ২,০৭৪ পৃষ্ঠাৰ চাৰ্জশ্বীট দাখিল কৰা হৈছে। চাৰ্জশ্বীটত সমস্ত দুৰ্নীতিৰ তথ্য সন্নিৱিষ্ট কৰা হৈছে। মূলতঃ তদন্তকাৰী দলে লাভ কৰা আয়-বহিৰ্ভূত সম্পত্তিৰ তথ্য চাৰ্জশ্বীট যোগে আদালতত দাখিল কৰা হৈছে। আয়তকৈ ৩৬৮.৪১ শতাংশ অধিক সম্পত্তি আছে শেৱালী দেৱী শৰ্মাৰ। সেই কথা স্পষ্টকৈ উল্লেখ কৰা হৈছে। আয়-বহিৰ্ভূত সম্পত্তিৰ বাবে আদালতত চৰকাৰী পক্ষৰ অধিবক্তাই শাস্তি দাবী কৰিব। সম্পত্তি বাজেয়াপ্ত কৰাৰ আৰ্জি দিব পাৰে। ৮ মাৰ্চত শেৱালী দেৱী শৰ্মাক উচ্চতম ন্যায়ালয়ে জামিন প্ৰদান কৰিছিল। উচ্চতম ন্যায়ালয়ৰ পূৰ্বে শৰ্মাই গুৱাহাটী উচ্চ ন্যায়ালয়ত জামিন আবেদন কৰিছিল। কিন্তু তেওঁৰ আবেদন নাকচ কৰা হৈছিল। দীৰ্ঘ আইনী যুঁজৰ অন্তত দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ পৰা জামিন লাভ কৰিবলৈ সক্ষম হৈছিল। ২০২৩ চনত বিশেষ ন্যায়াধীশৰ ন্যায়ালয়ে ১০৫ কোটি টকাৰ এছছিইআৰটি কেলেংকাৰীত অভিযুক্ত ছজন ব্যক্তিক জামিন দিবলৈ অস্বীকাৰ কৰিছিল। অভিযুক্তসকল হৈছে সোণমণি নাথ, ভাস্কৰ হাজৰিকা, মনোজ দাস, ডেভিড অধিকাৰী, বেনিন দলৈ আৰু ৰাজেশ কুমাৰ যোশী। তেওঁলোকে জামিন আবেদন দাখিল কৰিছিল কিন্তু ন্যায়ালয়ে আৱেদন নাকচ কৰিছিল। শেৱালী দেৱী শৰ্মা ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ পৰিচালকৰ পদত কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁক ১০৫ কোটি টকাৰ দুৰ্নীতিৰ গোচৰত ২০২৩ চনৰ মে' মাহত গ্ৰেপ্তাৰ কৰা হৈছিল। শেৱালী দেৱী শৰ্মাক গ্ৰেপ্তাৰ কৰিছিল মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে। অভিযোগ মতে, এছচিইআৰটিৰ পৰিচালক হিচাপে তেওঁৰ কাৰ্যকালত এই ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হৈছিল। অজিত পল সিং, ৰাহুল আমিন আৰু হোটেলৰ সহকৰ্মীৰ সৈতে শৰ্মাৰ বিৰুদ্ধে দূৰ শিক্ষা ব্যৱস্থাৰ অধীনত ডিপ্লমা ইন এলিমেণ্টৰী এডুকেচন পাঠ্যক্ৰমৰ বাবে আবণ্টিত চৰকাৰী ধন হৰলুকি কৰাৰ অভিযোগ উঠিছিল। অজিত পল সিং শেৱালী দেৱী শৰ্মাৰ জোঁৱাই। ঠিকাদাৰ জোঁৱায়েকৰ সৈতে মিলি ১০৫ কোটি টকীয়া কেলেংকাৰী সংঘটিত কৰিছিল। কেলেংকাৰীৰ তথ্য পোহৰলৈ অহাত পলায়ন কৰিছিল শেৱালী দেৱী শৰ্মাই। শৰ্মাক ৰাজস্থানৰ এখন হোটেলৰ পৰা গ্ৰেপ্তাৰ কৰিছিল। তেওঁৰ সৈতে গ্ৰেপ্তাৰ কৰিছিল জোঁৱায়েকসহ আন দুজনকো। সমান্তৰালকে গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছিল শেৱালী দেৱী শৰ্মাৰ জীয়ৰীক। ২০২৩ চনৰ মে' মাহত ১০৫ কোটি টকীয়া এই কেলেংকাৰী সন্দৰ্ভত জেৰাৰ সন্মুখীন হৈছে দল-সংগঠনৰ নেতাৰ লগতে সাংবাদিকো। কেলেংকাৰীত নাম জড়িত হৈছিল ৰাজনৈতিক দলৰ নেতা বিদ্যুৎ কলিতা। বিদ্যুৎ কলিতা আছিল আপৰ নেতা। সাংবাদিক পূজামণি দাস, ভাস্কৰজ্যোতি হাজৰিকা, আৰটিআই কৰ্মী ৰবিজিৎ গগৈ আৰু অনুপ শইকীয়াক জেৰা কৰিছিল। এই দুৰ্নীতিক লৈ তীব্ৰ চৰ্চা হ'বলৈ ধৰাত তদন্ত আৰম্ভ কৰিবলৈ বাধ্য হৈছিল চৰকাৰ। গোচৰ চলা আদালতে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত জানিব পৰা যাব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এচিএছ পংকজৰ বাসগৃহত অভিযান

কৰি অবাধ ধন-সম্পত্তি গঢ়িছে। এই অভিযোগৰ মাজতে আজি ৰাজপত্ৰিত বিষয়াৰ ঘৰত অভিযান চলে। মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে এই অভিযান চলায়। এচিএছ বিষয়া পংকজ ডেকাৰ গুৱাহাটীৰ ঘৰত আজি অভিযান চলে। আয় বহিৰ্ভূত সম্পত্তি গঢ়াৰ অভিযোগক লৈ আজি এই অভিযান চলে। ভূমি কেলেংকাৰী সন্দৰ্ভত এচিএছ বিষয়া পংকজ কুমাৰ ডেকাৰ বিৰুদ্ধে এই অভিযান আৰম্ভ হৈছে বুলি এটা সূত্ৰই প্ৰকাশ কৰিছে। দৰং জিলাত বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত ধনৰ বিনিময়ত ডেকাই আনৰ মাটি পঞ্জীয়ন কৰিছিল। জানিব পৰা মতে, যাৰ বাবে বহু নথি বিচাৰি এই অভিযান চলে। অভিযানকালত ভূমি, ধনৰ লেনদেন সম্পৰ্কীয় অসংখ্য নথি-পত্ৰ জব্দ কৰা হৈছে। কিন্তু এই পৰ্যন্ত এচিএছ পংকজ ডেকাৰ ঘৰত চলা অভিযানত ধন-সম্পত্তিৰ কিমান নথিপত্ৰ উদ্ধাৰ হৈছে সেই কথা আনুষ্ঠানিকভাৱে জানিব পৰা হোৱা নাই। জানিব পৰা মতে, আজি গুৱাহাটীৰ কাহিলীপাৰাস্থিত পংকজ কুমাৰ ডেকাৰ বাসগৃহত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ বৃহৎ দল উপস্থিত হয়। দলটোৱে বাসগৃহত নথিপত্ৰ বিচাৰি তালাচী চলায়। ডেকাৰ গুৱাহাটীৰ জ্যোতিকুছি অঞ্চলত এক বৃহৎ ভূমি আছে। ডেকাই দৰং জিলাত উন্নয়ন বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত ভয়ংকৰ কেলেংকাৰী সংঘটিত কৰিছিল। ভূ-মাফিয়াৰ সৈতে লগলাগি প্ৰৱঞ্চনামূলক কাৰ্যকলাপ সংঘটিত কৰিছিল। কুলেন্দ্ৰ নাথ নামৰ এজন ভূমি মাফিয়াৰ সৈতে লগ লাগি ধনৰ বিনিময়ত মন্দিৰ স্থাপনৰ বাবে নিৰ্ধাৰিত ভূমি আন ব্যক্তিৰ নামত পঞ্জীয়ন কৰাৰ অভিযোগ উঠিছিল। কুলেন্দ্ৰ নাথক ২০২৪ চনত গ্ৰেপ্তাৰ কৰা হৈছিল। মুখ্যমন্ত্ৰী তদাৰকী কোষে সেই সময়ৰ পৰাই বিষয়া পংকজ ডেকাকে ধৰি বহু বিষয়াৰ বিৰুদ্ধে তদন্ত আৰম্ভ কৰিছিল।

# ডিব্ৰুগড় সাহিত্য সভা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত ছদিনীয়া বিহুৰ আখৰা শিবিৰ আৰম্ভ

**ই-সংবাদ, ডিব্ৰুগড়, ৩ এপ্ৰিলঃ** অসমীয়াৰ বাপতি সাহোন বিহু কেৱল এক উৎসৱ নহয়, ই অসমীয়া জাতিৰ সংস্কৃতিৰ প্ৰাণ। ই অসমীয়াৰ জনজীৱনৰ স'তে জড়িত হৈ থকা কৃষিৰ ছন্দ আৰু সমাজৰ একতাৰ প্ৰতীক। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ (জিডিপিচি) যৌথ উদ্যোগত আৰু নৃত্যাংগন কলাকেন্দ্ৰ, মূৰ্চনা সংগীত বিদ্যালয়ৰ সহযোগত অনুষ্ঠিত বিহু আখৰা শিবিৰৰ বন্তি প্ৰজ্বলনেৰে শুভ উদ্বোধন কৰি ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ বিশিষ্ট লেখক ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰেক্ষাগৃহত আজিৰেপৰা ছদিন ধৰি অনুষ্ঠিত হ'বলগীয়া এই বিহুৰ আখৰা শিবিৰত তেওঁ কয় যে বিহুৱে অসমীয়া জাতীয় জীৱনৰ এক বাৰ্তা কঢ়িয়াই আনিছে। আখৰা, কৰ্মশালাৰ যোগেদি নতুন প্ৰজন্মক বিহুনৃত্য শৈলী, ঢোল, পেঁপা, তালৰ বাদ্য আৰু গীতৰ সুৰ শুদ্ধ ৰূপত শিকোৱা হ'ব। ইয়াৰ জৰিয়তে নতুন প্ৰজন্মই বিহুক জনা আৰু বুজাত সহায় কৰিব বুলি উল্লেখ কৰি তেওঁ কয়-- এনে মাধ্যমে অসমীয়া জাতীয় জীৱনৰ কৃষি, প্ৰেম আৰু সমাজৰ প্ৰাণৱন্ত ছবি ফুটাই তোলাত সহায় কৰিব। সাংস্কৃতিক সংৰক্ষণ, সামাজিক ঐক্য, যুব শক্তিক প্ৰেৰণা যোগোৱা এনে কৰ্মশালাই বিহুৰ গৌৰৱ উজলাই তোলাত সহায় কৰিব। তেওঁ কয় গোলকীকৰণ, প্ৰযুক্তিৰ এই যুগত অসমীয়া পৰম্পৰাগত বিহুক জীয়াই ৰাখিবলৈকে উঠি অহা প্ৰজন্মক অসমীয়া ভাষা, সংস্কৃতিৰ বিষয়ে জ্ঞান দিয়া প্ৰয়োজন। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰাতুল গোহাঁয়ে আঁতধৰা কৰ্মশালা উদ্বোধনী অনুষ্ঠানত বিশিষ্ট কবি ভাৰতী বৰুৱাই বিহুৰ তাৎপৰ্য ব্যাখ্যা কৰে। তিনি শতাধিক শিক্ষাৰ্থী উপস্থিত থকা এই কৰ্মশালাত বৰবিহুৱা, লোকবাদ্যৰ সাধক জিতেন দাস, বৰবিহুৱতী ৰুবী গগৈ সন্দিকৈ, বিশিষ্ট অনাতাঁৰ শিল্পী ভুৱন গগৈ, বিহুৱা হীৰকজ্যোতি শইকীয়া, বিহুৱা বিতুপন দাসকে প্ৰমুখ্য কৰি ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক মিনাক্ষী দাস বৰুৱা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক মুক্তামণি হাজৰিকা, ডিব্ৰুগড় সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ সহকাৰী আহ্বায়ক যানী সোনোৱাল আৰু অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে। এই আখৰাথলীত ডিব্ৰুগড় সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য জ্যোতিষ কুমাৰ পাতিৰ, হিৰণ্য কৌশিক বৰা, জিতু দাস, দিনেশ দাস, ইফতিকাৰ হুছেইনকে প্ৰমুখ্যে কৰি বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সন্তোষ যাদৱ, ছানাৱাজ আহমেদ, বাপ্প দেৱনাথ, প্ৰশান্ত শইকীয়া, ইন্দ্ৰজিৎ ৰজকসহ অন্যান্য বিষয়ববীয়া, সদস্য আৰু শতাধিক অভিভাৱক উপস্থিত থাকে।

# ডিব্ৰুগড় সাহিত্য সভা আৰু অগ্ৰগামী মহিলা সন্মিলনৰ জয়মতী দিৱস




**ই-সংবাদ, ডিব্ৰুগড়, ৩ এপ্ৰিলঃ** অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ গৈ জীৱনৰ কামনা-বাসনা ত্যাগ কৰি নিৰ্মম নিৰ্যাতন ভুগি অসমীয়া নাৰীৰ আত্মত্যাগৰ উজ্জ্বল দৃষ্টান্ত বিশ্ববাসীৰ আগত প্ৰতিষ্ঠা কৰি যোৱা জয়মতী কুঁৱৰী হ'ল দ্বিতীয় তথা আধুনিক সীতা। ৰামায়ণৰ সীতাই যেনেকৈ নিজ সন্তান লৱ-কুশক আনৰ হাতত এৰি অন্যায়ৰ বিৰুদ্ধে গৈ দেহত্যাগ কৰিছিল, একেদৰে জয়মতীৰ স্বদেশপ্ৰেম পৃথিৱীত বিৰল। দেশ-জাতিৰ বাবে সন্তান আৰু স্বামীক এৰি জীৱন ত্যাগ কৰিছিল। এইগৰাকী মহিয়সী নাৰীয়ে প্ৰতিগৰাকী নাৰীৰ সাহসৰ প্ৰতীক হৈ জিলিকি থাকিব। এগৰাকী নাৰীয়ে নিজৰ দেহ-মনৰ যি বিশ্বাস, সেই বিশ্বাসৰ জৰিয়তে যে সকলো কৰিব পাৰে, তাক প্ৰতিপন্ন কৰি গৈছে জয়মতী কুঁৱৰীয়ে। ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাৰ মহিলা অনুষ্ঠান আকাশ উপ-সমিতি আৰু ডিব্ৰুগড়ৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান অগ্ৰগামী মহিলা সন্মিলন, ডিব্ৰুগড়ৰ উদ্যোগত দুদিনীয়াকৈ অনুষ্ঠিত কৰা মহীয়সী নাৰী জয়মতী স্মৃতি দিৱসৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট লেখিকা তথা চাবুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জুনু মহন্তই এনেদৰে কয়। তেওঁ লগতে মহীয়সী নাৰীগৰাকীৰ ত্যাগ, সাহসিকতাক জীয়াই ৰাখিবৰ বাবে অসমৰ ভিন্ন প্ৰান্তত প্ৰতিবছৰে আয়োজিত কৰা জয়া স্মৃতি দিৱস পালনে প্ৰতিগৰাকী নাৰীৰ মাজত নিজ মনোবল, সাহস আৰু স্বদেশপ্ৰেম সহ স্বামীপ্ৰেম অধিক সুদৃঢ় কৰে বুলি কৈ জয়মতী কুঁৱৰীৰ জীৱন সন্দৰ্ভত দীঘলীয়া বক্তৃতা প্ৰদান কৰে। অগ্ৰগামী মহিলা সন্মিলনৰ সম্পাদিকা জোনালী খাউণ্ডে আঁতধৰা অনুষ্ঠানত সভাপতিত্ব কৰে আৰাধনা দত্তই। ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁইয়ে বন্তি প্ৰজ্বলন তথা ডিব্ৰুগড় সাহিত্য সভাৰ বিষয়ববীয়াসকলে চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ কৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে আকাশ উপ-সমিতিৰ আহ্বায়িকা ভাৰতী বৰুৱা দুৱৰাই। অগ্ৰগামীৰ কাৰ্যকৰী সভানেত্ৰী ৰেণু ফুকনে আদৰণি ভাষণ প্ৰদান কৰা পাছতে আৰাধনা দত্তৰ ৰচনা আৰু সুৰাৰোপত জয়মতী মালিতা শীৰ্ষক মনোগ্ৰাহী অনুষ্ঠান পৰিৱেশন কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° ভাৰতী দত্তই চমু ভাষণ প্ৰসংগত মহীয়সী নাৰী গৰাকীৰ জীৱন ত্যাগৰ যি বাণী, সেই বাণীক বিকৃতকৰণ নকৰিবলৈ আহ্বান জনাই জয়মতী কেৱল ছশ বছৰৰ আহোম ৰাজশাসনৰ এগৰাকী আত্মবলিদান দিয়া নাৰীয়েই নহয়, প্ৰতিগৰাকী নাৰীৰ বাবে অন্যায়ৰ বিৰুদ্ধে এক শক্তিশালী প্ৰতিবাদী শক্তি জাগৰণৰ উৎস বুলি কয়। আনহাতে, অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্য্যালয়ৰ প্ৰাক্তন সম্পাদক, বিশিষ্ট লেখিকা তথা ডিব্ৰুগড় মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° প্ৰাতহলতা বুঢ়াগোহাঁইয়ে এটা কবিতা পাঠ কৰা লগতে ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি বিশিষ্ট সাংবাদিক যাদৱ গগৈ আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত আবৃত্তিকাৰ বিতুমণি ফুকন, অৰ্পণা ফুকন দাস, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° ফৰিদা আহমেদ আৰু চন্দ্ৰমা কাকতিয়ে জয়মতী কোঁৱৰী জীৱন ভিত্তিত ৰচিত একোটিকৈ কবিতা আবৃত্তি কৰে। আনহাতে ভাৰতী বৰুৱা দুৱৰাই আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানত নৃত্যাংগন কলাকেন্দ্ৰৰ অধ্যক্ষা তথা বিশিষ্ট নৃত্য প্ৰশিক্ষক ৰুবী গগৈ সন্দিকৈ পৰিচালনাত লুইতৰে পানী যাবি অ' বৈ শীৰ্ষক গীতত শিক্ষাৰ্থীসকলে নৃত্য পৰিৱেশন কৰাৰ লগতে বনৰীয়া আমি বনৰ চৰাই শীৰ্ষক গীতত মুঠ দুটিকৈ আৰ্কষণীয় নৃত্য পৰিৱেশন আৰু ধৃৰ্তী দুৱৰা আৰু দিচা মেছে বৰ্তমান ৰাজ্যপালৰ সচিব স্বপ্না দত্ত ডেকাৰ ৰচনা আৰু আবৃত্তি তথা ৰুবী গগৈ সন্দিকৈ পৰিচালনাত সুন্দৰ নৃত্য পৰিৱেশন কৰি উপস্থিত শতাধিক লোকক আপ্লুত কৰি তোলে। অনুষ্ঠানত উদীয়মান কণ্ঠশিল্পী ৰতন গগৈয়ে জয়া নাই জয়া নাই শীৰ্ষক গীত পৰিৱেশন আৰু ডিব্ৰুগড় সাহিত্য সভাৰ মহিলা সদস্যা আৰু শুভাকাংক্ষীসকলৰ দ্বাৰা জয়মতীৰ আত্মাৰ উক্তি শীৰ্ষক এক কবিতা পাঠ কৰি অনুষ্ঠানটো অধিক মুখৰিত কৰি তোলে। ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক মীনাক্ষী দাস বৰুৱাই শলাগৰ শৰাই আগবঢ়োৱা লগতে জাতীয় সংগীতেৰে সামৰণি মৰা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী উদয়ন্তী হাজৰিকা, সুৰজিতা সন্দিকৈ গগৈ, আকাশ উপ-সমিতিৰ সহকাৰী আহ্বায়িকা যানী সোণোৱাল গোহাঁই, মৌচুমী বৰ্মন, মিনাক্ষী শৰ্মা, বনলতা হাজৰিকা, মল্লিকা দাস, লুকুমনি গগৈ হাজৰিকা, গায়ত্ৰী হাজৰিকা, ৰূপী ফুকন দিহিঙীয়া, ডিব্ৰুগড় লেখিকা সংস্থাৰ সম্পাদক পৰিমালা কোঁৱৰ শইকীয়া, ইভা গন্ধীয়া ফুকন, মানকটা সাহিত্য সভাৰ কোষাধ্যক্ষ তৰুণ জ্যোতি ফুকন, দিপিকা বৰা, নিশামনি বৰুৱা, জুলী দত্তকে প্ৰমুখ্যে কৰি ডিব্ৰুগড় সাহিত্য সভাৰ বিষয়ববীয়াসকল, অগ্ৰগামী মহিলা সন্মিলনৰ বিষয়ববীয়াসকলৰ লগতে ডিব্ৰুগড়ৰ বিভিন্ন অনুষ্ঠান, সংগঠনৰ বিষয়ববীয়াসহ শতাধিক লোক উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে। উল্লেখ্য, যোৱা ২৭ মাৰ্চত ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত জয়মতীৰ প্ৰতিমূৰ্ত্তিত বন্তি প্ৰজ্বলনৰ লগতে গীত-কবিতাৰে প্ৰথম দিনাৰ কাৰ্যসূচী অনুষ্ঠিত হৈছিল।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# বিশুদ্ধ খোৱাপানী বিচাৰি প্ৰতিবাদ শিৱসাগৰৰ নতুন লোণপুৰীয়া গাঁৱত

**ই-সংবাদ, গেলেকী, ৩ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচনত বিশেষ এখন গাঁৱত বিপাঙত পৰিব পাৰে শাসক-বিৰোধী। এখন গাঁৱৰ ৰাইজে লৈছে এইবাৰ এক বিশেষ সিদ্ধান্ত। বিশুদ্ধ খোৱাপানীৰ সু-ব্যৱস্থা নকৰিলে ভোট বিচাৰি নাহিবলৈ জনপ্ৰতিনিধিক হুংকাৰ দিছে ৰাইজে। শিৱসাগৰ জিলাৰ বৰ্তমান নাজিৰা সমষ্টিৰ অন্তৰ্গত নামতি দ'ল গাঁও পঞ্চায়তৰ অন্তৰ্গত দুলীয়া-নতুন লোণপুৰীয়া পানী যোগান আঁচনিখনৰ সন্দৰ্ভত ৰাইজৰ ক্ষোভ দেখিবলৈ পোৱা গৈছে। এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে এতিয়া হাহাকাৰ কৰিছে এই পানীযোগান আঁচনিখনৰ একাংশ ৰাইজে। গতিকে সমাগত পঞ্চায়ত নিৰ্বাচন বৰ্জনৰ হুংকাৰৰ লগতে ৰাজনৈতিক নেতাৰ প্ৰৱেশত বাধা দিয়াৰ হুংকাৰ প্ৰদান কৰিছে এই অঞ্চলৰ ৰাইজে। এটুপি বিশুদ্ধ খোৱাপানীৰপৰা বছৰ বছৰ ধৰি বঞ্চিত পঞ্চায়তখনৰ ৮ নং ৱাৰ্ডৰ ৰাইজ। লেতেৰা আৰু অপৰিষ্কাৰ পানী খাই এই অঞ্চলৰ লোক আৰু শিশু বেমাৰত পৰা বুলি অভিযোগ কৰিছে স্থানীয় একাংশ ৰাইজে। এই বিষয়ে বহুবাৰ বিভাগক এই অঞ্চলৰ ৰাইজে ফোনৰ যোগেৰে লগতে লিখিতভাৱে জনাই আহিছে যদিও বিভাগৰ ফালৰপৰা বিশেষ কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে এই সমস্যা সমস্যা হৈ থাকি



গৈছে। আজি উপায়বিহীন হৈ স্থানীয় একাংশ মহিলা আৰু পুৰুষে পানীযোগান আঁচনিটোৰ সন্মুখত মুখ্যমন্ত্ৰী মুৰ্দাবাদ, প্ৰদীপ হাজৰিকা গ' বেক, জনস্বাস্থ্য কাৰিকৰী বিভাগ হায় হায় ইত্যাদি শ্লʼগান দি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। লগতে স্থানীয় ৰাইজ ক্ষুব্ধ হৈ তলা ওলমাই দিয়ে পানী যোগান আঁচনিখনত। যেতিয়ালৈকে বিভাগৰ কতৃপক্ষ আহি এই সমস্যাটো স্থায়ীভাৱে সমাধান কৰি নিদিয়ে তেতিয়ালৈকে তলা বন্ধ থাকিব বুলি জনালে ৰাইজে। পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে খোৱা পানী সমস্যাৰ সমাধান নকৰিলে নিৰ্বাচন বৰ্জন কৰাৰ লগতে জনপ্ৰতিনিধি এই অঞ্চলত প্ৰৱেশত বাধা দিয়াৰ হুংকাৰ নতুন লোণপূৰীয়া গাঁওৰ ৰাইজৰ । ৰাজ্যৰ মূখ্যমন্ত্ৰী ড০ হিমান্ত বিশ্ব শৰ্মাই যিমানেই উন্নতিৰ কথা নকওক কিয় আজিৰ তাৰিখতো একেখন ৰাজ্যৰে একেখন শাসনাধিষ্ট চৰকাৰৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ এটা ঐতিহাসিক সমষ্টিৰ ৰাইজে এনেদৰে এটুপি বিশুদ্ধ খোৱা পানীৰ বাবে হাহাকাৰ কৰিব লগীয়া বিষয়টোৱে বিশেষ তাৎপৰ্য বহন কৰিছে ।

## পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে বহু আঁচনিৰ কাম আৰম্ভ ভবেন্দ্ৰৰ

**ই-সংবাদ, পশ্চিম যোৰহাট, ৩ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ আগমুহূৰ্তত দেৰগাঁও সমষ্টিৰ পশ্চিম যোৰহাট অঞ্চলৰ চকলাটিং ১ নং আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ নতুন গৃহটোৰ দ্বাৰ মুকলি কৰাৰ লগতে অসম দৰ্শন আঁচনিৰ অধীনত ধৰ্মীয় অনুষ্ঠান আৰু বিধায়ক এলেকাৰ উন্নয়ন পুঁজিৰে নিৰ্মাণ কৰিবলগীয়া বহুকেইটা আঁচনিৰ শুভাৰম্ভ কৰে বিধায়ক ভবেন্দ্ৰনাথ ভৰালীৰ হৈ সৌৰভপ্ৰাণ বৰা, ৰাজেন কোঁৱৰ, প্ৰকাশ চন্দ্ৰ বৰা আৰু মনোৰঞ্জন গগৈয়ে। অসম দৰ্শন আঁচনিৰ অধীনত সৰুচৰাই মছজিদ, পৰ্বতীয়া ঠাকুৰবাৰী মন্দিৰ, ৪০ নং দক্ষিণ সৰুচৰাই কৃষ্টি বিকাশ কেন্দ্ৰৰ নামঘৰ, মালৌআলি গোবিন্দ নগৰ নৱোদয় নামঘৰ, ওপৰ কাৰেং নামঘৰলৈ ডেৰ লাখকৈ টকা আৱন্টন হৈছে। বিধায়ক এলেকা উন্নয়ন পুঁজিৰ দ্বাৰা নিৰ্মাণ কৰিব বহতীয়া গাঁৱৰ কাঞ্চন পথ, ৰ'দালি পথ, নপমুৱাৰ কঁঠাগুৰি পথ, বৰ আহোম গাঁৱৰ হৰকান্ত বৰুৱা পথ, মেলেঙিয়াল গাঁৱৰ দেওঘৰ, তিলিকিআমৰ ইটাখুলি পথ, সমন্বয় পথ, পুলিবৰৰ তামুলীচুক হৰি মন্দিৰলৈ যাতায়াত কৰা পথ, উদয় নগৰ পথ, দক্ষিণ সৰ্বাইবন্ধাৰ মিলিজুলি পথ, জোনালী পথ, চোলাধৰাৰ মাণিকপুৰ পথ আৰু জাগৃতি পথ। তদুপৰি, পহিলা এপ্ৰিলত মʼহবন্ধা বাগান পাইপলাইন পথ, জগন্নাথ কমিউনিটি হল, চামগুৰি দেওবৰীয়া বজাৰৰপৰা ভালুকমৰা-গটঙা পথ, মণিকাঞ্চন শংকৰদেৱ সংঘৰ নামঘৰ, চাংচোৱা তুড়ী লাইনৰপৰা খেলমাটি সংযোগী পথ, ৰবিকিৰণ নামঘৰ, পুৰণি লাইন নামঘৰ, চাংচোৱা উৰিয়া নামঘৰ, চকলাটিং চাহ বাগিচাৰপৰা দুৰ্গা মন্দিৰ সংযোগী পথ আৰু নেঘেৰাটিং কালি মন্দিৰৰপৰা জুৰবাৰী সংযোগী পথ নিৰ্মাণৰ শুভাৰম্ভ কৰে বিধায়ক ভবেন্দ্ৰনাথ ভৰালীয়ে। এই উদ্দেশ্যে আয়োজিত সভাবোৰত অগপ, বিজেপিৰ বিষয়ববীয়া-কৰ্মীসকলৰ লগতে স্থানীয় লোকসকল উপস্থিত থাকে।

## চাবুৱাত খাৰুৱা তেলৰ বৃহৎ চোৰাং বেহা উৎখাত

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৩ এপ্ৰিলঃ** বৃহত্তৰ চাবুৱা অঞ্চলত অব্যাহত থকা খাৰুৱা তেলৰ ৰমৰমীয়া চোৰাং ব্যৱসায়ৰ তথ্য পোহৰলৈ আহিছে। কিছু অসাধু ব্যৱসায়ীয়ে এনে অপৰাধজনিত কামত জড়িত হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰো বিৰাজ কৰিছে। এপ্ৰিলৰ পহিলাত বিষ্কাকটা আৰক্ষী চকীৰ অন্তৰ্গত বালিজান পুখুৰীজানত চাহ বাগিচাৰ অন্তঃভাগত শ শ লিটাৰৰ খাৰুৱা তেল অবৈধভাৱে উলিয়াই নিয়া ঘটনা ধৰা পেলাবলৈ সক্ষম হৈছে অইল ইণ্ডিয়া লিমিটেডৰ নিৰাপত্তাৰক্ষী। চাবুৱাৰ পুখুৰীজানত বৃহৎ পৰিমাণৰ খাৰুৱা তেল পাইপৰপৰা চুৰি কৰাৰ তথ্যৰ ভিত্তিত অভিযান চলাই চোৰে বিশেষ পদ্ধতিৰে অইলৰ পাইপৰপৰা ফুটা কৰি তেল চুৰি কাৰ্যত ব্যৱহাৰ কৰা প্ৰায় ৩০০ মিটাৰ পাইপ উদ্ধাৰ কৰিছে অইল নিৰাপত্তাৰক্ষীয়ে। তদুপৰি প্ৰায় ২৫০০ লিটাৰ কণ্ডেনছেট তেল জব্দ কৰিবলৈ সক্ষম হয় অইল নিৰাপত্তাৰক্ষী। উল্লেখযোগ্য যে আজি কিছুদিন পূৰ্বে চাবুৱাৰ বগৰীতলীয়াত চাবুৱা আৰক্ষীয়ে প্ৰায় ১৮০০ শ লিটাৰ চোৰাং তেল জব্দ কৰিছিল। অৱশ্যে ইয়াৰ লগত জড়িত কোনো ব্যক্তিকে অইল নিৰাপত্তাৰক্ষী নতুবা আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই।

# দ্বিতীয় মাজুলী মহাবিদ্যালয় গ্ৰন্থমেলাৰ আনুষ্ঠানিকভাৱে কাৰ্যসূচী মুকলি

**ই-সংবাদ, মধ্য মাজুলী, ৩ এপ্ৰিলঃ** মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত অহা ৭ এপ্ৰিলৰ পৰা ১০ এপ্ৰিললৈ চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব দ্বিতীয় মাজুলী মহাবিদ্যালয় গ্ৰন্থমেলা। মহাবিদ্যালয় প্ৰাংগণত হ'বলগীয়া গ্ৰন্থমেলাখনিত অসমৰ কেইবাটাও আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে অংশগ্ৰহণ কৰিব। এই উপলক্ষে আজি মহাবিদ্যালয়ৰ অধ্যক্ষৰ কক্ষত গ্ৰন্থমেলাৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই মাজুলীৰ মহাবিদ্যালয় পৰ্যায়ত আৰম্ভ হোৱা প্ৰথমখন গ্ৰন্থমেলাত সকলোৰে সহযোগিতা আৰু দিহা-পৰামৰ্শ কামনা কৰে। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকা, নৰেন চন্দ্ৰ ঠাকুৰীয়া, ভোলা বৰা আৰু ডঃ আনন্দ হাজৰিকাই গ্ৰন্থমেলাখনৰ সামগ্ৰিক অগ্ৰগতিৰ বুজ লোৱাৰ লগতে সফলতাৰ কামনা কৰে। গ্ৰন্থমেলাৰ সমন্বয়ক প্ৰদীপ দাসে কাৰ্যসূচীখন পাঠ কৰে। কাৰ্যসূচী অনুসৰি ৭ এপ্ৰিলৰ পুৱা ৯.৪৫ বজাত গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বালন কৰিব উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ পদ্মশ্ৰী গোপীৰাম বৰা বৰগায়ন বুঢ়াভকতে। গ্ৰন্থমেলাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে। অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিতব্য উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ নিৰোদ বৰুৱা, মাজুলীৰ মহাবিদ্যালয়সমূহৰ অধ্যক্ষ ক্ৰমে ডঃ নৰ কুমাৰ পেগু, ডঃ জাহ্নৱী লহকৰ বৰুৱা, ডঃ নৰ কুমাৰ গাম, দীপক বৰা, অৰূপজ্যোতি শইকীয়া আৰু মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱা। সেইদিনাই বিয়লি ১ বজাত মাজুলী জিলা সাংবাদিক সন্থাৰ দ্বাৰা সাংবাদিক সন্মিলন আৰু বিয়লি ৪ বজাৰপৰা লেখক-পাঠকৰ আড্ডা শীৰ্ষক এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হ'ব। মাজুলী মহাবিদ্যালয় প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক সুৰেন্দ্ৰ নাথ মুদৈয়ে সঞ্চালনা কৰিবলগীয়া এই অনুষ্ঠানত যুৱ লেখক ক্ৰমে জয়ন্ত হাজৰিকা, উৎপল বৰা, কুশদীপ হাটীমতা, ভৱানন্দ হাজৰিকা, পম্পী হাজৰিকা আৰু কুঁকি কল্পিতা বৰাই অংশগ্ৰহণ কৰিব। গ্ৰন্থমেলাৰ দ্বিতীয় দিনা পুৱা ৯.৪৫ বজাত প্ৰাক্-প্ৰাথমিকৰপৰা পঞ্চম শ্ৰেণীলৈ দুটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১১ বজাৰ পৰা অসমীয়া শিশু সাহিত্যঃ বৰ্তমান আৰু ভৱিষ্যত শীৰ্ষক এক আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। সাহিত্যিক গুণমণি নাথে উদ্বোধন কৰিবলগীয়া আলোচনা-চক্ৰত ভাগ ল'ব 'মৌচাক'ৰ সহকাৰী সম্পাদক জগত বৰা, বিশিষ্ট ঔপন্যাসিক আকাশ দীপ্ত ঠাকুৰ আৰু যুৱ লেখিকা মুনমী দত্ত হাজৰিকাই। সেইদিনাই বিয়লি ২ বজাৰপৰা মাজুলী লেখিকা সমাৰোহৰ দ্বাৰা লেখিকা সমাৰোহ আৰু বিয়লি ৪ বজাৰপৰসাংস্কৃতিক অনুষ্ঠান। গ্ৰন্থমেলাৰ তৃতীয় দিনা পুৱা ৯.৪৫ বজাৰপৰা প্ৰাক্-প্ৰাথমিকৰপৰা পঞ্চমা শ্ৰেণীলৈ দুটা শাখাত সাধুকোৱা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দিনৰ এক বজাৰপৰা ক'ভিড পৰৱৰ্তীকালীন অসমীয়া কাকত-আলোচনীঃ প্ৰত্যাহবান আৰু প্ৰত্যাশা শীৰ্ষক আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। অধ্যাপক নৰ দাসে উদ্বোধন কৰিবলগীয়া আলোচনা-চক্ৰত শিক্ষাবিদ দিলীপ কুমাৰ ফুকন, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক কিশোৰী মোহন ভট্টাচাৰ্য তথা দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ডঃ মৌচুমী বৰুৱাই অংশ ল'ব। ইয়াৰ পাছতেই বিয়লি দুই বজাৰপৰা মাজুলী জিলা সাহিত্য সভাৰ দ্বাৰা সাহিত্য সন্মিলন অনুষ্ঠিত হ'ব। গ্ৰন্থমেলাৰ চতুৰ্থ তথা অন্তিম দিনা পুৱা ৯.৪৫ বজাত ষষ্ঠ শ্ৰেণীৰপৰা স্নাতক পৰ্যায়লৈকে দুটা শাখাত মোৰ প্ৰিয় গ্ৰন্থ শীৰ্ষক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দিনৰ ১১ বজাৰপৰা মাজুলী জিলা কবি সন্মিলনৰ দ্বাৰা কবি সমাৰোহ অনুষ্ঠিত হ'ব। আনহাতে, বিয়লি দুই বজাত বিহু আদৰণী আৰু বঁটা বিতৰণেৰে গ্ৰন্থমেলাৰ সামৰণি পৰিব। সামৰণি অনুষ্ঠানত মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, আৰক্ষী অধীক্ষক বিবেকানন্দ দাস, অৱসৰী অধ্যাপক কোষেশ্বৰ হাজৰিকা, সদৌ অসম কলেজ শিক্ষক সংস্থা, মাজুলী মণ্ডলৰ সভাপতি প্ৰশান্ত ভৰালী, মাজুলী মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি ডঃ ৰাজেন চন্দ্ৰ বৰা, মাজুলী জিলা সাংবাদিক সংস্থাৰ সভাপতি দিবাকৰ শইকীয়া, আপকু মাজুলীৰ সভাপতি ৰঞ্জন বৰা আৰু মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সভাপতি মণিকা মহন্ত গোস্বামী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। গ্ৰন্থমেলাৰ আটাইকেইটা দিনৰ সকলো কাৰ্যসূচীতে গ্ৰন্থপ্ৰেমী ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

# জাগী ভকতগাঁৱত বিহুনাচ আৰু বিহুবাদ্যৰ আখৰা

**ই-সংবাদ, জাগীৰোড, ৩ এপ্ৰিলঃ** বাপতিসাহোন ৰঙালী বিহুলৈ মাজত মাথোঁ কিছুদিন বাকী। ৰঙালীক আদৰিবলৈ ৰাজ্যৰ প্ৰান্তে-প্ৰান্তে অনুষ্ঠিত হোৱা বিহু কৰ্মশালাৰ সমান্তৰালভাৱে সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত জাগী ভকতগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগতো জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আজিৰেপৰা ১০ দিনিয়াকৈ বিহুনাচ আৰু বাদ্যৰ আখৰা অনুষ্ঠিত হৈছে। উক্ত আখৰা আজি উদ্বোধন কৰে মৰিগাঁও জিলাৰ সাংস্কৃতিক উন্নয়ন বিষয়া অংশুমান দত্তই। অনুষ্ঠানত অংশগ্ৰহণ কৰি শুভেচ্ছামূলক বক্তব্য আগবঢ়াই মায়ং শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া লেখামণি হীৰাই। অনুষ্ঠানত সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অংকুৰ ডেকা আৰু সুমিত ভাগৱতী, সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শিৱ দাস, সহকাৰী সম্পাদক হীৰক জ্যোতি নাথ, জাগী ভকতগাঁও শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হীৰেন শৰ্মা, কবি-প্ৰকাশক অজিত কুমাৰ ৰায়, কলং-কপিলী শাখা কবি সন্মিলনৰ প্ৰাক্তন সভানেত্ৰী মিনতি দেৱী, জাগী ভকতগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদিকা কৃষ্ণা ডেকা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কৰ্মশালাত প্ৰশিক্ষক হিচাপে বিশ্বজ্যোতি চেতীয়া, মালা ডেকা আৰু জয়াৰাণী ডেকাই অংশগ্ৰহণ কৰে। কৰ্মশালাত অংশ লোৱা দুই শতাধিক ছাত্ৰ-ছাত্ৰীক লৈ ২ বহাগত জাগী ভকতগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বহাগ বিহু উদযাপন কৰিব বুলি আয়োজকে জানিবলৈ দিয়ে।

# ডিব্ৰুগড় জিলাৰ ২৩ গৰাকী হজযাত্ৰীক প্ৰশিক্ষণ

**ই-সংবাদ, ডিব্ৰুগড়, ৩ এপ্ৰিলঃ** এইবাৰ ডিব্ৰুগড়ৰ পৰা ২৩ গৰাকী হজযাত্ৰী পবিত্ৰ মক্কা-মদিনালৈ হজব্ৰত কৰিবলৈ যাব। মুঠ ২৩ গৰাকী হজযাত্ৰীৰ ভিতৰত ১৪ গৰাকী পুৰুষ আৰু ৯ গৰাকী মহিলাই আজি প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। গ্ৰাহাম বজাৰত থকা ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহ ময়দান প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত ডিব্ৰুগড় জিলা হজ কমিটীৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত অনুষ্ঠিত হজ যাত্ৰীসকলক প্ৰশিক্ষণ দিয়ে আলহজ্ব চৈয়দ পাৰভেজ মুন্নাফৰ ৰহমান, আলহজ্ব চিদ্দিকুৰ ৰহমান আৰু আলহজ্ব শেখ চামিৰুল হকে। এইবছৰ অসমৰ পৰা মুঠ ২৭৭৫ গৰাকী হজযাত্ৰী মক্কা-মদিনালৈ এপ্ৰিলৰ শেষত বা মে' মাহৰ দুই তাৰিখৰপৰা গুৱাহাটীৰ পৰা পোনে পোনে হজযাত্ৰীসকল জিদ্দা বা মদিনালৈ যাব পাৰিব বুলি অসম হজ কমিটীৰ অধ্যক্ষ আলহজ নেকিবুজামানে জানিবলৈ দিয়ে।

# নগাঁৱত বুজন পৰিমাণৰ ড্ৰাগছসহ আটক সৰবৰাহকাৰী

**ই-সংবাদ, বেৰেজীয়া, ৩ এপ্ৰিলঃ** নগাঁও জিলাত শেহতীয়াভাৱে আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ লৈ বৃদ্ধি পাব ধৰিছে নিষিদ্ধ ড্ৰাগছৰ বেহা। অসাধু চক্ৰই সৱল নেটৱৰ্ক গঠনেৰে সম্প্ৰসাৰিত কৰিছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। ঘাইকৈ জিলাখনৰ উত্তৰ-পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলবোৰত ইয়াৰ বেহা অধিক বৃদ্ধি পাব ধৰিছে। ইয়াৰ মাজতে বুধবাৰে নিশা জিলাখনৰ উত্তৰ-পশ্চিম প্ৰান্তৰ ধিং বড়ি চাপৰিত বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছসহ এটা কুখ্যাত সৰবৰাহকাৰী কৰায়ত্ত হোৱা ঘটনাই ৰাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আচলতে, এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত জুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰজ্ঞান গগৈৰ নেতৃত্বত আৰক্ষীৰ দলে সুঁতিৰপাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দিপ্তীৰেখাৰ সহযোগত চলাইছিল এই সফল অভিযান। অভিযানত আৰক্ষীয়ে ধিং বড়ি চাপৰিৰ চাদিকুল ইছলাম নামৰ কুখ্যাত সৰবৰাহকাৰীটোক আটক কৰাৰ লগতে বিক্ৰীৰ বাবে মজুত কৰি ৰখা ১১.৩২ গ্ৰাম ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয় । দীৰ্ঘদিনৰে পৰা ধৃত সৰবৰাহকাৰীটোৱে আৰক্ষীৰ চকুত ধূলি দি গোপনে নিষিদ্ধ ড্ৰাগছৰ বেহা চলাই আহিছিল বুলি জানিব পৰা গৈছে।

# হোজাইত অস্ত্ৰ-শস্ত্ৰ জমা দিয়াৰ নিৰ্দেশ

**ই-সংবাদ, মোৰাঝাৰ, ৩ এপ্ৰিলঃ** ৰাজ্যিক নিৰ্বাচন আয়োগে vide notification no. SEC.63/2022/125, dated 2nd April, 2025 যোগে নিৰ্বাচনী অধিসূচনাত সময়ছোৱাত অস্ত্ৰ ৰখাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিবলৈ জিলা দণ্ডাধীশক নিৰ্দেশ দিছে। হোজাই জিলাত অস্ত্ৰ অনুজ্ঞাপত্ৰধাৰী(সকল)ক নিজৰ নিজৰ আৰক্ষী থানাত অস্ত্ৰ জমা কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এইদৰে জমা কৰা অস্ত্ৰসমূহ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পিছত সংশ্লিষ্ট আৰক্ষী থানাই অনুজ্ঞাপত্ৰধাৰীসকলক ঘূৰাই ঘূৰাই দিব। তদুপৰি, কোনো অনুজ্ঞাপত্ৰধাৰীয়ে আদেশ অমান্য কৰিলে অনুজ্ঞাপত্ৰ বাতিলকে ধৰি অস্ত্ৰ আইন, ১৯৫৯ ৰ বিধানৰ অধীনত আইনী ব্যৱস্থা গ্ৰহণৰ বাবে দায়বদ্ধ হ'ব। হোজাই তথ্য আৰু জনসংযোগ বিভাগে সদৰী কৰা মতে, এই আদেশ তৎকালীনভাৱে কাৰ্যকৰী হ'ব।

# টিপকাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ত লেবৰটৰী মুকলি প্ৰমোদ বড়োৰ

**ই-সংবাদ, পৰ্বতঝোৰা, ৩ এপ্ৰিলঃ** সমগ্ৰ ৰাজ্যতে পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন দাখিলৰ দিন ঘোষণা হোৱাৰ সমান্তৰালকৈ বিটিআৰ চীফ প্ৰমোদ বড়োই ভালেকেইখন উন্নয়নমূলক আঁচনি মুকলিৰ উদ্দেশ্যে পৰ্বতঝোৰা পৰিষদীয় সমষ্টিত নিজৰ খুটি পুতিবলৈ আৰম্ভ কৰিছে। প্ৰমোদ বড়োই টিপকাই ছিনিয়ৰ ছেকেণ্ডাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কোটি টকীয়া Space Laboratory ৰ এটা শ্ৰেণী কোঠা আজি দুপৰীয়া ১১ টা মান বজাত ফিটা কাটি মুকলি কৰে। আনহাতে, বিদ্যালয়খনত আন্তঃগাঁথনিৰ বাবে কেবাকোটি টকা আবণ্টন দিব বুলিও বিদ্যালয়ৰ অধ্যক্ষগৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়ে। আজিৰ কাৰ্যসূচীত বিটিআৰৰ চীফগৰাকীক সংগ দিয়ে শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য উইলচন হাছদা, ইউ পি পি এল দলৰ জিলা সভাপতি প্ৰসেন কুমাৰ ব্ৰহ্ম, সাধাৰণ সম্পাদক ছেলিম আহমেদ খান, জৱাহৰলাল ব্ৰহ্মকে আদি কৰি ভালেসংখ্যক গণ্য মান্য ব্যক্তিয়ে। ইপিনে, প্ৰদেশিকীকৰণ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত বিটিআৰ চীফ প্ৰমোদ বড়োই বিভাগীয় কৰ্তৃপক্ষই যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিছে বুলি জানিবলৈ দিয়ে।

# ভাৰেগাঁৱত ৰাষ্ট্ৰীয় শ্বহীদ দিলীপ কুমাৰ দাসৰ চতুৰ্থ মৃত্যু বাৰ্ষিকী

**ই-সংবাদ, ভৱানীপুৰ, ৩ এপ্ৰিলঃ** ২০২১ চনৰ ৩ এপ্ৰিলত চত্তিশগড় জিলাৰ বীজাপুৰৰ ঘন অৰণ্যত মাওবাদীৰে যুঁজি সন্মুখ সমৰত নিহত চি আৰ পি এফ অৰ্থাৎ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ২১০ নং ক'ব্ৰা বেটেলিয়নৰ পৰিদৰ্শক সৰুপেটাৰ সমীপৰ ভাৰেগাঁৱৰ বাসিন্দা, ৰাষ্ট্ৰীয় শ্বহীদ দিলীপ কুমাৰ দাসৰ চতুৰ্থ মৃত্যু বাৰ্ষিকী আজি শ্বহীদগৰাকীৰ নিজ গৃহত এক শোকাকুল পৰিৱেশত অনুষ্ঠিত হয়। স্থানীয় ভালেসংখ্যক লোকৰ উপস্থিতিত সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে অনুষ্ঠিত আজিৰ এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ভাগৱত পাঠ আৰুনাম প্ৰসংগ অনুষ্ঠিত হয়। আনহাতে, আজি চি আৰ পি এফৰ সহকাৰী অধিনায়ক আশুতোষ সিং নিকুম্ভ, পৰিদৰ্শক মোয়েংগাৰ আৰু হেড কনিষ্টবল বনমালী শইকীয়াৰ নেতৃত্বত অহা চি আৰ পি এফৰ দলগাঁৱৰ ২১০ নং ক'ব্ৰা বেটেলিয়ন, হাউলীৰ দশম বেটেলিয়ন আৰু পাটাছাৰকুছিৰ চিআৰপিএফৰ বিষয়া আৰু জোৱানসকলে ৰাষ্ট্ৰীয় শ্বহীদগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত সামৰিক কায়দাৰে শ্ৰদ্ধা জ্ঞাপন কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# ছিপাঝাৰত আলাপ আলোচনাৰে পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হ'ব মিত্ৰজোঁট



**ই-সংবাদ, পশ্চিম দৰং, ৩ এপ্ৰিলঃ** ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনৰ দিন-তাৰিখ ঘোষণা হোৱাৰ পিছত এতিয়া ৰাজনৈতিক দলসমূহৰ মাজত আৰম্ভ হৈছে প্ৰাৰ্থিত্বক লৈ তৎপৰতা। অন্যান্য ঠাইৰ লগতে দৰঙৰ ছিপাঝাৰ সমষ্টিটোতো একে সময়তে আৰম্ভ হৈছে দলীয় নেতা-কৰ্মীৰ মাজত পঞ্চায়ত নিৰ্বাচনৰ কচৰৎ। ইতিমধ্যে বিজেপি মিত্ৰজোঁটে সমিলমিলেৰে পঞ্চায়ত নিৰ্বাচন খেলাটো খাটাং হৈ পৰাৰ পাছত মিত্ৰজোঁটত আৰম্ভ হৈছে প্ৰাৰ্থিত্বৰ কুচ-কাৱাজ। নক'লেও হ'ব যে ৪৯ নং ছিপাঝাৰ বিধানসভা সমষ্টিত অগপৰ প্ৰতিষ্ঠাপক নেতা তথা চাৰিবাৰৰ ছিপাঝাৰৰ প্ৰতিনিধি, প্ৰাক্তন মন্ত্ৰী ড০ জয়নাথ শৰ্মাৰ নেতৃত্বত অগপই পুনৰ প্ৰাণ পাই উঠাত দলীয় কৰ্মীসকল পঞ্চায়ত নিৰ্বাচনক লৈ আশাবাদী হৈ উৎসাহিত হৈ পৰিছে। এই প্ৰতিবেদকে ড০ জয়নাথ শৰ্মাক পঞ্চায়ত নিৰ্বাচনত কি দৰে অৱতীৰ্ণ হ'ব বুলি জানিব খোজাত নেতাগৰাকীয়ে কয় য়ে ইতিমধ্যে মিত্ৰজোঁটে পঞ্চায়ত নিৰ্বাচনত আলাপ-আলোচনা, সমিলমিলেৰে খেলোৱাটো নিশ্চিত হোৱাৰ পিছত এইলৈ মিত্ৰজোঁটৰ মাজত আলাপ-আলোচনা কৰি সমিলমিলৰে পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি মন্তব্য কৰে। অগপ নেতাগৰাকীক ছিপাঝাৰৰ চাৰি জিলা পৰিষদ সমষ্টিত কেইখন আসন বিচাৰিব বুলি জানিবলৈ বিচৰাত তেওঁ কৌশলীভাৱে কয় যে এইবোৰ সকলো মিত্ৰজোঁটৰ মাজত হ'বলগীয়া আলোচনাত সিদ্ধান্ত লোৱা হ'ব। এতিয়াই ইয়াক ক'ব নোৱাৰি বুলি তেওঁ উল্লেখ কৰে। ইফালে অগপৰ ছিপাঝাৰ সমষ্টি কমিটীৰ সভাপতি দুলাল ডেকাৰ পৰা জানিবলৈ বিচৰাত তেওঁ কয় যে ছিপাঝাৰৰ চাৰি জিলা পৰিষদ সমষ্টিৰ দেওমৰনৈ-টেঙাবাৰী আৰু বৰদৌলগুৰি-দুমুনিচকী জিলা পৰিষদ সমষ্টি দুটা অগপই দাবী জনাব বুলি উল্লেখ কৰে। আনহাতে, সমষ্টিটোত আঞ্চলিক সদস্য পদত ১০/১২ আসন অগপই বিচাৰিব বুলি সমষ্টি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

# ৰঙিয়াৰ ৪নং চেপ্তি প্ৰাঃ বিদ্যালয়ৰ ১২৫ বছৰীয়া জয়ন্তী উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, ৰঙিয়া, ৩ এপ্ৰিলঃ** ৰঙিয়াৰ নিকটৱৰ্তী শিশু শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান ৪ নং চেপ্তি প্ৰাথমিক বিদ্যালয়ে এইবেলি ১২৫ বছৰত ভৰি দিলে। এই উদ্দেশ্যে স্থানীয় ৰাইজৰ সহযোগত বিদ্যালয় পৰিচালনা সমিতিয়ে বিদ্যালয়খনৰ ১২৫ বছৰীয়া জয়ন্তী বছৰ জোৰাকৈ উদযাপনৰ প্ৰস্তুতি হাতত লৈছে। স্থানীয় বিধায়ক ভৱেশ কলিতাক সভাপতি, নগেন্দ্ৰ নাথ ডেকাক কাৰ্যকৰী সভাপতি, ভৱেশ ডেকা আৰু পিংগলা চৌধাৰী কলিতাক সম্পাদক হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰা হৈছে। ১৯০১ চনতে স্থাপিত ঐতিহ্যমণ্ডিত বিদ্যালয়খনৰ ১২৫ বছৰীয়া জয়ন্তীৰ অংশ হিচাপে অহা ১৫ এপ্ৰিলত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি সন্মিলনৰ আয়োজন কৰা হৈছে। এই প্ৰীতি সন্মিলনক লৈ বিদ্যালয়খনত দেখা গৈছে এক উখল-মাখল পৰিৱেশ। প্ৰীতি সন্মিলনৰ লগতে ১২৫ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি অনুষ্ঠিত হ'বলগীয়া সকলো কাৰ্যসূচীতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শুভকাংক্ষী ৰাইজৰ সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে উদযাপন সমিতিয়ে।

# উত্তৰ গুৱাহাটী দক্ষিণ লেঙাত বৃহৎ ভূমি জালিয়াতিৰে ভূমি ক্ৰয়-বিক্ৰয়

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৩ এপ্ৰিলঃ** উত্তৰ গুৱাহাটীৰ দক্ষিণ লেঙাত সংঘটিত হৈছে এক বৃহৎ ভূমি জালিয়াতিৰ ঘটনা। প্ৰকৃত ভূমিৰ গৰাকীৰ অজ্ঞাতে জাল চহীৰে কোনো অজ্ঞাত ব্যক্তিয়ে বিক্ৰী কৰে ভূমি। ঘটনা অনুসৰি উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ অধীনৰ দক্ষিণ লেঙা গাঁৱৰ খেৰাজ ম্যাদী ১৪৩ নং পট্টাৰ ২৯১ নং দাগত তিনি কঠা ন লেচা ভূমি উত্তৰাধিকাৰী সূত্ৰে পিতৃ যোগেন চুতীয়াৰ স্থলত অনন্ত শইকীয়াৰ নামত নামজাৰি হৈছিল। অনন্ত শইকীয়া কৰ্মসূত্ৰে বসবাস কৰে গুৱাহাটী মহানগৰীত। অনন্ত শইকীয়াৰ উক্ত ভূমি আছিল মুক্ত অৱস্থাত। কিন্তু ৰহস্যজনকভাৱে উক্ত ভূমিডৰা ২০১৬ চনত খৰিদাৰী সূত্ৰে অনন্ত শইকীয়াৰ স্থলত সুনিতা শৰ্মাৰ (স্বামী গুনজিত দত্ত) নামত নামজাৰী হয়। নামজাৰী হোৱা সময়ত উক্ত গাঁৱৰ লাট মণ্ডল আছিল গিৰিশ মজুমদাৰ। অনন্ত শইকীয়াই তেওঁৰ নিজ নামত থকা ভূমি কেনেদৰে কোনো অজ্ঞাত ব্যক্তিৰ নামত নামজাৰী হ'ল সেই সন্দৰ্ভত উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ আহি কোনো সুফল নাপাই কাষ চাপে কামৰূপৰ বাইহাটা আৰক্ষীৰ। অনন্ত শইকীয়াই সমগ্ৰ ঘটনা সন্দৰ্ভত যোৱা ইংৰাজী ১৯/৩/২০২৫ তাৰিখে লিখিতভাৱে এজাহাৰ দাখিল কৰে সুনিতা শৰ্মা, লাট মণ্ডল গিৰিশ মজুমদাৰ আৰু সমগ্ৰ ঘটনাৰ লগত জড়িত ব্যক্তিসকলৰ বিৰুদ্ধে আৰু নিজেও এই সমগ্ৰ ঘটনাৰ ওপৰত কৰে তদন্ত। অনন্ত শইকীয়াৰ এই তদন্তৰ অন্তত পোহৰলৈ আহে এক ভয়ংকৰ ঘটনা। প্ৰকৃত অনন্ত শইকীয়াৰ অজ্ঞাতে কোনো অজ্ঞাত অনন্ত শইকীয়াই কোনো অজ্ঞাত সুনিতা শৰ্মা নামৰ এগৰাকী মহিলাক উক্ত দাগ আৰু পট্টাৰ ভূমি বিক্ৰী কৰি দিয়ে। উক্ত দাগ আৰু পট্টাৰ পৰিৱৰ্তে কিনা-বেচা কৰা ব্যক্তিসকলৰ ফটো আৰু জাল চহীৰ কথা প্ৰকৃত অনন্ত শইকীয়াই আৰক্ষীক পৰৱৰ্তী সময়ত অৱগত কৰে। কিন্তু ৰহস্যজনকভাৱে বাইহাটা আৰক্ষীয়ে প্ৰায় পোন্ধৰ দিন উকলি যোৱাৰ পাছতো উক্ত ঘটনা সন্দৰ্ভত সদিচ্ছাৰে অনুসন্ধান কৰি এজাহাৰকাৰীৰ এজাহাৰৰ ভিত্তিত পদকীয়সকলৰ ওপৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। যাৰ ফলত ভুক্তভোগী প্ৰকৃত অনন্ত শইকীয়াৰ বিশ্বাস ভংগ হৈছে কামৰূপৰ বাইহাটা আৰক্ষীৰ ওপৰত। মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিতে যদি মুখ্যমন্ত্ৰীৰ স্মাৰ্ট আৰক্ষীয়ে ভুক্তভোগীসকলক ন্যায় প্ৰদানৰ পৰা বিৰত ৰাখে তেনেহ'লে কি হ'ব আন সমষ্টিৰ লোকৰ দশা? পৰৱৰ্তী সময়ত প্ৰকৃত অনন্ত শইকীয়াই উক্ত ঘটনা সন্দৰ্ভত ন্যায় বিচাৰি মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখা আৰু আদালতৰ কাষ চাপিব বুলি জানিব পৰা গৈছে।

# ছিপাঝাৰত দুৰ্নীতি বিৰোধী যুৱ শক্তিৰ অৱস্থান ধৰ্মঘট


**ই-সংবাদ, ছিপাঝাৰ, ৩ এপ্ৰিলঃ** দৰং জিলাৰ ছিপাঝাৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত আজি দুৰ্নীতি বিৰোধী যুৱ শক্তিৰ দৰং জিলা সমিতিয়ে আজি এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৱে কাৰ্যালয় প্ৰাংগণত ৰূপায়ণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত ৰাইজেও সহযোগ কৰে। আঠদফীয়া দাবীৰে সংগঠনটোৱে তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট পালনৰ সময়ছোৱাত বিভিন্ন শ্ল'গানেৰে কাৰ্যালয় প্ৰাংগণ উত্তাল কৰি তোলে। উল্লেখ্য যে, ছিপাঝাৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত পঞ্চায়তসমূহত বিভিন্ন চৰাকৰী আঁচনি ৰূপায়ণৰ নামত দুৰ্নীতি আৰু অনিয়ম সংঘটিত হৈ অহাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে সংগঠনটোৱে। বিশেষকৈ প্ৰধানমন্ত্ৰী আৱাস যোজনা, অৰুণোদয় আঁচনি দিয়াৰ নামত দালালৰাজ চলি থকা বুলিও আনিছে আন এক অভিযোগ। উল্লেখ্য যে, অৰুণোদয় আঁচনি দিয়াৰ নামত মাথোঁ ছিপাঝাৰ উন্নয়ন খণ্ডতে নহয়, সমগ্ৰ জিলাখনতে ব্যাপক অনিয়ম সংঘটিত হৈছিল। যাৰ বাবে জিলাখনত সাংসদ দিলীপ শইকীয়াৰ হস্তক্ষেপত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ তালিকা বাতিল কৰা হয়। উল্লেখ্য যে, হিতাধিকাৰী নিৰ্বাচনৰ বাবে বুথ কমিটীৰ সভাপতিক দায়িত্ব দিয়া হৈছিল যদিও এই প্ৰক্ৰিয়াত জিলাখনৰ প্ৰতিটো পঞ্চায়তত‌ে চূড়ান্ত খেলিমেলি আৰু অনিয়ম সংঘটিত হৈছিল। প্ৰকৃত হিতাধিকাৰীৰ লগতে অনেক দিব্যাংগ লোক বঞ্চিত হৈছিল। একেদৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহ লাভৰ ক্ষেত্ৰতো অনেক প্ৰকৃত হিতাধিকাৰীৰ নাম প্ৰত্যাখ্যান তালিকাত অহাক লৈও উন্নয়ন খণ্ডটোৰ প্ৰতিটো পঞ্চায়তত‌ে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনকি মধ্যভোগীয়ে ইচ্ছাকৃতভাৱে হিতাধিকাৰীৰ নাম কৰ্তন কৰিছে বুলিও ব্যাপক অভিযোগ উত্থাপিত হৈছে। তেনে পৰিপ্ৰেক্ষিতত সংগঠনটোৱে ২০১১ বৰ্ষৰ অৰ্থনৈতিক জৰীপ অনুসৰি প্ৰধান আৱাস যোজনাৰ গৃহ আৰু অৰুণোদয় আঁচনিকে ধৰি চৰকাৰী আঁচনিসমূহ সঠিককৈ ৰূপায়ণ কৰিবলৈ খণ্ড উন্নয়ন বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

# ৰঙিয়াত বিজেপি দলৰ দুখনকৈ দলীয় সভা

**ই-সংবাদ, ৰঙিয়া, ৩ এপ্ৰিলঃ** ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে ৰঙিয়াত সাংগঠনিক ভেটি সুদৃঢ় কৰাত তৎপৰ হৈ পৰিছে শাসকীয় বিজেপি দল। কালি সন্ধিয়াৰ ভাগত ৰঙিয়াৰ তুলসীবাৰী আৰু হাচানটুকত পৃথকে পৃথকে অনুষ্ঠিত হয় দলীয় সভা। সভাত দলটোৰ প্ৰাক্তন ৰাজ্যিক সভাপতি তথা স্থানীয় বিধায়ক ভৱেশ কলিতাই অংশগ্ৰহণ কৰে। অঞ্চলটোৰ ভিন্ন প্ৰান্তৰ পৰা সমবেত দলীয় কৰ্মীসকলক উদ্দেশ্যি ভাষণ ৰাখে বিধায়কগৰাকীয়ে। ভাষণ প্ৰসংগত কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে প্ৰণয়ন কৰা বিভিন্ন উন্নয়নমূলক আঁচনি সন্দৰ্ভত সমবেত ৰাইজক উদ্দেশ্যি বক্তব্য ৰাখে বিধায়ক কলিতাই। সভাৰ অন্তত সংবাদ মাধ্যমক সম্বোধন কৰি বিধায়ক ভৱেশ কলিতাই কয় যে পঞ্চায়ত নিৰ্বাচনৰ দিনক লৈ ব্যাপক উৎসুকতাই বিৰাজ কৰি অহাৰ সময়তে বিজেপি দলে তৎপৰতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। যাৰ পৰিপ্ৰেক্ষিতত বিজেপি দলৰ প্ৰতি আকৰ্ষিত হৈ দুই শতাধিক স্থানীয় লোকে দলটোত আনুষ্ঠানিকভাৱে যোগদান কৰে।

# ৰঙিয়াৰ কিক বক্সাৰ উদিত কলিতালৈ সাহসী বঁটা

**ই-সংবাদ, ৰঙিয়া, ৩ এপ্ৰিলঃ** সামাজিক বেচৰকাৰী সংগঠন সাহসীয়ে ৰঙিয়াৰ পৰা প্ৰতিনিধিত্ব কৰি ৰাজস্থানত অনুষ্ঠিত সৰ্বভাৰতীয় প্ৰতিযোগিতাত স্বৰ্ণ পদক জয় কৰিবলৈ সক্ষম হোৱা কিক্ বক্সাৰ উদিত কলিতালৈ আগবঢ়াইছে চলিত বৰ্ষৰ সাহসী বঁটা। শ্ৰী মন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ডও বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উদিত কলিতাক উক্ত বঁটা প্ৰদান কৰা হয়।



# বহিঃৰাজ্যত সন্ধানহীন অসমৰ যুৱক

**ই-সংবাদ, দুনী, ৩ এপ্ৰিলঃ** কামৰ সন্ধানত বহিঃৰাজ্যলৈ যোৱা এজন যুৱক সন্ধানহীন হোৱাৰ খবৰে দৰঙত চাঞ্চল্যৰ সৃষ্টি কৰিছে। দৰঙৰ বুঢ়া আৰক্ষী চকী এলেকাৰ দক্ষিণ বামুণঝাৰ গাঁৱৰ ডিম্বেশ্বৰ নাথৰ পুত্ৰ হিতেশ্বৰ নাথ নামৰ যুৱকজনে ২৬ মাৰ্চত কামৰ সন্ধানত বহিঃৰাজ্যলৈ যায়। গুৱাহাটীৰ কামাখ্যা ৰে'ল ষ্টেচনৰ পৰা ১৫৬৬৮ নম্বৰ ৰে'লেৰে গুজৰাটলৈ যাত্ৰা কৰে যদিও আধা ৰাস্তাৰ পৰাই সন্ধানহীন হয় যুৱকজন। পৰিয়ালৰ ভাষ্য অনুসৰি, গুজৰাটলৈ যোৱাৰ পথতউত্তৰ প্ৰদেশৰ কাণপুৰত সন্ধানহীন হয় হিতেশ্বৰ। পৰিয়ালৰ লোকে বহু বিচাৰ-খোচাৰ কৰাত শেষবাৰৰ বাবে উত্তৰ প্ৰদেশৰ কাণপুৰত ম'বাইল লোকেচন লাভ কৰিছিল যদিও তাৰ পৰাই সংযোগ বিছিন্ন হৈ আছে। এই সন্দৰ্ভত পৰিয়ালৰ লোকে বুঢ়া আৰক্ষীৰ কাষ চাপিছে যদিও এই পৰ্যন্ত কোনো সম্ভেদ পোৱা নাই যুৱকজনৰ। যুৱকজন সন্ধানহীন হৈ পৰাত উদ্বিগ্ন হৈ পৰিছে পৰিয়াল তথা স্থানীয় ৰাইজ।

# শিমলীতোলা যুৱ শান্তি এন জি অ'ৰ দ্বিতীয় বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি

**ই-সংবাদ, শিমলীতোলা, ৩ এপ্ৰিলঃ** পূব গোৱালপাৰা নৰাগত শিমলীতোলা যুৱ শান্তি NGOৰ দ্বিতীয় বাৰ্ষিক অধিৱেশনৰ কালি সামৰণি পৰে। অইন অইন বছৰৰ দৰে এবেলিও পূব গোৱালপাৰা নৰাগত শিমলীতোলা যুৱ শান্তি NGOয়ে তিনিদিনীয়া এক বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰে দ্বিতীয় বাৰ্ষিক অধিৱেশন। প্ৰথম দুই দিনত বিভিন্ন খেল-ধেমালি, নৃত্য-গীত প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে শেষৰ দিনা সন্ধিয়া অনুষ্ঠিত কৰা হয় মুকলি আৰু বঁটা বিতৰণী সভা। নৰাগত শিমলীতোলাৰ যুৱ সমাজকৰ্মী তথা বিজেপি দলৰ গোৱালপাৰা সূৰ্যগিৰি মণ্ডলৰ সম্পাদক আব্দুল হামেদৰ সভাপতিত্ব অনুষ্ঠিত হোৱা উক্ত মুকলি আৰু বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গোৱালপাৰা পশ্চিম সমষ্টিৰ বিধায়ক আলহাজ আব্দুৰ ৰশিদ মণ্ডল, আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে সুতাৰপাৰা মাজৰ গাঁও হাইস্কুলৰ প্ৰাক্তন অধ্যক্ষ আব্দুল হাছেম, নৰাগত শিমলীতোলাৰ ডাঃ সাহেবুল ইছলাম, পূব গোৱালপাৰা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যাপক আবু হানিফ, নৰাগত শিমলীতোলা বজাৰ পৰিচালনা সমিতিৰ সম্পাদক ৰাজেশ ঘোশ, কানকাটাৰ যুৱ সমাজকৰ্মী মাতোৱাৰ আলী, গোৱালপাৰা জিলা আমছুৰ সাধাৰণ সম্পাদক সাহিনুৰ ইছলাম, নৰাগত শিমলীতোলা বজাৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক হানিফ উদ্দিন আহমেদ, খেৰোপাৰাৰ যুৱ সমাজকৰ্মী আব্দুল কাদেৰ, নৰাগত শিমলীতোলা বজাৰ ব্যৱসায়ী সন্থাৰ সভাপতি আনোৱাৰ হোছেইনৰ লগতে বিভিন্ন দল-সংগঠনৰ ব্যক্তিসকল।

# বলাইপাথাৰত আই পি এল জুৱাৰী আটক

**ই-সংবাদ, কলগাছিয়া, ৩ এপ্ৰিলঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বলাইপাথাৰ গাঁৱৰ কুখ্যাত আই পি এল জুৱাৰী তথা মকিম মণ্ডলৰ পুত্ৰ আছিৰ উদ্দিন(৩৭)ক বুধবাৰে নিশাৰ ভাগত আই পি এল জুৱা চলাই থকা অৱস্থাত কলগাছিয়া আৰক্ষীয়ে হাতে-লোটে গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে, কলগাছিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দিব্য কমল দত্তৰ নেতৃত্বত এটা আৰক্ষীৰ দলে গোপন অভিযান চলাই গ্ৰেপ্তাৰ কৰে জুৱাৰী আছিৰ উদ্দিনক। জুৱাৰীজনৰ পৰা এটা ম'বাইল ফোন, জুৱা খেলৰ আইডি আৰু অন্যান্য নথি-পত্ৰ জব্দ কৰে আৰক্ষীয়ে। উল্লেখ্য যে, বৃহত্তৰ কলগাছিয়া অঞ্চলত এনেদৰে অবৈধ জুৱা খেল চলাই থকাৰ ফলত স্কুল-কলেজীয়া ছাত্ৰৰ লগতে যুৱ প্ৰজন্ম ধ্বংসৰ পথলৈ গতি কৰিছে। জুৱা খেলত পকেটৰ ধন লোকচান কৰি জুৰুল্লা হোৱাৰ লগতে সম্প্ৰতি চুৰি কাৰ্যত লিপ্ত হৈছে একাংশ যুৱ প্ৰজন্ম। আন একাংশই আকৌ জুৱাৰ নিচাত পৰি মদ, ভাং, ড্ৰাগছ আদি নিচাযুক্ত দ্ৰব্যত আসক্ত হৈ ধ্বংস হৈ পৰিছে। সেয়ে অতি শীঘ্ৰে জুৱা খেল বন্ধ কৰিবলৈ ৰাইজৰ লগতে কলগাছিয়া জিলা আমছুৰ সভাপতি ছাহজাহান আলী, সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ সভাপতি চানমামুদ আহমেদ আদি বিশিষ্ট ব্যক্তিসকলে দাবী জনাইছে। আই পি এল জুৱাৰী আছিৰ উদ্দিনক গ্ৰেপ্তাৰ কৰা কাৰ্যক ৰাইজে প্ৰশংসা কৰাৰ লগতে আই পি এল জুৱাৰ লগত জড়িত থকা অন্যান্য ৰৌ-বৰালিক গ্ৰেপ্তাৰ কৰিবলৈ স্থানীয় সচেতন ৰাইজে দাবী জনাইছে।

# নলবাৰীৰ চামতাত অসম দৰ্শন আঁচনিৰ জৰিয়তে ১৯১খন পীঠস্থানলৈ আৱণ্টন পত্ৰ বিতৰণ

**ই-সংবাদ, নলবাৰী, ৩ এপ্ৰিলঃ** নলবাৰী জিলাৰ ৪০ নং টিহু সমষ্টিৰ অন্তৰ্গত চৰকাৰৰ অসম দৰ্শন আঁচনিৰ ২০২৫বৰ্ষৰ ১৯১টা ধৰ্মীয় পীঠস্থান তথা মন্দিৰলৈ আবণ্টন পত্ৰ বিতৰণৰ শুভাৰম্ভ কৰা হয়। কালি চামতাৰ ৰূপকোঁৱৰ কলা পৰিষদৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত জিলা আয়ুক্ত বৰ্ণালী ডেকাৰ উপস্থিতিত আবণ্টন পত্ৰসমূহ বিতৰণ কৰে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। উক্ত অনুষ্ঠানত উপস্থিত থাকে নলবাৰী জিলা উন্নয়ন আয়ুক্ত কৰ্মদেৱ ব্ৰহ্ম, পশ্চিম নলবাৰীৰ বিজেপিৰ মণ্ডল সভাপতি সীমান্ত মেনা, মধুপুৰ মণ্ডল বিজেপিৰ সভাপতি ভাস্কৰ শৰ্মা, পশ্চিম নলবাৰী চক্ৰ বিষয়া ৰিমা কৌশিক, বানেকুছিৰ চক্ৰ বিষয়া ড০ সংগীতা শৰ্মাৰ উপৰি সমষ্টিৰ মঠ-মন্দিৰ পৰাচালনা সমিতিৰ লগতে বহু লোক উপস্থিত থাকে।অনুষ্ঠানৰ আঁত ধৰে দুলু আহমেদে।

# ধৰ্মপ্ৰাণ মহিলা প্ৰেমেশ্বৰী কলিতাৰ মৃত্যু, শোক প্ৰকাশ

**ই-সংবাদ, ছিপাঝাৰ, ৩ এপ্ৰিলঃ** দৰঙ জিলাৰ ছিপাঝাৰৰ হাজৰিকাপাৰা নিবাসী প্ৰয়াত নগেন্দ্ৰ কলিতাৰ সহধৰ্মীনি, ধৰ্মপ্ৰাণ মহিলা, আই নামৰ শিল্পী তথা শ্ৰীমন্ত শংকৰদেৱ সংঘ, হাজৰিকাপাৰা প্ৰাথমিক শাখাৰ একনিষ্ঠ সেৱিকা প্ৰেমেশ্বৰী কলিতাৰ ৭৯ বছৰ বয়সত আজি পুৱা বাৰ্ধক্যজনিত কাৰণত নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ তিনি গৰাকী পুত্ৰ-বোৱাৰী, তিনি গৰাকী জী-জোঁৱাই আৰু কেবাগৰাকীও নাতি-নাতিনীসহ বহু গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ সংঘ, হাজৰিকাপাৰা প্ৰাথমিক শাখা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ হাজৰিকাপাৰা আঞ্চলিক সেৱা বাহিনী, স্থানীয় শংকৰজ্যোতি কৃষ্টি সংঘ, ছিপাঝাৰ আঞ্চলিক বাতৰি কাকত বিতৰক সন্থা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে।

# ভেৰুৱাত দুনী দিপীলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, দুনী, ৩ এপ্ৰিলঃ** দুনীৰ ভেৰুৱাত দুনী দিপীলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। ২০১৭ চনতে স্থাপিত, অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ স্বীকৃতি প্ৰাপ্ত ৬০ বছৰৰ উৰ্ধৰ ব্যক্তিসকলৰ অনুষ্ঠান 'দুনী দিপীলা জ্যেষ্ঠ নাগৰিক সন্মিলন'ৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু বাৰ্ষিক অধিৱেশন অহা ১১ এপ্ৰিলত দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। দুনী দিপীলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কাৰ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া প্ৰতিষ্ঠা দিৱস আৰু বাৰ্ষিক অধিৱেশৰ পুৱা স্বচ্ছ অভিযানেৰে কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পাছতে বন্তি প্ৰজালন, সন্মিলনৰ পতাকা উত্তোলন, গছ পুলি ৰোপণ, স্মৃতি তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। স্মৃতি তৰ্পণৰ পাছতে দুনী দিপীলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কাৰ্যকৰী সভাপতি বীৰেন্দ্ৰ কাকতিৰ সভাপতিত্বত প্ৰতিনিধি সভাখন অনুষ্ঠিত হ'ব। প্ৰতিনিধি সভা উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত বেংক বিষয়া আদ্য প্ৰসাদ শৰ্মাই। প্ৰতিনিধি সভাৰ অন্তত অনুষ্ঠিত হ'ব মুকলি সভা আৰু সম্বৰ্ধনা অনুষ্ঠান। মুকলি সভাত সভাপতিত্বত কৰিব দুনী দিপীলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ৰূপা নাথ কলিতাই। সভা উদ্বোধন কৰিব ভেৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰবীণ কুমাৰ কলিতাই। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ছিপাঝাৰৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী। সভাত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকিব ছিপাঝাৰৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব দৰং জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰাক্তন সভাপতি বল বাহাদুৰ চেত্ৰীৰ উপৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি।

# বেৰভাংগীত ৰাইজৰ হাতত গভাইত চোৰ আটক

**ই-সংবাদ, গোলকগঞ্জ, ৩ এপ্ৰিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত সন্ত্ৰাস চলাই অহা গভাইত চোৰ এটাক আজি স্থানীয় ৰাইজে কৰায়ত্ত কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। গভাইত চোৰটো বেৰভাংগী তৃতীয় খণ্ড গাঁৱৰ আজিনুৰ ৰহমান। জানিব পৰা মতে, আজিনুৰে কেইদিনমান পূৰ্বে একে গাঁৱৰে মাহমাদুল হকৰ ম'বাইল চুৰি কৰিছিল। ম'বাইল চুৰি কৰি চোৰটো পলাই আছিল। আজি বেৰভাংগী বজাৰত ৰাইজে চোৰটোক ম'বাইলসহ পাই উত্তম-মধ্যম সোধাই নালিয়া আৰক্ষী নিৰীক্ষণ চকীক গতাই দিয়ে। উল্লেখ্য যে পবিত্ৰ ৰমজান মাহৰ তাৰাবীৰ নামাজৰ সময়তে ছালংডাঙা বেৰভাংগী মছজিদৰ ইমাম মৌলানা আব্দুল হালিমৰ চাইকেল চুৰি কৰাৰ লগতে গাঁওখনৰ আব্দুল মোতালেবৰ মটৰ চুৰি কৰা বুলি চোৰটোৱে স্বীকাৰ কৰে। ভাৰত-বাংলাদেশ সীমান্তৰ নালিয়া অঞ্চলত নিষিদ্ধ ড্ৰাগছৰ সেৱনকাৰীৰ সংখ্যা বৃদ্ধি হোৱাৰ বাবে চুৰি কাৰ্য বৃদ্ধি পাইছে। প্ৰণিধানযোগ্য যে যোৱা ১৯ মাৰ্চত পাঁচটা চোৰে একে নিশাই দুখন দোকানত চুৰিকাণ্ড সংঘটিত কৰিছিল। সকলো ঘটনা চিচিটিভিৰ কেমেৰাত আবদ্ধ হোৱাৰ বাবে অৱশ্যে পাঁচোটা চোৰ আৰক্ষীৰ জালত পৰে। অঞ্চলটোত নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায় বন্ধৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# সাংবাদিক ত্ৰিবেণী বৰাৰ্লৈ সদৌ অসম মহিলা সাংবাদিক বঁটা প্ৰদান

**ই-সংবাদ, চতিয়া, ৩ এপ্ৰিলঃ** অসমৰ সংবাদ ক্ষেত্ৰতখনত মহিলা সাংবাদিক আৰু সংবাদকৰ্মী হিচাপে জড়িত থাকি কেৱল অসমতে নহয় সমগ্ৰ ভাৰত লৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱাৰ সামান্তৰালকৈ সমাজত দেখা দিয়া জ্বলন্ত সমস্যাৰ বিষয়ে বিতং তথ্যৰ যোগান ধৰি সংবাদ মাধ্যমৰ জৰিয়তে প্ৰচাৰ, প্ৰকাশ কৰাৰ ক্ষেত্ৰত মহিলা সাংবাদিকসকলে নিৰ্ভকতাৰে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। সেয়েহে অসমৰ সংবাদ মাধ্যমৰ মহিলা সাংবাদিক আৰু সংবাদকৰ্মীসকলৰ মাজত একতাৰ এনাজৰী অধিক সক্ৰিয় আৰু অটুট ৰখাৰ উদ্দেশ্যে মহিলা সাংবাদিক সন্থাই প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। ২২ টা বৰ্ষ অতিক্ৰম কৰা এই মহিলা সাংবাদিক সন্থাই বুধবাৰে গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসত বিশ্বনাথৰ এন বি নিউজৰ সাংবাদিক তথা বিশ্বনাথ জিলা আপকুৰ সাধাৰণ সম্পাদিকা ত্ৰিবেণী বৰাক সদৌ অসম মহিলা সাংবাদিক বঁটা প্ৰদান কৰে। এই বঁটা ত্ৰিবেণী বৰাই লাভ কৰিবলৈ সক্ষম হোৱাত বিশ্বনাথ জিলা আপকুৰ সদস্যসকলৰ লগতে বিশ্বনাথৰ বিভিন্ন দল-সংগঠন, ৰাইজে সাংবাদিকগৰাকীক শুভেচ্ছা তথা অভিনন্দন জ্ঞাপন কৰে।

# গণেশকুঁৱৰীত কেতেকী সাহিত্য সভাৰ ৰূপালী জয়ন্তী উদযাপন

**ই-সংবাদ, দুমুনিচকী, ৩ এপ্ৰিলঃ** দৰং জিলাৰ দুমুনিচকীৰ সমীপৰ গণেশকুঁৱৰীস্থিত কেতেকী সাহিত্য সভাৰ ৰূপালী জয়ন্তী ৪ আৰু ৫ এপ্ৰিলত উদযাপনৰ বাবে বাহঁগড়া গণেশকুঁৱৰী জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। শাখা সাহিত্য সভাৰ সম্পাদক দিলদাৰ হুছেইন আৰু নৱ নিৰ্বাচিত সম্পাদক পদুম নাথে জানিবলৈ দিয়া অনুসৰি ৪ এপ্ৰিলত পুৱা ৮.৫৫ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব কেতেকী সাহিত্য সভাৰ সভাপতি অৰুণ চন্দ্ৰ দাসে। ইয়াৰ পিছত উদযাপন সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী সহিতে অঞ্চলটোৰ বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৰূপালী জয়ন্তীৰ ২৪ খন পতাকা উত্তোলন কৰা হ'ব। বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী সমাপন কৰাৰ পিছত সাহিত্য(কুইজ, আকস্মিক বক্তৃতা আৰু কবিতা আবৃত্তি) প্ৰতিযোগিতা আৰম্ভ হ'ব। সন্ধিয়া ২৫ গছি বন্তি প্ৰজ্বলন কৰা হ'ব স্থানীয় বিশিষ্ট ব্যক্তিৰ জৰিয়তে। নিশাৰ সাংস্কৃতিক সন্ধিয়াত স্থানীয় শিল্পীৰ গীত-মাত, দৰঙী কলা-কৃষ্টি প্ৰদৰ্শন কৰা হ'ব। উদ্বোধন কৰিব দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক মুকুট হাজৰিকাই। ৫ এপ্ৰিলতপুৱা ৮ বজাত পৰিৱেশ নিকাকৰণৰ পিছতে ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বেহাৰবাৰী ধাৰাবাহিকৰ 'মোহন' খ্যাত কৌতুক অভিনেতাদীপজ্যোতি কেওটে। দুপৰীয়া ২ বজাত মুকলি সভাত সভাপতিত্ব কৰিব উদযাপনৰ সমিতিৰ সভাপতি তথা ছিপাঝাৰৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে। আদৰণী ভাষণ প্ৰদান কৰিব শাখাৰ প্ৰাক্তন সভাপতি দয়াৰাম দাসে। একেদৰে স্মৃতিগ্ৰন্থ উন্মোচন কৰিব দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ চহিৰ ভূঞাই। মুখ্য অতিথি হিচাপে উপস্থিতি থাকিব অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা, নিৰ্দিষ্ট বক্তা হিচাপে বিশিষ্ট শিক্ষাবিদ ডঃ দিগন্ত বিশ্ব শৰ্মা আৰু ডঃ আলেখ্য বৰুৱা। সভাত দৰং জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদক সহিতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। নিশা সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ কণ্ঠশিল্পী মৰ্মিতা মিত্ৰৰ গীতৰ অনুষ্ঠান। ছিপাঝাৰৰ বিশিষ্ট সমাজকৰ্মী কুলদ্বীপ বৰুৱাই সাংস্কৃতিক সন্ধিয়া মুকলি কৰিব।সকলো কাৰ্যসূচীত ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে।

# আগমনিত বন বিভাগৰ চাকৰিৰ নামত ধন সংগ্ৰহ স্বয়ম্ভূ বিষয়াৰ

**ই-সংবাদ, গোলকগঞ্জ, ৩ এপ্ৰিলঃ** ধুবুৰী আগমনি আৰু গোলকগঞ্জ থানা এলেকাত নিজকে বনকৰ্মী, বন বিষয়া বুলি ধন দাবী কৰি ফুৰা এজন ঠগ-প্ৰৱঞ্চক ব্যক্তিৰ বিৰুদ্ধে চাকৰিৰ নামত ধন সংগ্ৰহ কৰাৰো অভিযোগ উত্থাপন হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ঝসকাল প্ৰথম খণ্ড গাঁৱৰ ওৱাহাব খন্দকাৰৰ পুত্ৰ শ্বাহ জাহান খন্দকাৰ বহু পূৰ্বে দৈনিক মজুৰি ভিত্তিত সাময়িক কৰ্মী হিচাপে কৰ্মৰত আছিল। উক্ত কৰ্ম হাতৰ পৰা গুচি যোৱাৰ পিছত তেওঁ সদায় নিজকে বন কৰ্মী বুলি পৰিচয় দি আহিছিল। সময় সুযোগ বুজি নিজকে বন বিষয়া বুলিও নিজকে পৰিচয় দিয়া বুলি পূৰ্বৰ পৰাই তেওঁৰ বিৰুদ্ধে অভিযোগ আছে। অভিযোগ মতে, শ্বাহ জাহান খন্দকাৰে চাকৰি নাথাকিলেও সন্ধিয়া আৰু পুৱতি নিশা তিনি চাৰি বজাতে অবৈধ কাঠ কঢ়িওৱা বাহনসমূহ পথত আগোচি ধৰি দাবী ধমকিৰে ধন সংগ্ৰহ কৰে। এখন চাৰিচকীয়া বাহন লৈ প্ৰৱঞ্চকটোৱে চাৰিওফালে দৌৰি ফুৰে। শেহতীয়াকৈ তেওঁৰ বিৰুদ্ধে চাকৰি দিয়াৰ নামত বুজন পৰিমাণৰ ধন সংগ্ৰহৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। স্থানীয় সচেতন ৰাইজে কৰা অভিযোগ মতে তেওঁ একাংশ চাকৰি প্ৰত্যাশীৰ পৰা চল্লিশ-পঞ্চাশ হাজাৰ টকা লৈ ভুৱা এক্সপেৰিয়েন্স চাৰ্টিফিকেট প্ৰদান কৰে। তাৰ পিছত চতুৰ্থ শ্ৰেণীৰ চাকৰি প্ৰদানৰ নামত চাকৰি প্ৰত্যাশীৰ পৰা ডেৰ, দুই লাখ টকাকৈ সংগ্ৰহ কৰে। টকাৰ দিয়াৰ পিছতো চাকৰিৰ কোনো উম ঘাম নাপাই ধন ঘূৰাই বিচাৰি হাহাকাৰ সৃষ্টি কৰে টকা দিয়াসকলে। টকা আজি ঘূৰাই দিম, কালি ঘূৰাই দিম বুলি এতিয়া শ্বাহ জাহান খন্দকাৰ পলাই ফুৰা বুলি অভিযোগ উত্থাপিত হৈছে। আজি এই সন্দৰ্ভত প্ৰৱঞ্চিত বেৰভাংগী প্ৰথম খণ্ড গাঁৱৰ এহৰাৰুৰ জামান আহমেদে(ৰুণু) শ্বাহ জাহান খন্দকাৰৰ বিৰুদ্ধে আগমনি থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰত উল্লেখ কৰা মতে, শ্বাহ জাহান খন্দকাৰে বন বিভাগৰ চতুৰ্থ শ্ৰেণীৰ চাকৰি দিয়াৰ বাবে তেওঁৰ পৰা এক লাখ ত্ৰিশ হাজাৰ টকা লৈছে। ইয়াৰ বিনিময়ত মাত্ৰ বাৰ বছৰ বন বিভাগত অস্থায়ীভাৱে কাম কৰা বুলি এখন এক্সপেৰিয়েন্স চাৰ্টিফিকেট দি তেওঁ দীৰ্ঘদিন ধৰি পলাই ফুৰিছে। শ্বাহ জাহান খন্দকাৰৰ বিৰুদ্ধে এহৰাৰুৰ জামান আহমেদে আজি এখন এজাহাৰ দিয়ে যদিও আন বহুতৰে পৰা শ্বাহ জাহান খন্দকাৰে এনেকৈ ধন সংগ্ৰহ কৰা বুলি জানিব পৰা গৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# আন্তঃজিলা ক্ৰিকেটৰ চেণ্ট্ৰেল মণ্ডলৰ খেলত কলিয়াবৰৰ জয়

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৩ এপ্ৰিলঃ** এচিএ ক্ৰিকেট একাডেমীৰ সৌজন্যত নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত চলি থকা দ্বিতীয় পুলিন দাস অনূৰ্ধ্ব-১৪ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ চেণ্ট্ৰেল অসম মণ্ডলৰ গ্ৰুপ-'বি'ৰ আজি লীগৰ খেলত কলিয়াবৰ দলে বোকাখাটক এক উইকেটত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। খেলখনত বোকাখাট দলটোৱে টছত জিকি পোনতে বেট ধৰি ওম প্ৰকাশ গুপ্তাৰ-২৪, দিগবিজয় এন চেত্ৰীৰ-২২ আৰু শশী পেগুৰ-১৮ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ৩৩.২ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ১২৫ ৰাণ সংগ্ৰহ কৰে। বলিঙত কলিয়াবৰৰহে অধিনায়ক চিন্ময় ৰয়ে পাঁচটা, অজয় দাসে দুটা, বিদ্যাৰ্ণৱ দাস আৰু কামৰাণ আকমলে এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত কলিয়াবৰে চিন্ময় ৰয়ৰ-৩২, বিদ্যাৰ্ণৱ দাসৰ অপৰাজিত-২৩ আৰু ধৈৰ্য সিনহাৰ-১৩ ৰাণৰ উল্লেখনীয় অৱদানৰে ৩১.৫ অভাৰত নটা উইকেটৰ বিনিময়ত ১২৭ ৰাণ সংগ্ৰহৰে বিজয়লক্ষ্য অতিক্ৰম কৰে। বলিঙত বোকাখাটৰহে দিগবিজয় এন চেত্ৰী আৰু সমীৰণ বৰাই তিনিটাকৈ আৰু আচু ৰজকে দুটা উইকেট দখল কৰে। খেলখনৰ অন্তত চিন্ময় ৰয়ক প্লেয়াৰ অব দ্যা মেচৰ বঁটা বিতৰণ কৰা হয়। কাইলৈৰ খেলত হোজাইয়ে নগাঁও দলৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

# যোৰহাটৰ অংগৰাগ প্ৰীতমৰ সাফল্য

**ই-সংবাদ, পশ্চিম যোৰহাট, ৩ এপ্ৰিলঃ** কেৰালাৰ ত্ৰিবান্দমত ২৯-৩১ মাৰ্চলৈ অনুষ্ঠিত ৰাষ্ট্ৰীয় যোগাসনা চেম্পিয়নশ্বিপত অংগৰাগ প্ৰীতমে ছাব জুনিয়ৰ ষষ্ঠ শ্ৰেণী গ্ৰুপত ট্ৰেডিছনেল ইভেণ্টত ব্ৰঞ্জ, আৰ্টিষ্টিক ছিংগল ইভেণ্টত ছিলভাৰ, আৰ্টিষ্টিক গ্ৰুপত গল্ড মেডেল লাভ কৰি যোৰহাটৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। যোৰহাট হেমলতা স্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ অংগৰাগ প্ৰীতম পশ্চিম যোৰহাট অঞ্চলৰ কটকী পুখুৰী বাপুজী নগৰৰ বি বি পথৰ ৰূপজ্যোতি বৰদলৈ আৰু পৰিস্মিতা বৰদলৈৰ পুত্ৰ। অংগৰাগে যোৰহাটৰ মৃদুল চেতিয়া আৰু গুৱাহাটীৰ অসীম বৰুৱাৰ তত্ত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰিছিল।



আইপিএল ২০২৫: চানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে গগনচুম্বী শ্বট কলকাতা নাইট ৰাইডাৰ্ছৰ আজিংক্য ৰাহানেৰ

## ভাৰতীয় দলৰ ঘৰুৱা শৃংখলাৰ সময়সূচী ঘোষণা বিচিচিআইৰ

# ২২ নৱেম্বৰত বৰ্ষাপাৰাত অনুষ্ঠিত হ'ব ভাৰত বনাম ৱেষ্ট ইণ্ডিজৰ টেষ্ট মেচ

**নতুন দিল্লী, ৩ এপ্ৰিলঃ** ঘৰুৱা খেলপথাৰত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ জৰিয়তে ঘৰুৱা ছিজন আৰম্ভ কৰিবলৈ সাজু হৈছে টিম ইণ্ডিয়া। আজি বিচিচিআইয়ে ভাৰতৰ ঘৰুৱা ছিজনৰ সম্পূৰ্ণ সূচী ঘোষণা কৰে। কেৰিবিয়ানৰ বিৰুদ্ধে দুখন মেচৰ টেষ্ট শৃংখলাৰ প্ৰথমখন মেচ অহা ২ অক্টোবৰত আহমেদাবাদত অনুষ্ঠিত হ'ব, আনহাতে দ্বিতীয়খন টেষ্ট ১০ অক্টোবৰৰ পৰা কলকাতাত অনুষ্ঠিত হ'ব। ইয়াৰ পিছত বিৰাট কোহলী আৰু তেওঁৰ দলে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব। ১৪ নৱেম্বৰত নতুন দিল্লীত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে প্ৰথমখন টেষ্ট আৰম্ভ হ'ব, আনহাতে দ্বিতীয়খন টেষ্ট ২২ নৱেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'ব ।লক্ষনীয়ভাৱে গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় টেষ্ট মেচ আয়োজন কৰা হৈছে। ইয়াৰ পিছত ভাৰতে তিনিখন মেচৰ এদিনীয়া শৃংখলা আৰু পাঁচখন টি-২০ শৃংখলা খেলিব। ৩০ নৱেম্বৰত ৰাঁচীত আৰম্ভ হ'ব এদিনীয়া শৃংখলা, ৩ ডিচেম্বৰত ৰায়পুৰত দ্বিতীয়খন খেল আৰু ৬ ডিচেম্বৰত ভাইজাগত তৃতীয়খন খেল অনুষ্ঠিত হ'ব। এই ছিৰিজৰ জৰিয়তে ভাৰতীয় দলটোৱে ঘৰুৱা নতুন ছিজনত নিজৰ শক্তি প্ৰমাণ কৰাৰ সুযোগ লাভ কৰিব। বিশেষকৈ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে এক কঠিন প্ৰতিযোগিতা অপেক্ষা কৰি আছে, য'ত গুৱাহাটীত প্ৰথমবাৰৰ বাবে টেষ্ট মেচ আয়োজন কৰাৰ লগে লগে উত্তেজনা অধিক তীব্ৰতৰ হৈ পৰিছে। গুৱাহাটীত টেষ্ট ক্ৰিকেট আয়োজনক লৈ উত্তেজনা তুংগত উঠিছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি